● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com

# দৈনিক অগ্ৰদূত

RNI-Regd No. 62953/96 ■ অষ্টাবিংশতিতম বছৰ ● ৮ম সংখ্যা ●
গুৱাহাটী ● বৃহস্পতিবাৰ ২৬ আহিন ১৪২৯ ভাস্কৰাব্দ ১৩ অক্টোবৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 13 October 2022 মূল্য ঃ ৯.০০ টকা

অসম চৰকাৰ





অসমলৈ উষ্ম আদৰণি

শ্ৰীমতী দ্ৰৌপদী মুৰ্মু

ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি

১৩-১৪ অক্টোবৰ, ২০২২



জনসংযোগ/ডি/১৩৬৩৫/২২

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আমি স্কুলত শিকা আটাইতকৈ গুৰুত্বপূৰ্ণ সত্যটো হৈছে, অধিকাংশ গুৰুত্বপূৰ্ণ কথাই স্কুলত শিকিব নোৱাৰি।

হাৰুকি মুৰাকামি
*জাপানী সাহিত্যিক*



www.dainikagradoot.in

৭ আমি আত্মৰক্ষাৰ বাবে পৰমাণু অস্ত্ৰ প্ৰয়োগ কৰিম ঃ ৰাছিয়া
১৫ অন্তিম দিনা অসমক সোণ দিলে লাভলীনা-অংকুশিতাই
৪ শিশু ৰজা, ল'ৰা ৰজা, বুঢ়া ৰজা ইত্যাদি আৰু ইংলেণ্ডৰ নতুন ৰজা চাৰ্লছৰ বিগত কালৰ ভূমিকা



RNI-Regd No. 62953/96 ■ অষ্টাবিংশতিতম বছৰ ● ৮ম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২৬ আহিন ১৪২৯ ভাস্কৰাব্দ ১৩ অক্টোবৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 13 October 2022 মূল্য ঃ ৯.০০ টকা

■ সাত শতাধিক আবেদন পৰীক্ষা কৰিছে আবকাৰী বিভাগে ■ ৰাজকোষ টনকিয়াল কৰাৰ অজুহাতত গাঁৱে গাঁৱে সুৰা বিপণী খোলাৰ যোজা ■ অধিকাংশ বাৰ সুৰাৰ বিপণীলৈ পৰিৱৰ্তন

# এইবাৰ গ্ৰামাঞ্চলত বোৱাব সুৰাৰ ধল

**বিষাক্ত সুৰা সেৱন কৰি স্বাস্থ্য হানিৰ আশংকাত গ্ৰামাঞ্চলত বিপণী খুলিবলৈ উদ্যোগ ঃ মন্ত্ৰী**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ অক্টোবৰ ঃ** ৰাজহ সংগ্ৰহৰ পৰিমাণ বৃদ্ধিৰে ৰাজকোষ টনকিয়াল কৰিবলৈ অসম চৰকাৰৰ আবকাৰী বিভাগে চহৰৰ লগতে গ্ৰামাঞ্চলতো সুৰাৰ ধল বোৱাই দিবলৈ তৎপৰতা আৰম্ভ কৰিছে। তাৰে অংশৰূপে গ্ৰামাঞ্চলত সুৰা বিপণী স্থাপনৰ বাবে প্ৰথম পৰ্যায়ত ইতিমধ্যে দাখিল কৰা সাত শতাধিক আবেদনৰ পৰীক্ষা সম্প্ৰতি অব্যাহত আছে। বিভাগীয় সূত্ৰই সদৰী কৰা অনুসৰি চহৰ আৰু নগৰ অঞ্চলতো নতুনকৈ সুৰা বিপণী স্থাপনৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা হ'ব; কিন্তু চহৰতকৈও অগ্ৰাধিকাৰ দিয়া হৈছে গ্ৰামাঞ্চলক। অসমত আৰু কিমান সুৰা বিপণীৰ প্ৰয়োজনীয়তা আছে বুলি এক জৰীপ আবকাৰী বিভাগে অলপতে সম্পন্ন কৰে। সুৰাৰ চাহিদাক মূল আধাৰ কৰি চলোৱা এই জৰীপৰ প্ৰতিবেদনত অসমৰ গ্ৰামাঞ্চলৰ লগতে চহৰ-নগৰতো এতিয়াও বহু সুৰা বিপণী স্থাপনৰ সুযোগ আছে বুলি উল্লেখ কৰা হয়। তাৰ পাছতে গ্ৰামাঞ্চলত নতুন বিপণী স্থাপনৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰে আবকাৰী বিভাগে। বেছিভাগ গাঁৱতে প্ৰয়োজনীয় চাহিদা থকা সত্ত্বেও সুৰা বিপণী নাই বুলি বিভাগে জৰীপৰ তথ্যৰ উদ্ধৃতিৰে প্ৰকাশ কৰিছে। প্ৰসংগক্ৰমে সূত্ৰটোৱে উল্লেখ কৰে যে উক্ত জৰীপৰ মূল লক্ষ্য আছিল বিভাগীয় ৰাজহ সংগ্ৰহৰ পৰিমাণ বৃদ্ধি। কাৰণ চৰকাৰৰ ৰাজহ বৃদ্ধিত আবকাৰী বিভাগে অন্যতম গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি *১০ পৃষ্ঠাত চাওক*

## নৃত্যাচাৰ্য যতীন গোস্বামীক সংগীত নাটক একাডেমী ফেল' সন্মান প্ৰদান

সত্ৰীয়া শিল্পীয়ে বঁটা সন্মান পাব বুলি নাভাবে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ অক্টোবৰ ঃ** 'অসমৰ প্ৰায়বোৰ সত্ৰীয়া শিল্পীয়ে নাভাবে যে সত্ৰৰ নৃত্যৰে তেওঁলোক কিবা সন্মান পাব। এক উৎসৰ্গীকৃত মনহে থাকে। এয়াই সত্ৰীয়া নৃত্যৰ বৈশিষ্ট্য।' অসমৰ তৃতীয়গৰাকী ব্যক্তিৰূপে আজি ইয়াত সংগীত নাটক একাডেমীৰ ফেল' সন্মান গ্ৰহণ কৰি এই মন্তব্য কৰে নৃত্যাচাৰ্য যতীন গোস্বামীয়ে। এইগৰাকী আজন্ম *১০ পৃষ্ঠাত চাওক*



*নৃত্যাচাৰ্য যতীন গোস্বামীক সংগীত নাটক একাডেমীয়ে ফেল' সন্মান প্ৰদান, মহানগৰীত বুধবাৰে।*

## বিজেপিৰ নতুন কাৰ্যালয় ভাগিব বুলি ভাবুকি দি বিপদত ভূপেন

গুৱাহাটীৰ ঘৰৰ তথ্য বিচাৰি নিগমৰ জাননী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ অক্টোবৰ ঃ** ৰাজ্যত কংগ্ৰেছৰ চৰকাৰ হ'লেই বশিষ্ঠৰ নৱনিৰ্মিত ৰাজ্যিক বিজেপিৰ কাৰ্যালয়টো ভাঙি দি সেই স্থানত নদী গৱেষণা কেন্দ্ৰ স্থাপন কৰিব বুলি হুংকাৰ দি চৰকাৰৰ ৰোষত পৰিল প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা। এদিন পূৰ্বে ৰাজ্যিক বিজেপিয়ে *আঠ পৃষ্ঠাত চাওক*

■ কংগ্ৰেছৰ সভাপতি নিৰ্বাচনক লৈ অসমতো তৎপৰতা ■ খাৰ্গে আহিল আৰু গ'ল, এইবাৰ গুৱাহাটী অভিমুখে প্ৰতিদ্বন্দ্বী থাৰুৰ

## নবীনৰে যুঁজত প্ৰবীণৰ সম্ভাৱনাই অধিক, কিয়নো দলত ভোটো অধিক

গান্ধী পৰিয়ালৰ পছন্দৰেই পাল্লা ভাৰি



**ষ্টাফ ৰিপ'ৰ্টাৰ/নিউজ ব্যুৰ'**

**গুৱাহাটী/নতুন দিল্লী, ১২ অক্টোবৰ ঃ** প্ৰায় এটা দশক ধৰি সংসদীয় নিৰ্বাচনী বিপৰ্যয়ত ত্ৰাহি মধুসূদন দেখা কংগ্ৰেছ এতিয়া দলীয় নিৰ্বাচনক লৈ ব্যস্ত। অসম প্ৰদেশ কংগ্ৰেছ কমিটী (এপিচিচি)ও এতিয়া ইয়াকে লৈ তৎপৰ হৈছে। চৰ্চাৰ মূল বিষয়বস্তু— কাৰ পাল্লা ভাৰি? মল্লিকাৰ্জুন খাৰ্গে নে শশী থাৰুৰৰ? অলপতে অসম ভ্ৰমণ কৰি গৈছে খাৰ্গেই। ভোট বিচাৰি তেওঁ অসম কংগ্ৰেছৰ ভোটাৰৰ স'তে বৈঠকত মিলিত হৈছে। এপিচিচিৰ সূত্ৰত প্ৰকাশ যে অসমত খাৰ্গেৰ *১০ পৃষ্ঠাত চাওক*

■ লক্ষ্মণ ৰেখাৰ বিষয়ে জ্ঞাত যদিও বিমুদ্ৰাকৰণৰ পৰ্যালোচনা কৰিব সৰ্বোচ্চ ন্যায়ালয়ে
■ বিমুদ্ৰাকৰণ সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ দিয়াটো কৰ্তব্য বুলি ক'লে সাংবিধানিক বিচাৰপীঠে

## বিমুদ্ৰাকৰণক লৈ শুনানি ল'ব ন্যায়ালয়ে

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১২ অক্টোবৰ ঃ** চৰকাৰৰ নীতি নিৰ্ধাৰণৰ সিদ্ধান্তৰ প্ৰত্যাহ্বানৰ ক্ষেত্ৰত কিমান দূৰ আগবাঢ়িব পাৰে উচ্চতম ন্যায়ালয়, কিয়নো এই ক্ষেত্ৰত আছে এক লক্ষ্মণ ৰেখা। অৱশ্যে দেশৰ উচ্চতম ন্যায়ালয়ে এই কথা উচ্চাৰণ কৰি আজি কয় যে তৎসত্ত্বেও ২০১৬ত উচ্চ মূল্য সম্পন্ন নোটৰ বিমুদ্ৰাকৰণৰ বিৰুদ্ধে দাখিল হোৱা আবেদনসমূহৰ শুনানি গ্ৰহণ কৰিব। সেই সময়ত প্ৰচলিত নোটৰ ৮০ শতাংশৰো অধিক পৰিমাণযুক্ত পাঁচশ আৰু এহেজাৰটকীয়া নোট নিষিদ্ধ কৰাৰ সিদ্ধান্তৰ ফাইল কেন্দ্ৰীয় চৰকাৰে সাজু ৰখাটো বিচাৰিছে উচ্চতম ন্যায়ালয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুৰ্নীতিবিৰোধী পদক্ষেপৰূপে মাজনিশা দেশবাসীক হতচকিত কৰি হঠাতে এই সিদ্ধান্ত ঘোষণা কৰিছিল। সৰ্বোচ্চ ন্যায়ালয়ে উত্থাপিত গোচৰ সন্দৰ্ভত কেন্দ্ৰ আৰু দেশৰ ৰিজাৰ্ভ বেংকক প্ৰতিবেদন দাখিল কৰিবলৈ কৈছে। এই সমস্ত বিষয়টোৰ অন্যতম মুখ্য প্ৰশ্ন যে ছবছৰ পাছত এই শুনানি বৰ্তমান সময়ত কেৱল এক বিদ্যায়তনিক কুচকাৱাজ হৈ ৰ'ব নেকি, ইয়াৰ উত্তৰ দিব বিচাৰে। বিমুদ্ৰাকৰণৰ ফলত *আঠ পৃষ্ঠাত চাওক*

■ ৰুষ্ট প্ৰকৃতিৰ শেহতীয়া বানত ডুব গৈছে গোগামুখ-খুমটাই-কমলাবাৰীৰ বিস্তীৰ্ণ অঞ্চল বন্ধ হৈছে বিদ্যালয় ■ বংকোৱালত বুৰালে ৰবি শস্যৰ খেতি ■ পীড়িতৰ মাজত খাদ্য সংকট

## আবতৰীয়া বানত মাজুলীলৈ তীব্ৰ ভাবুকি

**অগ্ৰদূত বাৰ্তা**

**গোগামুখ/খুমটাই/কমলাবাৰী, ১২ অক্টোবৰ ঃ** উত্তৰ অসমত আবতৰীয়া বানে লৈছে সংহাৰী ৰূপ। বিগত তিনিদিন ধৰি অব্যাহত থকা নেৰানেপেৰা বৰষুণৰ লগতে অৰুণাচলৰ পাহাৰত অত্যধিক মাত্ৰাত হোৱা বৰষুণৰ ফলত জীয়াঢল, কুমতীয়া আৰু ন-নদীৰ জলস্তৰ উফন্দি উঠিছে। ফলত ধেমাজি জিলাৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈছে। বিশেষকৈ সাপেখাতী বগৰীজানৰ ভগ্ন মথাউৰিৰে পানী সোমোৱাৰ ফলত গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত ২০ খনকৈ গাঁও বৰ্তমান পানীৰ তলত বুৰ গৈছে। ধেমাজি জিলা প্ৰশাসনে বানপীড়িত অঞ্চলসমূহত ছটাকৈ সাহায্য শিবিৰ স্থাপন কৰিছে যদিও সেয়া পৰ্যাপ্ত নহয়। খাদ্য সংকটে দেখা দিয়া গাঁওবাসীৰ মাজত, খোৱাপানীৰ বাবে হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। সমান্তৰালকৈ জীৱ-জন্তুৰো পানীত হাঁহ নচৰা অৱস্থা হৈছে। বানৰ সংহাৰী ৰূপত সমগ্ৰ অঞ্চলৰ লগতে বিদ্যালয়সমূহ পানীৰ তলত বুৰ যোৱাত বন্ধ কৰি দিয়া হৈছে পাঠদান। বৰ্তমান নাৱেৰে যোগাযোগ সম্পন্ন হোৱা অঞ্চলসমূহত বানত ককবকাই থকা লোকসকলৰ খবৰ কৰিবলৈ যেন আহৰি নাই স্থানীয় মন্ত্ৰী-বিধায়ক তথা প্ৰশাসনৰ *১০ পৃষ্ঠাত চাওক*

## পুনৰ ব্ৰহ্মপুত্ৰত জাহ গ'ল ছটা পৰিয়ালৰ গৃহ, সংকটত আন ৪০টা পৰিয়াল

ডিব্ৰুগড়ত মথাউৰি ছিঙি তাণ্ডৱৰ সৃষ্টি

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১২ অক্টোবৰ ঃ** ব্ৰহ্মপুত্ৰৰ খহনীয়াই ইতিমধ্যে ডিব্ৰুগড়ৰ সুৰক্ষা বান্ধৰ মাইজানত প্ৰায় ডেৰশ মিটাৰ উটুৱাই লৈ যোৱাৰ পাছত জলসম্পদ বিভাগে তৎপৰতাৰে সুৰক্ষা বান্ধৰ কাষতে আন এটা বান্ধ অস্থায়ীভাৱে নিৰ্মাণ কৰে। ইতিমধ্যে মাইজান নগাঘুলিৰ ছটা পৰিয়ালৰ বাসগৃহ নদীৰ খহনীয়াত জাহ যোৱাৰ লগতে *১০ পৃষ্ঠাত চাওক*

**■ মহানগৰীৰ বাবে নতুন পথ নিৰ্দেশনা**

## দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আজি প্ৰথম অসম ভ্ৰমণলৈ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু

■ উদ্বোধন কৰিব আইআইটি-জিৰ গৱেষণাগাৰ-ধুবুৰী চিকিৎসা মহাবিদ্যালয় ■ আধাৰশিলা চাহ বাগিচাৰ এশ আদৰ্শ হাইস্কুল-তিনি হেজাৰ অংগনৱাড়ী কেন্দ্ৰৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ অক্টোবৰ ঃ** দুদিনীয়া সময়সূচীৰে কে'বাটাও কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে বৃহস্পতিবাৰে অসমলৈ আহিব দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু। বৰঝাৰ বিমানকোঠত উপস্থিত হোৱাৰ পাছতে প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি ৰাষ্ট্ৰপতিগৰাকীয়ে উত্তৰ গুৱাহাটীস্থিত আই আই টিৰ এক অনুষ্ঠানত অংশগ্ৰহণ *১০ পৃষ্ঠাত চাওক*

## সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত চলিছে ধাৰাসাৰ ভূমিস্খলন

এনএইছপিচিৰ মইমতালিৰ বিৰুদ্ধে ক্ষোভ

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১২ অক্টোবৰ ঃ** চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত যিমানে প্ৰৱল বৃষ্টিপাত হৈছে, তাৰ সমান্তৰালভাৱে সোৱণশিৰি নদীৰ জলপৃষ্ঠ দোপত-দোপে বাঢ়িবলৈ লোৱাৰ ফলত সোৱণশিৰি জল বিদ্যুৎ প্ৰকল্পত ধাৰাসাৰ ভূমিস্খলনে ভয়ংকৰ ৰূপ *১০ পৃষ্ঠাত চাওক*

## তেজস্বিতাৰ মৃত্যু তিনিদিনে সাক্ষ্য নিদিলে এজনেও

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১২ অক্টোবৰ ঃ** মাজুলীৰ গড়মূৰস্থিত শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী জিলা চিকিৎসালয়ত বিগত পাঁচ অক্টোবৰত *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭° | ২৩° |
| ডিব্ৰুগড় | ২৬° | ২২° |
| দিল্লী | ৩০° | ২০° |
| কলকাতা | ৩১° | ২৫° |
| মুম্বাই | ২৮° | ২৬° |
| চেন্নাই | ৩২° | ২৭° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২১° | ১৭° |

*১২ অক্টোবৰ, ২০২২*

**মিজোৰামৰ পৰা আহি ধৰা পৰিল শিলচৰত**

## চিনেমাৰ কায়দাৰে তেলৰ টেংকাৰেৰে বৃহৎ পৰিমাণৰ চুপাৰি সৰবৰাহ



**শিলচৰ, ১২ অক্টোবৰ ঃ** চিনেমাৰ কায়দাৰে তেলৰ ট্ৰেংকাৰৰ চেম্বাৰত অবৈধভাৱে সৰবৰাহ কৰে বস্তাৰ পাছত বস্তা চুপাৰি। অৱশ্যে আজি পুৱা প্ৰায় আঠ বজাত লাইলাপুৰ আৰক্ষী চকীৰ ওচৰত তালাচী অভিযানৰ সময়ত এই অবৈধ বাৰ্মিজ চুপাৰি বহনকাৰী তেল ট্ৰেংকাৰ এখন আৰক্ষীয়ে আটক কৰে। এ এছ ০১-এফচি ৯২৭২ নম্বৰৰ ভাৰত পেট্ৰ'লিয়ামৰ তেল বহনকাৰী ট্ৰেংকাৰখন আহিছিল মিজোৰামৰ দিশৰ পৰা। ট্ৰাকখন জব্দ কৰি তালাচী *১০ পৃষ্ঠাত চাওক*

## মহানগৰীৰ হোটেলত প্ৰেমিকাৰ উপস্থিতিতে ৰহস্যজনক মৃত্যু

আত্মহত্যা বুলি সন্দেহ কৰিও আৰক্ষীৰ তদন্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ অক্টোবৰ ঃ** মহানগৰীৰ পল্টনবজাৰৰ এখন হোটেলত যোৱা তিনিদিন ধৰি বাহৰ পাতি থকা এজন যুৱকৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি পুৱতি নিশা অচেতন অৱস্থাত হোটেলৰ পৰা চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যুক সাৱটি *১০ পৃষ্ঠাত চাওক*

## খাৰুপেটীয়াত দুৰ্নীতি নিবাৰকৰ অভিযান

## উৎকোচ লৈ জালত পৰিল আৰক্ষীৰ চক্ৰ পৰিদৰ্শক-দেহৰক্ষী



**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ/দলগাঁও, ১২ অক্টোবৰ ঃ** অপৰাধমূলক গোচৰ মীমাংসাৰ নামত অভিযুক্তৰ পৰা উৎকোচ গ্ৰহণ কৰি এইবাৰ অসম আৰক্ষীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰকৰ জালত পৰিল *১০ পৃষ্ঠাত চাওক*

ছহিদ-নিৰ্যাতিত সমন্বয়ৰক্ষী পৰিষদৰে অসম চুক্তি ৰূপায়ণ বিভাগৰ বৈঠক ■ কাৰ্যালয় নিৰ্মাণৰ বাবে চন্দ্ৰপুৰত এবিঘা ভূমি প্ৰদানৰ সিদ্ধান্ত

## চৰকাৰী সংস্থাপন ৩২৭জনলৈ, ২৮৭ পংগু-৫৭ ধৰ্ষিতালৈ দুই লাখকৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ অক্টোবৰ ঃ** ছবছৰীয়া অসম আন্দোলনৰ ছহিদ-নিৰ্যাতিতসকলৰ সতি-সন্ততি তথা নিকটাত্মীয়ক চৰকাৰী সংস্থাপন দিবলৈ যাৱতীয় প্ৰস্তুতি অন্তিম পৰ্যায়ত উপনীত হৈছে অসম চুক্তি ৰূপায়ণ বিভাগ। সকলো ঠিকে থাকিলে আগন্তুক ইংৰাজী নৱবৰ্ষ তথা জানুৱাৰীতে ৩২৭ জন ছহিদ-নিৰ্যাতিত পৰিয়ালৰ সদস্যক চাকৰি দিবলৈ প্ৰস্তুতি আৰম্ভ কৰিছে ৰাজ্য চৰকাৰে। এই সন্দৰ্ভত যাৱতীয় প্ৰস্তুতিৰ ফাইল শীঘ্ৰে ৰাজ্যিক কেবিনেটৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰিবলৈ সাজু হৈছে সংশ্লিষ্ট বিভাগ। উল্লেখ্য যে অসম চুক্তি ৰূপায়ণ বিভাগৰ দায়িত্বত থকা মন্ত্ৰী অতুল বৰাই এই ক্ষেত্ৰত তৎপৰতা অৱলম্বন কৰি ছহিদ-নিৰ্যাতিতসকলৰ সকলো সমস্যা সমাধানৰ উদ্দেশ্যে বিভিন্ন পৰ্যালোচনা অব্যাহত ৰাখি সমাধানৰ পথ সুচল কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। তাৰ মাজতে আজি জনতা ভৱনত সদৌ অসম ছহিদ সমন্বয়ৰক্ষী পৰিষদ আৰু অসম চুক্তি ৰূপায়ণ বিভাগৰ উচ্চপদস্থ *১০ পৃষ্ঠাত চাওক*



*পুৰণি পেঞ্চন নীতি বাহালৰ দাবীত ৰেলকৰ্মীৰ ধৰ্মঘট, লখিমপুৰত।*

## ৰেলৰ খুন্দাত আঘাতপ্ৰাপ্ত হাতীৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১২ অক্টোবৰ ঃ** জীৱন ৰক্ষা কৰিব পৰা নগ'ল কালি উদ্ধাৰ কৰা আঘাতপ্ৰাপ্ত হাতীজনীৰ। সকলোৰে প্ৰচেষ্টাৰ পাছতো অৱশেষত যোৱা নিশা ১২ বজাত হাতীজনীয়ে মৃত্যুক সাৱটি লয়। উল্লেখ্য যে কালি বিয়লি *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*ৰাষ্ট্ৰপতি গুৱাহাটীলৈহে আহিব, তহঁতে ইয়াতেই পথাৰৰ কাম সামৰি বহিলি যে!*

■ ধৃত অভিযুক্তৰ পৰা উৎকোচ গ্ৰহণৰ পাছতে ফাদিল গুৰুত্বপূৰ্ণ তথ্য ■ তদন্তৰ আওতালৈ আহিব কলিয়াবৰৰ এছডিপিঅ'-অ'চি

## নগাঁৱত চোৰাং গৰু সৰবৰাহকাৰীৰে আৰক্ষীৰ গোপন বুজাবুজি উন্মোচিত

**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ অক্টোবৰ ঃ** চোৰাং গৰু সৰবৰাহৰ অন্যতম কৰিড'ৰ হৈ পৰিছে নগাঁও জিলা। জিলাখনৰ মাজেৰে যোৱা দুটাকৈ ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাজ্যিক ঘাইপথসমূহৰে অবাধে বিভিন্ন বাহনেৰে চোৰাং সৰবৰাহকাৰী দলে মেঘালয় হৈ নিতৌ বাংলাদেশলৈ গৰু সৰবৰাহ অব্যাহত ৰাখিছে। ইয়াকে লৈ বিভিন্ন প্ৰশ্ন উদয় হৈ আহিছে। আনকি একাংশ আৰক্ষী থানালৈও সন্দেহৰ আঙুলি উঠি আহিছে। অৱশেষত এই সন্দেহ সঁচাত পৰিণত হোৱা পৰিলক্ষিত হৈছে। একাংশ খাকী পোছাকধাৰীয়েই চোৰাং গৰুৰ ছিণ্ডিকেটৰ স'তে জড়িত হৈ থকাৰ তথ্য শেহতীয়াকৈ উন্মোচিত হৈছে। এই অসাধু চক্ৰৰ স'তে মিতিৰালি কৰি এইবাৰ ৰঙাঘৰৰ আলহী হ'ল কলিয়াবৰ আৰক্ষী থানাৰ এজন গৃহৰক্ষী জোৱান। গৰু সৰবৰাহকাৰীৰ পৰা লক্ষাধিক টকাৰ উৎকোচ লৈ আৰক্ষীৰ হাততেই গ্ৰেপ্তাৰ হোৱা এই গৃহৰক্ষী জোৱানজন হৈছে মকবুল হুছেইন। উল্লেখ্য যে যোৱা এক অক্টোবৰত কলিয়াবৰ *১০ পৃষ্ঠাত চাওক*

## সমাজ কল্যাণ বিভাগত ভুৱা নিযুক্তি প্ৰদান চক্ৰৰ দৌৰাত্ম্য অব্যাহত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ অক্টোবৰ ঃ** অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগত বাৰম্বাৰ সংঘটিত হোৱা ভুৱা নিযুক্তি কেলেংকাৰিয়ে গভীৰ ৰহস্যৰ সৃষ্টি কৰিছে। যোৱা নিশা মহানগৰ আৰক্ষীয়ে এনে কেলেংকাৰিত জড়িত থকাৰ অভিযোগত ছয়মাইলৰ দ্বাৰান্ধাৰ পৰা জিনা বেগম নামৰ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰে। তিনিজন চাকৰি প্ৰাৰ্থীয়ে হাতীগাঁও আৰক্ষী থানাত দাখিল কৰা এখন এজাহাৰৰ ভিত্তিত মহিলাগৰাকীক গ্ৰেপ্তাৰ কৰা হয়। গ্ৰেপ্তাৰৰ লগতে মহিলাগৰাকীৰ বাসগৃহত চলোৱা তালাচী অভিযানত ১২ খন জাল নিযুক্তিপত্ৰৰ উপৰি নগদ ১.৯৮ লাখ টকাও আৰক্ষীয়ে উদ্ধাৰ কৰে। বিগত ২০২০ত বিভাগটোত সম্পন্ন হোৱা এক নিযুক্তি প্ৰক্ৰিয়াৰ *আঠ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ২৬ আহিন ১৪২৯ ভাস্কৰাব্দ ১৩অক্টোবৰ ২০২২



# হাইব্ৰিড শিক্ষা

**এহাতে** দেশত নিৰক্ষৰতাৰ হাৰ হ্ৰাসৰ বাবে চৰকাৰে বিভিন্ন আঁচনি লৈছে আৰু আনহাতে হাইব্ৰিড শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। হাইব্ৰিড শিক্ষা ব্যৱস্থাৰ যাতে সম্প্ৰসাৰণ ঘটে, সেই ক্ষেত্ৰত সহায়-সমৰ্থন আগবঢ়াবলৈ দেশত ৫-জি সেৱা আৰম্ভ কৰা হৈছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ডেৰ লাখ কোটি টকাৰ স্পেকট্ৰাম বিক্ৰী কৰিছে টেলি সংযোগ সেৱা আগবঢ়োৱা বৃহৎ কোম্পানীবোৰক। উল্লেখ্য যে হাইব্ৰিড শিক্ষা ব্যৱস্থাই অফলাইন বা শ্ৰেণীকোঠাৰ শিক্ষাৰ সমান্তৰালভাৱে অনলাইন শিক্ষা ব্যৱস্থা আগবঢ়োৱাত বিশেষ গুৰুত্ব দিয়ে। একাংশ ছাত্ৰ-ছাত্ৰীয়ে যদি শিক্ষানুষ্ঠানলৈ গৈ শিক্ষা গ্ৰহণ কৰিছে আন একাংশই শিক্ষানুষ্ঠানলৈ নোযোৱাকৈ ঘৰতে থাকি অনলাইনযোগে শিক্ষাগ্ৰহণ কৰিছে। শেহতীয়াকৈ ৫-জি সেৱা দেশত আৰম্ভ কৰাৰ ফলত অনলাইন শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰী অধিক আকৰ্ষিত হ'ব বুলি আশা কৰা হৈছে। একাংশ শিক্ষাবিদ তথা বিশেষজ্ঞই এইবুলি হতাশা ব্যক্ত কৰিছে যে চৰকাৰে প্ৰকৃততে শিক্ষকৰ সংখ্যা হ্ৰাস কৰিব বিচাৰিছে নতুন ব্যৱস্থাৰ মাধ্যমেৰে। এনে ধৰণৰ অভিযোগ অৱশ্যে বিতৰ্কিত; কিন্তু দেশৰ দৰিদ্ৰ তথা আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ আৰু গাঁৱৰ ছাত্ৰ-ছাত্ৰীসকল যে হাইব্ৰিড শিক্ষা ব্যৱস্থাৰে সহজে উপকৃত হোৱা কঠিন হ'ব, সেই বিষয়ত কোনো সন্দেহ নাই। দেশলৈ ৫-জি অহাৰ আগেয়ে অৰ্থাৎ ৪-জি সেৱা আটাইতকৈ জনপ্ৰিয় হৈ থকাৰ সময়তে ক'ভিড মহামাৰীৰ বাবে শিক্ষানুষ্ঠানসমূহ বন্ধ ৰাখিবলগীয়া হোৱাত অনলাইন পাঠদান ব্যৱস্থা গুৰুত্বপূৰ্ণ হৈ পৰিছিল; কিন্তু তেতিয়াও গ্ৰামাঞ্চল তথা দৰিদ্ৰ বা আৰ্থিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে অনলাইন শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগীয়া হৈছিল। এতিয়া চৰকাৰে হাইব্ৰিড শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিলেও এইসকল ছাত্ৰ-ছাত্ৰী সেই সুবিধাবোৰৰ পৰা বঞ্চিত হোৱাৰ সম্ভাৱনাই বেছি। আনহাতে, দেশত আজিও বৃহৎ সংখ্যক লোকে লিখিব-পঢ়িবলৈ শিকা নাই অৰ্থাৎ তেওঁলোক আজিও নিৰক্ষৰ। মহিলাসকলৰ মাজত নিৰক্ষৰতাৰ হাৰ অধিক বুলি প্ৰকাশ পাইছে। চৰকাৰে 'বেটী পঢ়াও বেটী বচাও' অভিযান চলাই আহিছে যদিও মহিলাৰ মাজত নিৰক্ষৰতাৰ হাৰ বেছি। শেহতীয়াকৈ প্ৰকাশিত সমীক্ষাৰ প্ৰতিবেদনত দেশত সাক্ষৰতাৰ হাৰ যথেষ্ট বৃদ্ধি পোৱা বুলি উল্লেখ কৰা হৈছে। সেই অনুসৰি দেশৰ সাক্ষৰতাৰ হাৰ ৭৭.৭০ শতাংশ বুলি নেছনেল ফেমিলী হেল্‌থ ছাৰ্ভেত প্ৰকাশ পাইছে; কিন্তু দেশত পুৰুষ সাক্ষৰৰ হাৰ ৮৪.৭০ শতাংশৰ বিপৰীতে মহিলাৰ সাক্ষৰতাৰ হাৰ ৭০.৩০ শতাংশ। এই ৰাষ্ট্ৰীয় চৰকাৰী সমীক্ষাই দেখুৱায় দেশত আজিও মহিলাৰ মাজত নিৰক্ষৰতাৰ হাৰ অধিক। দেশৰ প্ৰায় ৩০ শতাংশ মহিলাই আজিও সাক্ষৰতাৰ পোহৰ পোৱা নাই। আনহাতে, সাক্ষৰতাৰ পৰম্পৰাগত সংজ্ঞা অনুসৰিয়ে হয়তো সমীক্ষাসমূহ চলোৱা হৈছে। সেই অনুসৰি পঢ়িব বা লিখিব পৰাজনেই সাক্ষৰ। কোনোৱে হয়তো কোনোমতে বৰ্ণমালাকেইটা পঢ়িব পাৰে আৰু বহু চেষ্টা কৰি নিজৰ নামটো লিখিব পাৰে। পৰম্পৰাগত অৰ্থত তেওঁ সাক্ষৰ। সমীক্ষাই তেনে লোকসকলক সাক্ষৰ হিচাপে চিনাক্ত কৰিছে। সেয়ে হয়তো ভাৰতৰ সাক্ষৰতাৰ হাৰ বৃদ্ধি পাই ৭৭.৩০ শতাংশ হৈছেগৈ; কিন্তু কোনোমতে বৰ্ণমালাকেইটা পঢ়িব পাৰিলে নাইবা নিজৰ নামটো লিখিব পাৰিলেই তেওঁলোকক সাক্ষৰ বুলি কোৱা হয় যদিও এই ধৰণৰ সাক্ষৰতা দেশে বিচৰা নাই। এই ধৰণৰ সাক্ষৰতাৰ পৰা নাগৰিকসকলৰ বিশেষ কোনো উপকাৰ নহ'ব। তেওঁলোকে বাৰ্তা, বাতৰি, গ্ৰন্থ আদি পঢ়িব নোৱাৰিব, তেওঁলোকে কাগজত বা ম'বাইলত বাৰ্তা লিখিব নোৱাৰিব, নিজৰ আৰু সমাজৰ সমস্যাসমূহ বুজিবলৈ সক্ষম নহ'ব। যদিহে পঢ়িব নোৱাৰে, তেন্তে তেওঁলোকে নিজৰ অধিকাৰবিলাক দাঙি ধৰিব আৰু চিনাক্ত কৰিবও নোৱাৰিব। নিজৰ, সমাজৰ অধিকাৰসমূহ সঠিকভাৱে চিনিবলৈ বা জানিবলৈ হ'লে সেয়ে ভালদৰে পঢ়িব পাৰিব লাগিব। অন্যথা তেওঁলোক একাংশ লোকৰ ভুৱা প্ৰতিশ্ৰুতি, প্ৰলোভনৰ চিকাৰ হ'ব।

গণতন্ত্ৰক শক্তিশালী কৰিবলৈ হ'লে আৰু গণতন্ত্ৰ তথা গণতান্ত্ৰিক আদৰ্শ বুজিবলৈ হ'লেও সাক্ষৰতা অত্যাৱশ্যকীয়; কিন্তু ইয়াৰ বাবে দেশৰ নাগৰিকসকলে কেৱল বৰ্ণমালাকেইটা চিনি পালেই নহ'ব, বাতৰি কাকত, কিতাপ, বাৰ্তা আদি ভালদৰে পঢ়িব পাৰিব লাগিব। সেয়ে কেৱল বৰ্ণমালাকেইটা পঢ়িব-লিখিব পৰা বাবেই সকলোকে সাক্ষৰতাৰ শাৰীত ৰখা পুৰণি পদ্ধতি আজিৰ যুগত গ্ৰহণযোগ্য হ'ব নোৱাৰে। এইদৰে সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰিব পৰা যাব, কিন্তু সাক্ষৰতাৰ প্ৰকৃত উদ্দেশ্য পূৰণ কৰিব পৰা নাযাব। এনেধৰণৰ তথাকথিত সাক্ষৰসকলে দেশৰ উন্নয়নত ভূমিকা গ্ৰহণ কৰিবও নোৱাৰে। নাগৰিক হিচাপে সজাগ হ'বও নোৱাৰিব। বিভিন্ন ক্ষেত্ৰত আনৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হ'ব। বিশেষকৈ মহিলাসকলে নিজৰ অধিকাৰ, প্ৰাপ্য আদি আদায়ৰ ক্ষেত্ৰত প্ৰকৃত সাক্ষৰতাৰ প্ৰয়োজন। বৰ্তমান যিহেতু তথ্য প্ৰযুক্তিৰ যুগ বুলি কোৱা হয়, সেয়ে ডিজিটেল সাক্ষৰতাৰো প্ৰয়োজন হৈছে। ইণ্টাৰনেটৰ ব্যৱহাৰ, কম্পিউটাৰ, লেপটপ আদিৰ ব্যৱহাৰ কৰিবলৈ শিকাৰ যোগেদি ডিজিটেল সাক্ষৰতা লাভ কৰিব পাৰি। এনে সাক্ষৰতা পৰম্পৰাগত লিখিব-পঢ়িব জনা সাক্ষৰতাৰ দৰেই সমানে গুৰুত্বপূৰ্ণ। কিছুমান ক্ষেত্ৰত ডিজিটেল সাক্ষৰতাৰ গুৰুত্ব আজি পৰম্পৰাগত লিখিব-পঢ়িব জনা সাক্ষৰতাতকৈ বেছি গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হৈছে। বৰ্তমান হাইব্ৰিড শিক্ষাৰ যুগত ডিজিটেল সাক্ষৰতা সেয়ে অধিক প্ৰাসংগিক আৰু অধিক জৰুৰী বিবেচিত হৈছে বুলি ক'ব পাৰি; কিন্তু ভাৰতৰ দৰে উন্নয়নশীল দেশে সমাজৰ পিছপৰা তথা আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ নাগৰিকসকলক লগত লৈহে উন্নয়ন সম্ভৱ। অৰ্ধেক ভাৰতীয়ক পাছত এৰি থৈ নতুন সভ্যতা গঢ়িব পৰা নাযাব। হাইব্ৰিড শিক্ষায়ো এই কথা মনত ৰখা উচিত হ'ব।

## খোলা মঞ্চ

### এবাৰ মন্ত্ৰীৰ গাদীত বহিলে...



**ভাৰতবৰ্ষই** বহু কষ্টৰ ফলত যেতিয়া ইংৰাজৰ হাতৰ পৰাধীনতাৰ শিকলি ছিঙি স্বাধীনতা লাভ কৰিছিল, তেতিয়া ভাৰতবৰ্ষত বৰ্তমানৰ দৰে ইমান ৰাজনৈতিক দল-সংগঠন নাছিল। কংগ্ৰেছ আৰু কমিউনিষ্ট দলৰ কথা জানিছিলো। সেই সময়ৰ ৰাজনৈতিক নেতাসকলে সঘনাই দল বাগৰি ফুৰা নাছিল। তেওঁলোকে নিজৰ কথা নাভাবি মাথোঁ দেশৰ কথাহে ভাবি দেশৰ মংগলৰ হকে কাম কৰি গৈছিল। সেই সময়ৰ নেতাসকলৰ বয়সৰো এটা সীমা আছিল। চেঙেলীয়া বয়সৰ কোনো লোক ৰাজনৈতিক নেতা হোৱা নাছিল। বয়সৰ জ্যেষ্ঠতা থকাৰ লগতে দেশৰ প্ৰতি থকা নিঃস্বাৰ্থ শ্ৰদ্ধা-ভক্তিৰ কাৰণে তেওঁলোকে দেশৰক্ষাৰ কাৰণে কাম কৰিবলৈ গৈছিল। সেই মহান নেতাসকলৰ কথা মনত পৰিলে মন শ্ৰদ্ধাৰে ভৰি পৰে। সেই নেতাসকলৰ মাজৰ প্ৰয়াত মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ, বিমলা প্ৰসাদ চলিহাৰ কথা সদায়ে অসমৰ মানুহে শ্ৰদ্ধাৰে স্মৰণ কৰি আহিছে। তেওঁলোক আত্মত্যাগৰ কথা, তেওঁলোকৰ কাৰ্যকালত চৈধ্য পুৰুষ নহয়, নিজৰ পৰিয়ালৰো নিম্নতম মৌলিক প্ৰয়োজনখিনিয়ো পূৰণ কৰিবলৈ অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। তেওঁলোকৰ উদ্দেশ্য এটাই আছিল, জনগণৰ কল্যাণ সাধন কৰা আৰু দেশৰ হকে কাম কৰি যোৱা। তাৰ বাহিৰে অন্য কথা চিন্তা কৰা নাছিল।

**জ্যোৎস্না কলিতা,** *লেখিকা*

ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ। গণতান্ত্ৰিক দেশ এখনত ৰাইজেই ৰজা। গতিকে গণতান্ত্ৰিক দেশ এখনৰ চৰকাৰে জনগণৰ কল্যাণৰ কাৰণে কাম কৰা উচিত; কিন্তু বৰ্তমান দেখা যায় যে নিৰ্বাচনৰ সময়ত ৰাইজক প্ৰলোভনেৰে জনসাধাৰণক আত্মনিৰ্ভৰশীল কৰি তোলাৰ প্ৰতিশ্ৰুতি দিয়ে। যেতিয়া গাদী দখল কৰি ল'ব পাৰে, তেওঁলোকে পাহৰি যায় জনগণক দিয়া প্ৰতিশ্ৰুতিবোৰ, মাথোঁ পাহৰি নাযায় ব্যক্তিগত স্বাৰ্থবোৰ।

দেশৰ ৰক্ষকেই যেতিয়া দুৰ্নীতি কৰিব, তেনেকুৱা দেশৰ প্ৰজাই দুৰ্নীতি নকৰাকৈ থাকিব কেনেকৈ? ফলত দেশত নানা ধৰণৰ অন্যায়-অমংগলে দেখা দিয়ে, দেশ ধ্বংসৰ মুখলৈ আগবাঢ়ি যায়। সেয়েহে আমি আমাৰ সমাজখনৰ লগতে দেশখন দুৰ্নীতিমুক্ত কৰিবলৈ হ'লে আমাক প্ৰকৃত গণতান্ত্ৰিক সমাজ এখনৰ প্ৰয়োজন। ইয়াৰ কাৰণে ৰাইজৰ সহযোগিতা একান্ত প্ৰয়োজন। গণতান্ত্ৰিক দেশ এখনত ৰাইজেই যেতিয়া ৰজা, গতিকে ৰাইজ যদি কঠোৰ হ'ব পাৰে, তেনেহ'লে দেশত দুৰ্নীতি নহ'ব।

**অৰ্গেনিক খেতি আৰম্ভ আৰু জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত ইউ কেত চাৰ্লছ্ বাটকটীয়া**

# শিশু ৰজা, ল'ৰা ৰজা, বুঢ়া ৰজা ইত্যাদি আৰু ইংলেণ্ডৰ নতুন ৰজা চাৰ্লছ্‌ৰ বিগত কালৰ ভূমিকা



খ্ৰীষ্টীয় ১৬৭৯ৰ পৰা ১৬৮১লৈ আহোম ৰাজ্যৰ ৰজা আছিল চাওফা চ্যু-লিক-ফা বা ৰত্নধ্বজ সিংহ। ৰাজসিংহাসনত আৰোহণ কৰাৰ সময়ত তেওঁৰ বয়স আছিল মাথোন চৈধ্য বছৰ। সেই কাৰণে তেওঁ 'ল'ৰা ৰজা' নামেৰেও জনাজাত। ইয়াৰ বিপৰীতে বিশ্ব ইতিহাসত, বিশেষকৈ ইউৰোপীয় ইতিহাসত, তেওঁতকৈও কম বয়সত বা শৈশৱ কালতেই ৰাজসিংহাসনত অৰোহণ কৰা অনেক ৰজা-ৰাণীৰ কাহিনী পঢ়িবলৈ পোৱা যায়। তেনে তিনিটা উল্লেখযোগ্য উদাহৰণ হৈছে— স্কটলেণ্ডৰ ৰাণী মেৰী ষ্টুৱাৰ্ট বা প্ৰথম মেৰী, মেৰীৰ পৰৱৰ্তী ৰজা ষষ্ঠ জেমচ্ আৰু স্পেইনৰ ৰজা ত্ৰয়োদশ আলফোনছো।

আশ্চৰ্যজনক আৰু বিস্ময়কৰ যে, মেৰী ষ্টুৱাৰ্ট বা প্ৰথম মেৰী নামৰ ৰাণীগৰাকী জন্মৰ ছয় দিনতেই স্কটলেণ্ডৰ ৰাণীৰ আসনত অধিষ্ঠিত হৈছিল। সেয়া ১৫৪২ৰ কথা। তেওঁৰ জন্মৰ ষষ্ঠ দিনৰ দিনা তেওঁৰ পিতৃ কিং পঞ্চম জেমচ্‌ৰ মৃত্যু হোৱাত সিদিনাই জেমচ্‌ৰ একমাত্ৰ জীৱিত সন্তান মেৰীক স্কটলেণ্ডৰ ৰাণী বুলি ঘোষণা কৰা হৈছিল। অৱশ্যে তেওঁৰ হৈ ৰিজেণ্ট হিচাপে প্ৰথমতে তেওঁৰ সেই সময়ৰ উত্তৰাধিকাৰী আৰ্ল অব আৰান জেমচ্ হেমিলটনে আৰু পাছত তেওঁৰ মাতৃ মেৰী অব গাইচ্-এ দেশখন চলাইছিল। নাবালক বা নাবালিকা উত্তৰাধিকাৰী ৰজা বা ৰাণী হ'লে ৰাজকাৰ্য চলাবলৈ একোগৰাকী দায়িত্ববান লোকক দায়িত্ব দিয়া হৈছিল; আৰু তেনেদৰে দায়িত্ব দিয়া লোকজনক ৰিজেণ্ট বোলা হয়। যি হওক ১৬ বছৰ বয়সত ১৫৫৮ত ফ্ৰান্সৰ ৰজা দ্বিতীয় ফ্ৰেন্সিচৰ লগত মেৰীৰ বিবাহ সম্পন্ন হয়; কিন্তু দুবছৰৰ পিছতে ১৫৬০ত মেৰীৰ স্বামীৰ মৃত্যু হয়। একেই বছৰতে মেৰীৰ হৈ ৰাজ্য চলোৱা তেওঁৰ মাতৃ তথা 'ৰিজেণ্ট' মেৰীৰো মৃত্যু হয়। গতিকে ১৫৬১ত ১৯ বছৰ বয়সত তেওঁ স্কটলেণ্ডলৈ ঘূৰি গৈ ৰাণী হিচাপে ৰাজকাৰ্য চম্ভালি লয়। তেওঁৰ জীৱনকাল কিন্তু কলংকময় হৈ পৰে। ১৫৬৫ত তেওঁ তেওঁৰেই সম্পৰ্কীয় কাজিন হেনৰী ষ্টুৱাৰ্ট বা লৰ্ড ডাৰ্ণলীৰ লগত বিবাহপাশত আবদ্ধ হয়; কিন্তু অচিৰেই ৰাণীগৰাকী তেওঁৰেই সচিব ডেভিড ৰিজ্জিও নামৰ ইটালিয়ান লোক এজনৰ প্ৰেমত পৰে। সেই কথা জানি আৰু সহ্য কৰিব নোৱাৰি স্বামী ডাৰ্ণলীয়ে তেওঁৰ অন্তঃসত্ত্বা পত্নী ৰাণী মেৰীৰ সন্মুখতে ৰিজ্জিওক হত্যা কৰোৱায়। বোধহয় ৰিজ্জিওৰ হত্যাৰ পোতক তুলিবলৈকে কিছুদিন পিছত ডাৰ্ণলীকো কোনোবাই হত্যা কৰে। জেমচ্ হেপবাৰ্ণ নামৰ লোক এজনক ৰাণীৰ স্বামীৰ মূল হত্যাকাৰী বুলি সন্দেহ কৰা হৈছিল। আশ্চৰ্যজনক কথা যে ডাৰ্ণলীৰ মৃত্যুৰ তিনি মাহ পিছতেই সেই হেপবাৰ্ণকেই ৰাণীয়ে স্বামী বৰণ কৰে। এই ঘটনা এক কেলেংকাৰি হিচাপে সমগ্ৰ ইউৰোপতে বিয়পি পৰে; আৰু স্কটিছ লৰ্ড বা ডা-ডাঙৰীয়াসকলে ৰাণীক ৰাণীপদ ত্যাগ বা এবডিকেট কৰিবলৈ বাধ্য কৰায়। ১৫৬৬ত ৰাজ্যভাৰ ত্যাগ কৰি মেৰীয়ে ১৫৬৮ত ইংলণ্ডলৈ পলাই যায় আৰু তেওঁৰ মৃত্যু নোহোৱালৈকে ১৯ বছৰ ধৰি কুইন প্ৰথম এলিজাবেথৰ আশ্ৰয় আৰু বন্দিত্বত অনাহুত অতিথি হিচাপে দুখৰ জীৱন যাপন কৰে; কিন্তু মেৰীয়ে তেওঁৰ আশ্ৰয়দাত্ৰী এলিজাবেথক শান্তিৰে থাকিব দিয়া নাছিল। উল্লেখ্য যে মেৰী আছিল এগৰাকী কেথলিক খ্ৰীষ্টিয়ান আৰু এলিজাবেথ আছিল প্ৰটেষ্টান। নিজকে এগৰাকী গোড়া কেথলিক হিচাপে পুনৰ আবিষ্কাৰ কৰি তেওঁ প্ৰটেষ্টান এলিজাবেথৰ বিপক্ষে ষড়যন্ত্ৰত নামি ইংলণ্ডৰ ৰাজসিংহাসনৰ দাবীদাৰ হৈ পৰিছিল। কেথলিক ধৰ্মীয় মুৰব্বী দুগৰাকী পোপেও মেৰীলৈ সমৰ্থন আগবঢ়াই এলিজাবেথৰ পতনৰ চেষ্টা কৰিছিল। ষড়যন্ত্ৰত নামি মেৰীয়ে এলিজাবেথক বাৰম্বাৰ জুলুম দিছিল যদিও তেওঁ নিজ লক্ষ্যত উপনীত হ'ব পৰা নাছিল; আৰু অৱশেষত এলিজাবেথৰ হাততেই দণ্ডিত হৈ ১৫৮৭ত মেৰীয়ে মৃত্যু বৰণ কৰিছিল।

মেৰীয়ে ৰাজসিংহাসন ত্যাগ কৰাৰ লগে লগে ১৫৬৬ত তেওঁৰ ১৩ মহীয়া সন্তান জেমচ্ক ষষ্ঠ জেমচ্ হিচাপে স্কটলেণ্ডৰ ৰজা পতা হৈছিল। অৱশ্যে তেওঁৰ নাবালক কালত চাৰিগৰাকী ৰিজেণ্টে ৰাজকাৰ্য চলায়। জন্মৰ ষষ্ঠ দিনা ৰাজপাটত বহা ৰাণী মেৰীৰ পুত্ৰ জেমচ্ ১৩ মাহত স্কটলেণ্ডৰ ৰাজপাটত বহা কথাটোও সমানেই আশ্চৰ্যজনক আৰু বিস্ময়কৰ। ১৫৬৬ত ১৩ মাহত ৰজা হোৱা জেমচ্ ষষ্ঠ জেমচ্ নামেৰে ৩৭ বছৰ কাল স্কটলেণ্ডত ৰাজত্ব কৰিছিল। তাৰ মাজতে ১৬০৩ত ইংলেণ্ডৰ ৰাণী প্ৰথম এলিজাবেথৰ মৃত্যুৰ লগে লগে সন্তানহীন এলিজাবেথৰ উত্তৰাধিকাৰী হিচাপে জেমচ্ ইংলেণ্ডৰো ৰজা হৈছিল। প্ৰথম জেমচ্ নামেৰে ইংলণ্ডৰো ৰজা হৈ ২২ বছৰ ৰাজত্ব কৰি ১৬২৫ত তেওঁ মৃত্যুবৰণ কৰে।

**সোঁতৰ বিপৰীতে চিন্তা**

**ইংলেণ্ডৰ পৰা প্ৰবীণ চৌধুৰী**



আশ্চৰ্যৰ কথা যে, জন্মৰ ষষ্ঠ দিনাই মেৰীক স্কটলেণ্ডৰ ৰাণী হিচাপে ঘোষণা কৰাৰ বিপৰীতে জন্মৰ এদিন পিছতেই ৰজা হিচাপে ঘোষণা কৰা হৈছিল স্পেইনৰ ৰজা ত্ৰয়োদশ আলফোনছোক খ্ৰীষ্টীয় ১৮৮৬ত। অৱশ্যে ১৬ বছৰ বয়স নোহোৱালৈকে তেওঁ নিজে দেশ শাসন কৰা নাছিল।

এইবোৰ সাধুকথা যেন লাগিলেও অতি পুৰণি দিনৰ কথা নহয়, কাৰণ মেৰীৰ জীৱন কাল আছিল ষষ্ঠদহ শতিকাৰ দ্বিতীয়াৰ্ধত আৰু তেওঁৰ জীৱন কাল আৰু ষষ্ঠ জেমচ্‌ৰ ৰাজত্ব কালতেই শ্বেক্সপীয়েৰ (১৫৬৪ - ১৬১৬), বেন জনছন (১৫৭২ - ১৬৩৭), ফ্ৰান্সিচ বেকন (১৫৬১ - ১৬২৬) আদি মহান সাহিত্যিকসকলে কালজয়ী সাহিত্যৰ সৃষ্টি কৰিছিল। আনহাতে, স্পেইনৰ ৰজা ত্ৰয়োদশ আলফোনছোৰ কথাটো সৌ সিদিনাৰ কথা বুলিবই পৰা যায়। জন্মৰ এদিন পাছতেই তেওঁ ৰজা হৈছিল ১৮৮৬ত; ১৮৫৭ত আমাৰ দেশত হোৱা 'চিপাহী বিদ্ৰোহ'ৰো ২৯ বছৰৰ পাছত।

যোৱা আঠ ছেপ্টেম্বৰ বৃহস্পতিবাৰে প্ৰিন্স অব ৱেলচ্ চাৰ্লছ্-এ তৃতীয় চাৰ্লচ নামেৰে ইউনাইটেড কিংডম আৰু ১৪ খন কমনৱেল্‌থ ৰিয়েল্মৰ ৰজা হিচাপে ব্ৰিটিছ ৰাজসিংহাসনত আৰোহন কৰে। তেওঁৰ মাতৃ মহাৰাণী দ্বিতীয় এলিজাবেথৰ মৃত্যুৰ লগে লগে প্ৰচলিত নিয়ম অনুযায়ী ৰাণীৰ ঠাইত চাৰ্লছ্ নতুন মনাৰ্ক হিচাপে ৰাজপাটত বহিছে। অৱশ্যে আনুষ্ঠানিকভাৱে তেওঁৰ ৰাজ অভিষেক হ'বলৈ এতিয়াও বাকী। ৰাজবংশধৰ হিচাপে দীৰ্ঘতম সময়ৰ বাবে সেৱা আগবঢ়োৱা আৰু ৰাজসিংহাসনৰ বাবে দীৰ্ঘদিন ধৰি অপেক্ষাৰত সৰ্বোজ্যেষ্ঠ ৰাজকুমাৰ যুৱৰাজ চাৰ্লছ্ ৭৩ বছৰ বয়সত ৰাজপাটত বহিছে। ব্ৰিটিছ ইতিহাসত, বোধহয় ইউৰোপীয় ইতিহাসতো, ইয়াৰ আগতে কোনো যুৱৰাজে ৰাজপটত বহিবলৈ ইমান বয়সলৈ অপেক্ষা কৰিব লগা হোৱা নাছিল। তেওঁৰ মাতৃ এলিজাবেথ ৰাজপাটত উঠিছিল ২৬ বছৰ বয়সতেই; আৰু এলিজাবেথৰ পিতৃ ষষ্ঠ জৰ্জ ৰজা হৈছিল ৪১ বছৰ বয়সত। আনহাতে, কুইন ভিক্টোৰিয়া ৰাণী হৈছিল ১৮ বছৰত আৰু ষষ্ঠ এডৱাৰ্ড ৰজা হৈছিল ন বছৰত। ১৭১৫ত ফ্ৰান্সৰ ৰজা পঞ্চদশ লুই পাঁচ বছৰতে ৰজা হৈছিল আৰু তেওঁৰ পূৰ্বৱৰ্তী ৰজা তেওঁৰে আজো ককাক চতুৰ্দশ লুই ৰজা হৈছিল চাৰি বছৰ বয়সত। ওপৰত উল্লেখ কৰা শিশু আৰু যুব ৰজাসকলৰ তুলনাত ইউনাইটেড কিংডমৰ নতুন ৰজাগৰাকী যথেষ্ট বয়সস্থ ৰজা। তেওঁৰ জন্ম হৈছিল ১৯৪৮ৰ ১৪ নৱেম্বৰত। ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৰ জন্ম তাৰিখতে তেওঁৰো জন্মদিন।

যি হওক, ৰজা হিচাপে ঘোষিত হোৱাৰ পাছতেই তেওঁ ৰাষ্ট্ৰৰ উদ্দেশ্যে প্ৰদান কৰা প্ৰথমটো ভাষণত এলিজাবেথৰ ৭০ বছৰীয়া ৰাজত্ব কালত বিভিন্ন সংস্কৃতি অৰু ধৰ্মীয় বিশ্বাসৰ আগমণৰ মাজেৰে দেশখনত গঢ়ি উঠা এখন নতুন সমাজৰ কথা উল্লেখ কৰে আৰু জাতি, ধৰ্ম আৰু সংস্কৃতি নিৰ্বিশেষে স্নেহ, শ্ৰদ্ধা আৰু আনুগত্যৰে তেওঁ জনগণৰ সেৱা কৰি যাব বুলি অংগীকাৰ কৰে। ইতিমধ্যে যে যুগৰ পৰিৱৰ্তন হৈ নতুন যুগৰ সূচনা হৈছে সেই কথা পৰোক্ষভাৱে স্বীকাৰ কৰি বৰ্ণাঢ্য 'এথনিক' আৰু ধৰ্মীয় বিভিন্নতা সমৃদ্ধ নতুন সমাজলৈ ৰজা হিচাপে তেওঁ কেনেধৰণৰ সেৱা আগবঢ়াব, ভাষণৰ মাজেৰে তাৰো তেওঁ আভাস দিছিল। ভাষণত তেওঁ এনেদৰেও উল্লেখ কৰে যে, তেওঁৰ ওপৰত অৰ্পণ কৰা নতুন দায়িত্বৰ বাবে তেওঁৰ জীৱনৰ গতি সলনি হ'ব আৰু 'চেৰিটেবল' বিষয়কে ধৰি তেওঁ এতিয়ালৈকে গুৰুত্ব প্ৰদান কৰি অহা বিভিন্ন বিষয়ৰ ওপৰত আগৰ দৰে তেওঁ সময় আৰু শক্তি বিনিয়োগ কৰিব নোৱাৰিব। লগতে তেওঁ এনেদৰেও আশ্বাস প্ৰদান কৰে যে বিশ্বাসী লোকৰ হাতত এই গুৰুত্বপূৰ্ণ কামবোৰ সুকলমে চলি থাকিব। উল্লেখ্য যে জলবায়ু পৰিৱৰ্তন আৰু জনগণৰ কল্যাণ প্ৰমুখ্যে বিভিন্ন বিষয়ত চাৰ্লছ্-এ প্ৰিন্স অব ৱেলচ্ হিচাপে সমাজলৈ উল্লেখনীয় অবদান আগবঢ়াই আহিছিল, যিবোৰৰ বাবে প্ৰশংসাৰ লগতে তেওঁ ৰাজহুৱা সমালোচনা আৰু বিতৰ্কৰো সন্মুখীন হ'বলগীয়া হৈছিল। ৰাজপাটত উঠিয়েই তেওঁ ইমান দিনে প্ৰিন্স অব ৱেলচ্ হিচাপে লৈ থকা বাব তেওঁৰ জ্যেষ্ঠ পুত্ৰ আৰু ৰাজসিংহাসনৰ অধিকাৰী প্ৰিন্স উইলিয়ামৰ হাতত অৰ্পণ কৰে। গতিকে প্ৰিন্স উইলিয়াম আৰু তেওঁৰ পত্নী প্ৰিন্সেছ কেথেৰিন বা কেট মিডিলটনৰ তদাৰকীত প্ৰিন্স অব ৱেলচ্ হিচাপে চাৰ্লছ্-এ হাতত লোৱা কামবোৰৰ ধাৰাবাহিকতা ৰক্ষা হ'ব বুলি আশা কৰা গৈছে।

প্ৰিন্স হিচাপে চাৰ্লছ্ আছিল অতি সক্ৰিয়। তেওঁ অনেক 'জনকল্যাণ মুখি' অনুষ্ঠানৰ লগত জড়িত হৈ আছিল । ১৯৭৬ত ২৮ বছৰীয়া চাৰ্লছ্-এ 'ডা প্ৰিন্স'চ ট্ৰাষ্ট' নামৰ অনুষ্ঠান এটা খুলি ১১ৰ পৰা ৩০ বছৰৰ মাজৰ পঢ়া-শুনা এৰা, কৰ্মসংস্থাপন নোপোৱা, গৃহ-হীন, মানসিকভাৱে স্বাস্থ্যহীন আদি জীৱনৰ পথৰ পৰা পথভ্ৰষ্ট হোৱা শিশু, কিশোৰ আৰু যুৱচামৰ বাবে পুনৰ সংস্থাপনৰ বাট মুকলি কৰি তেওঁলোকক স্বাভাৱিক জীৱন যাপন কৰিবলৈ সহায় কৰাৰ প্ৰচেষ্টা হাতত লৈছিল। একে ধৰণৰ উদ্দেশ্যৰে ২০১৫ত তেওঁ কমনৱেল্‌থৰ দেশসমূহ, কমনৱেল্‌থৰ বাহিৰৰ এছিয়া, আফ্ৰিকা, ইউৰোপ, মধ্য এছিয়া, কেৰিবিয়ান আদি দেশৰ বিভিন্ন অঞ্চলত কাম কৰাৰ বাবে 'প্ৰিন্সেচ ট্ৰাষ্ট ইণ্টাৰনেচনেল' নামৰ এক অনুষ্ঠান আৰম্ভ কৰিছিল। উক্ত অঞ্চলসমূহৰ ১৭ খন দেশত এই সংস্থাটোৱে কাম কৰি আছে। তদুপৰি অষ্ট্ৰেলিয়া, কানাডা, নিউজিলেণ্ড, ৰোমানিয়া আদি দেশৰ কাৰণেও পৃথকে জনকল্যাণ সংস্থা গঢ়ি তোলা হৈছে। শিক্ষা আৰু পাৰিপাৰ্শ্বিকতা সৃষ্টিৰ ওপৰত কাম কৰাৰ বাবেও কে'বাটাও চেৰিটেবল সংস্থা গঢ়ি তোলা হৈছিল ১৯৭৯ত প্ৰিন্স অফ ৱেলচ্ চাৰ্লছ্-এ খোলা আন এটা সংস্থা হৈছে 'প্ৰিন্স অব ৱেলচ্ চেৰিটেবল ফাণ্ড'। সংস্থাটোৱে ঐতিহ্য আৰু সংৰক্ষণ, শিক্ষা, স্বাস্থ্য আৰু কল্যাণ, সামাজিক অন্তৰ্ভুক্তিকৰণ, পাৰিপাৰ্শ্বিকতা আৰু গ্ৰামাঞ্চলৰ কল্যাণ প্ৰমুখ্যে বিভিন্ন চেৰিটেবল কামৰ কাৰণে বছৰি প্ৰায় তিনি মিলিয়ন পাউণ্ডৰ অনুদান আগবঢ়াই আহিছে। এই ফাউণ্ডেচনৰ অধীনত চাৰ্লছ্-এ ১৯৯০ত 'ডাচী অৰিজিনেলচ্ লিমিটেড' নামেৰে এটা ছাবছিদিয়াৰী কোম্পানী খুলিছিল। অৰগেনিক ফাৰ্মিংত মনোনিবেশ কৰা কোম্পানীটোৱে ৱেটৰোজ নামৰ এক বৃহৎ ডিপাৰ্টমেণ্টেল ষ্টোৰ চেইন-ৰ যোগেদি তেওঁলোকে উৎপাদন কৰা সামগ্ৰীসমূহ বিক্ৰী কৰে। কোম্পানীটোৱে কৰা লাভ উপৰোক্ত চেৰিটেবল ফাণ্ডলৈ যায়। উল্লেখ্য যে অৰগেনিক খেতি আৰম্ভ আৰু জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত ইউ কেত চাৰ্লছ্ বাটকটীয়া স্বৰূপ। জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰতো চাৰ্লছ্-ৰ অবদান আৰু সৰব কণ্ঠ বিশ্বজুৰি প্ৰশংসিত আৰু সমাদৃত।

কৰ্মৰ মাজেৰে তেওঁ ব্ৰিটিছ সমাজৰ প্ৰতি আগবঢ়োৱা অবদান আৰু বিশ্বব্যাপী তেওঁ হাতত লোৱা চেৰিটেবল কামসমূহৰ খতিয়ান এই প্ৰবন্ধটোত দাঙি ধৰাটো সম্ভৱ নহ'ল; কিন্তু এটা কথা দাঠি ক'ব পৰা যায় যে, চেৰিটেবল অনুষ্ঠানৰ যোগেদি প্ৰিন্স অব ৱেলচ্ হিচাপে চাৰ্লছ্-এ কৰি অহা জনহিতকৰ আৰু প্ৰগতিমূলক কামসমূহে ব্ৰিটিছ সমাজৰ লগতে বিশ্ব প্ৰেক্ষাপটতো প্ৰচুৰ অবদান যোগাইছে। সেই হিচাপে ৰজা হিচাপেও তেওঁৰ ভূমিকা আদৰণীয়েই হ'ব বুলি আশা কৰা হৈছে। সিংহাসনত বহিয়েই প্ৰথম কেইদিমানতেই তেওঁ দেখুওৱা আচৰণে সেই সম্ভাৱনা উজ্জ্বল কৰি তুলিছে।



# চৰাই মৰে বৈ মানুহ মৰে কৈ

## কথা এষাৰ কোৱাৰ আগতে তাৰ শেষ পৰিণতি কি হ'ব পাৰে, ভাবি-চিন্তি চোৱা উচিত

**ওপৰোক্ত** প্ৰবচনটিৰ জৰিয়তে অৱগত কৰিবলৈ বিচৰা হৈছে যে নভবা-নিচিন্তাকৈ কথা কলে বিপদ অৱশ্যম্ভাৱী। এই কথা সকলোৰে জ্ঞাত যে স্বাভাৱিকতে উৰি থকা চৰাই এটা চিকাৰ কৰা ইমান সহজ-সাধ্য নহয়; কিন্তু জিৰণি লৈ থকা চৰাই এটা অতি সহজতে চিকাৰৰ বলি হয়। ঠিক সেইদৰে সকলো কথা-কামৰে সীমা চেৰাই গ'লেই হিতে বিপৰীত হয়। কেতবোৰ অশোভনীয় অতিৰঞ্জিত কথা-বাৰ্তাই সময় সাপেক্ষে আমাক শ'লঠেকত পেলাই লজ্জিত কৰে। যিকোনো সময় বা পৰিৱেশত হিচাবৰ বাহিৰত কথা ক'লে সহজতে বিপদত পৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। বিশেষকৈ বিভিন্ন ক্ষেত্ৰত ৰাজহুৱা কাম-কাজত জড়িত হৈ থকা ব্যক্তিসকলে প্ৰায়েই এনেধৰণৰ অবাঞ্চিত পৰিৱেশৰ সন্মুখীন হ'বলগীয়া হয়। স্বভাৱগতভাৱে বহুবক্কী লোকসকলে বিপৰীত পক্ষক কথা কোৱাৰ সুবিধা নিদি নিজৰ গুণানুকীৰ্তন কৰাৰ লগতে আনৰ বদনাম ৰটিবলৈ অলপো কুণ্ঠাবোধ নকৰে। স্থান-কাল-পাত্ৰ অনুসৰি ক'ত কেতিয়া কেনে ধৰণৰ কথা ক'ব লাগে, এই বিষয়ে মানুহৰ মাজত অন্ততঃ সম্যক জ্ঞানখিনি থকা উচিত। উদাহৰণ স্বৰূপে এখন বিবাহ স্থলী নতুবা মৃতকৰ পৰিয়ালৰ ঘৰত হোৱা কথোপকথন একেধৰণৰ কেতিয়াও হ'ব নোৱাৰে। ঠিক সেইদৰে শিক্ষানুষ্ঠান, অফিচ, কাছাৰী আদিত শৃংখলা বৰ্তাই ৰখাটো অতীব প্ৰয়োজন। চিকিৎসালয়সমূহত চিঞৰ-বাখৰ কৰি কথা নক'বলৈ ফলকত লিখা থাকে যদিও কেইজন লোকে শৃংখলা বৰ্তাই ৰাখে সেয়াও বিচাৰ্যৰ বিষয়। একমাত্ৰ মুখৰ কথাৰ বাবেই কিমান লোকে যে অনৰ্থক অপমানিত হ'বলগীয়া হয়, সেই কথাত এচামে কাণসাৰেই নিদিয়ে। কথা এষাৰ কোৱাৰ আগতে তাৰ শেষ পৰিণতি কি হ'ব পাৰে, ভাবি-চিন্তি চোৱা উচিত। আগ-গুৰি নোহোৱাকৈ কথা কোৱা বা কাম কৰা লোকসকলৰ খোজেপতি বিপদৰ সম্ভাৱনাই অধিক। চৰায়ে গছৰ ডালত বৈ বিপদত পৰাৰ দৰে মানুহে যিকোনো লোকৰ আগত গোপন কথা ব্যক্ত কৰিও শ'লঠেকত পৰে। সাজ-পোছাক পৰিষ্কাৰ-পৰিপাটিকৈ পৰিধান কৰাৰ দৰে সুন্দৰকৈ কথা ক'ব পৰাটোও উৎকৃষ্ট কলা। কথা কোৱাৰ ধৰণ-কৰণে লোকচক্ষুৰ সন্মুখত বক্তাজনৰ ব্যক্তিত্বৰ আভাস দাঙি ধৰে। আনৰ মৰম-ভক্তি আদায় কৰিবলৈ হ'লে আচৰণৰ লগতে মাত-কথাও শুৱলা হোৱাটো অতীব প্ৰয়োজন। মিঠা মাতযাৰে ব্যক্তিত্বত সোণত সুৱগা চৰায়। কৰ্কশ সুৰত মানুহে ভাল কথা ক'লেও শুনোতাৰ কাণত বেজীয়ে বিন্ধাৰ দৰেহে বিন্ধে। মুখৰ মিঠা মাতযাৰে যিদৰে প্ৰিয়পাত্ৰ কৰি তোলে, সেই একেদৰে কৰ্কশ মাতৰ বাবে আনৰ বিৰাগভাজন অথবা ঘৃণাৰ পাত্ৰও কৰি তুলিব পাৰে। দৰাচলতে অপ্ৰিয় কথা কোৱা লোকৰ শত্ৰুৰ সংখ্যাও বেছি। ৰাজনৈতিক নেতা নতুবা সমাজৰ গণ্য-মান্য লোকৰ লগতে বহু জনপ্ৰিয় ব্যক্তিয়েও অসাৱধানবশতঃ কেতিয়াবা ৰাজহুৱা স্থানত নক'বলগীয়া অতিৰঞ্জিত কথা কৈ অপদস্থ হ'বলগীয়া ঘটনা বৰ্তমান সময়ত অতি সহজলভ্য। এই কথা সত্য যে মনত নম্ৰতা ভাব থাকিলে মুখত আপোনা-আপুনি মিঠা মাত ওলায়। নম্ৰ লোকসকল সকলোৰে বাবে আদৰ-সন্মানৰ পাত্ৰ। অৱশ্যে এনে সৎ গুণবোৰ আহৰণ কৰিবলৈ পৰিয়ালৰ লোকসকলৰ মাজত থকা সজ সংস্কাৰো মুখ্য কাৰক। খণ্ডৰ মুহূৰ্তত অধিক উত্তেজিত নহৈ সংযম ৰক্ষা কৰা খুবেই আৱশ্যক।

**অৱলোকন**

**চাইৰা ইছলাম বড়া**



এজন ব্যক্তিৰ গাত হেজাৰ গুণ থাকিলেও কেৱল কেটেৰা মাত-কথা অশ্ৰাব্য গালি-গালাজৰ বাবেই সকলো গুণ নিমিষতে তল পৰে। জীৱন সংগ্ৰামৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰতো এওঁলোকে নানান দুৰ্ভোগৰ সন্মুখীন হ'বলগীয়া হয়। এজন সুস্থ ব্যক্তিত্বসম্পন্ন লোকে যিকোনো নেতিবাচক পৰিস্থিতিতো সংযম ৰক্ষা কৰি প্ৰয়োজনীয় কথা-বাৰ্তাৰে পৰিস্থিতি চম্ভালি ল'ব পৰাটোহে তেওঁৰ কৃতিত্ব। সজ ব্যৱহাৰত মিঠা মাতৰ নাটনি হ'লে ভাৱমূৰ্তিহে ম্লান হয়, স্বভাৱগতভাৱে কৰ্কশ মাতৰ লোকে জানি-বুজি কাৰো অন্যায় নকৰিলেও কথাৰ বাবেই তেওঁ সকলোৰে চকুৰ কুটা হৈ পৰে।

নমনীয় আচৰণ আৰু মিঠা মাতে এজন ব্যক্তিৰ প্ৰতি সদ্ভাৱ প্ৰকাশ কৰাৰ উপৰি সন্মান প্ৰদৰ্শন কৰাটোও বুজায়। সমাজৰ সৰবৰহী ব্যক্তিসকল স্বভাৱগতভাৱেই শান্ত স্বভাৱ আৰু মিঠা মুখৰ হয়। সমাজ এখন শুৱনি কৰি ৰখা জাতিটোৰ স্তম্ভস্বৰূপ স্বনামধন্য পণ্ডিতসকলৰ জ্ঞানৰ পৰিসৰ ইমানেই বেছি যে তেওঁলোকে প্ৰতিটো কথাই জনহিতকৰ কল্যাণৰ হকে চিন্তা কৰিহে কয়। সেই মহান ব্যক্তিসকলৰ স'তে কৰা বাৰ্তালাপে জীৱনজুৰি আমাক বহু দিশত অভিজ্ঞ কৰি তোলে। বিভিন্ন ধৰণৰ মহান গ্ৰন্থত পঢ়া মহৎ লোকৰ বাণীৰ দৰেই এইসকল মহান ব্যক্তিৰ কথা-বতৰাত আমি বহু মূল্যবান তথ্যৰ উৎস বিচাৰি নতুন নতুন জ্ঞান আহৰণ কৰিব পাৰো। সেয়ে আমি দৈনন্দিন জীৱনত সান্নিধ্য লাভ কৰা বিশিষ্ট ব্যক্তিসকলৰ প্ৰভাৱে আমাৰ চিন্তা ধাৰণাত নিশ্চিতভাৱে ইতিবাচক প্ৰভাৱ বিস্তাৰ কৰে। ল'ৰালি কালৰ পৰাই শিশুসকলৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থতে উপযুক্ত শিক্ষাৰ উপৰি সজ কথা-বাৰ্তাৰ লগতে সজ আচৰণৰ আৱশ্যকীয় দিশসমূহৰ বিষয়ে যথাসম্ভৱ প্ৰাথমিক জ্ঞানখিনি দিয়াটো খুবেই আৱশ্যকীয়, যিহেতু এটি শিশুৰ বাবে ঘৰখনেই প্ৰথম শিক্ষা গ্ৰহণৰ কঠীয়াতলি। এইসমূহ মানৱীয় গুণ সুশৃংখল জীৱন যাপনৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ ,অমান্য কৰাসকলৰ পদে পদে বিপদ অনিবাৰ্য। উচ্ছৃংখল আচৰণ দম্ভালি মৰা কথা-বতৰা কোনেও ভাল নাপায়। ইয়াৰ পৰা কওঁতাজনৰ তৰল প্ৰকৃতিৰ মনটোৰ প্ৰকৃত পৰিচয়হে ওলাই পৰে। মনত কপটতা, অহংকাৰ ৰাখি মুখত মিঠা মাতি ছলাহী কথাৰে আনক আভুৱা ভাঁৰা ব্যক্তিসকলৰ উদ্দেশ্য সৎ হ'ব নোৱাৰে। মতলবী লোকসকলে কেৱল স্বাৰ্থসিদ্ধিৰ বাবেহে চেগ বুজি মিঠাকৈ ছলাহী কথা কৈ সহজ-সৰল লোকক আভুৱা ভাঁৰে। মন শুদ্ধ হ'লে মুখত আপোনা-আপুনি মিঠা মাত ওলায়, যিজন লোকে নিজৰ চিন্তা ধাৰণাক নিয়ন্ত্ৰণ কৰিব পাৰে তেওঁ জীৱনৰ সকলো দুখ-কষ্টকো সুন্দৰকৈ নিয়ন্ত্ৰণ কৰিব পাৰে।

কেতিয়াবা চকুৰে দেখা বা কাণেৰে শুনা কথাও সত্য নহ'ব পাৰে, সেয়ে ভাবি-চিন্তিহে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা উচিত। বৰ্তমান সময়ত অতিমাত্ৰা আধুনিকতাৰ প্ৰভাৱ পৰা এচাম উচ্ছৃংখল স্বভাৱৰ বেপেৰোৱা প্ৰকৃতিৰ সন্তানে লোকচক্ষুৰ সন্মুখতে মাক-দেউতাকক অৱজ্ঞা কৰি কেতেৰা মাৰি কথা কোৱাটো সহজলভ্য দৃশ্য হৈ পৰিছে। এই সকল অৰোধে জনা উচিত যে তেওঁলোকৰ এনে অভব্য ব্যৱহাৰে নিজৰহে অজ্ঞানতাৰ ফোঁপোলা স্বৰূপ উদঙাই দেখুওৱা হয়। যিকোনো আচহুৱা পৰিস্থিতিত হিংসা-বিদ্বেষ সৃষ্টি কৰা কথা-বতৰা এৰাই চলা উচিত। বৰ্তমান সময়ত শত্ৰুপক্ষক জনমানসত হেয় প্ৰতিপন্ন কৰাৰ উদ্দেশ্যে আক্ৰোশমূলক মনোভাৱেৰে ছ'চিয়েল মিডিয়াত নক'বলগীয়া কথা ৰাজহুৱা কৰি বহু লোক বিপদৰ সন্মুখীন হৈয়েই আছে। কেৱল মাত্ৰ প্ৰতিশোধ পৰায়ণতাৰ বাবে ইচ্ছাকৃতভাৱে জাপি দিয়া দুখ-কষ্ট সহ্য কৰিব পাৰিলেও মিছা কথা কেতিয়াও মানি ল'ব নোৱাৰি। বহু চকু চৰহা লোকে নিজৰ জীৱনৰ ক'লা অধ্যায় ঢাকি আনৰ জীৱনৰ গোপন খবৰবোৰ ৰাজহুৱা কৰি আসুৰিক তৃপ্তি লাভ কৰে। এইচাম লোকৰ নিখুঁত অভিনয়ত ভোল গৈ সহজ-সৰল লোকসকল বিপাঙত পৰে। কষ্টক জয় কৰি আগুৱাই যোৱাৰ নামেই হ'ল জীৱন। অসহিষ্ণু লোকসকলে সৰু সৰু সমস্যাতে উদ্বাউল হৈ পৰিস্থিতি বিষম কৰি তোলাৰ বিপৰীতে ধৈৰ্যশীল ব্যক্তিসকলে উপযুক্ত বিচাৰ-বুদ্ধিৰ লগতে নমনীয় ব্যৱহাৰেৰে বৃহৎ সমস্যাসমূহ হেলাৰঙে সমাধান কৰি সুস্থ বাতাৱৰণ সৃষ্টি কৰে। মানুহৰ মাত-কথাই অমৃত তুল্য, এষাৰ কটু কথাই হৃদয় ভঙাৰ বিপৰীতে এষাৰ মিঠা মাতে জীৱনক জীয়াই থকাৰ সন্ধান দিব পাৰে। বৰ্তমান সময়ত সত্যৰ পথত চলাটো কিছু কঠিন হ'লেও এই পথত যাত্ৰা কৰাজনক সততে কোনেও বিপদত পেলাব নোৱাৰে। এজন ব্যক্তি দেখাত যিমানেই আপচু নহওক কিয়— অমৃতসম মুখৰ মাত কথাই তেওঁৰ সৌন্দৰ্যত জেউতি চৰায়।

*ফোন : ৯১০১৫১৭৮৪৭*

**ক’ৰি বা কন্দ্ৰি হৈছে এক বৃহৎ সাগৰীয় শামুক গোষ্ঠীৰ-মেৰেইন- গেষ্ট্ৰোপদ্ মোলুস্কা-চাইপ্ৰেইডেই পৰিয়ালৰ এটা উমৈহতীয়া নাম। এইখিনিতে আৰু এটা নাম আহি পৰে। সেইটো হৈছে— প’ৰ্চেলিন’। এই শব্দটিৰ উৎস হৈছে— পুৰণি ইটালীয় পদ ‘কন্দ্ৰি খোলাৰ প’ৰ্চেল্লানা-। এই নাম লোৱাৰ কাৰণটো হৈছে ইয়াৰে ইহঁতৰ সদৃশ ‘গড়’টো। ইতিহাসৰ বতৰা অনুসৰি বিশেষ কেতবোৰ প্ৰজাতিৰ ‘খোলা’ক পৃথিৱীৰ ভিন্ন প্ৰান্তত ব্যৱহাৰ কৰা হৈছিল ‘মুদ্ৰা’ হিচাপে। তদুপৰি তাহানি কালত, আনকি আজিও, খুব বহলভাৱেই অলংকাৰ হিচাপে ব্যৱহাৰ হয়**



# ‘কপৰ্দক-শূন্য’ৰ ইতিকথা

ড° খনীন চৌধুৰী

**কপৰ্দকশূন্য** মানে যাৰ কোনো অৰ্থ কড়ি নাই। পিছে এই ‘কপৰ্দক’ বস্তুটোনো কি?

কপৰ্দক এক ধৰণৰ মোলস্কা শ্ৰেণীৰ জীৱ। এই জীৱটিৰ খোলাটোৱেই আচল।এই খোলাটোৰে বিনিময়ত ‘মানৱ বজাৰ’ৰ বেচা-কিনা হৈছিল। ই সকলোৰে বাবে গ্ৰহণযোগ্য আছিল। এই বস্তুটোক সাঁচি ৰখা হৈছিল। মুদ্ৰা প্ৰচলনৰ পূৰ্বে ‘কপৰ্দক’ বা ‘কড়ি’য়েই আছিল একমাত্ৰ বিনিময়ৰ মাধ্যম। কপৰ্দক: ক) গংগাজল-পৃ(পূৰণ কৰা)-বিচ্ -দ(প্ৰদান কৰা)। ইয়াৰ অৰ্থ: কড়ি, শিৱৰ জঁটা। তদুপৰি-অৰ্থ, মুদ্ৰা, টংক, টকা। ইংৰাজীত স্তুপ্সভ্ৰজ্স্তু, স্তুপ্সভ্ৰজনন্দ্ব.

ক’ৰি বা কড়ি হৈছে এক বৃহৎ সাগৰীয় শামুক গোষ্ঠীৰ-মেৰেইন- গেষ্ট্ৰোপদ্ মোলুস্কা-চাইপ্ৰেইডেই পৰিয়ালৰ এটা উমৈহতীয়া নাম। এইখিনিতে আৰু এটা নাম আহি পৰে। সেইটো হৈছে— প’ৰ্চেলিন’। এই শব্দটিৰ উৎস হৈছে— পুৰণি ইটালীয় পদ ‘কড়ি খোলাৰ (প’ৰ্চেল্লানা)। এই নাম লোৱাৰ কাৰণটো হৈছে ইয়াৰে ইহঁতৰ সদৃশ ‘গড়’টো। ইতিহাসৰ বতৰা অনুসৰি বিশেষ কেতবোৰ প্ৰজাতিৰ ‘খোলা’ক পৃথিৱীৰ ভিন্ন প্ৰান্তত ব্যৱহাৰ কৰা হৈছিল ‘মুদ্ৰা’ হিচাপে। তদুপৰি তাহানি কালত, আনকি আজিও, খুব বহলভাৱেই অলংকাৰ হিচাপে ব্যৱহাৰ হয়। লগতে আন আন সজোৱা-পৰোৱা কৰ্মকাণ্ড জড়িত অনুষ্ঠানতো।

ইয়াক প্ৰচুৰভাৱে পোৱা যায় ভাৰতীয় সাগৰত। এইবোৰ সংগ্ৰহ কৰা হৈছিল মালদ্বীপীয় উপকূলত। শ্ৰীলংকাৰ ভাৰতীয় মালাবাৰত উপকূলত আৰু আনবোৰ পূৰ্ব ভাৰতীয় দ্বীপত, প্ৰশান্ত মহাসাগৰৰ মালুকুত লগতে আফ্ৰিকীয় উপকূলৰ বিভিন্ন ঠাইত-ৰাচ্-হাফুনৰ পৰা মোজাম্বিকলৈ। আফ্ৰিকা, দক্ষিণ এছিয়া আৰু পূব এছিয়াত ব্যৱসায়-বাণিজ্যত কড়িখোলা-ধন গুৰুত্বপূৰ্ণ আছিল। কড়িৰ ভিন্ন ভাগ আছে: চেষ্ট-নাট্কড়ি, লিট্‌ল্-ডিয়াৰ কড়ি, ধন-কড়ি ইত্যাদি। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু মেক্সিকোত কড়ি বাসৰ ঠাই হৈছে মধ্য কেলিফ’ৰ্ণিয়া, বাজা-কেলিফ’ৰ্ণিয়াৰ জলভাগ। প্ৰথমবিধ কড়ি পোৱা যায় পূব প্ৰশান্ত মহাসাগৰত। তাৰে পৰা দক্ষিণলৈ মেক্সিকো উপকূলৰ মধ্য আমেৰিকা আৰু পেৰু ভাগত পোৱা যায় লিট্টল-ডিয়াৰ কড়ি। প্ৰশান্ত পৰিবেশৰ পৰা মধ্য আমেৰিকালৈ ধন-কড়ি সুলভ। লগতে দক্ষিণ-পূব আমেৰিকাৰ ৰাজ্যসমূহতো। ‘ওভুলিডেই পৰিয়াল’ৰ কোনো কোনো প্ৰজাতিকো কড়ি বুলি লোৱা হয়। ব্ৰিটিছ দ্বীপপুঞ্জত স্থানীয় ‘ত্ৰিভিয়া’ নামক প্ৰজাতিটোকো কড়ি বুলিয়েই লোৱা হয়। (‘ত্ৰিভিডেই’ পৰিয়াল) ইয়াৰ নাম ত্ৰিভিয়া-মোনাচ্চা আৰু ত্ৰিভিয়া আৰ্কিটিকা।

ওভুলিডেই আৰু ত্ৰিভিডেই এই দুই চাইপ্ৰেইডেইৰ ওচৰৰ। কড়িখোলা, বিশেষকৈ মানেটেৰিয়া মোনেটা নেটিভ আমেৰিকানসকলে শতিকা ধৰি ব্যৱহাৰ কৰিছিল মুদ্ৰা হিচাপে। বাৰ্ট্ৰাণ্ড-ৰাছেলে তেওঁৰ ‘মেৰেইজ এণ্ড মৰেল্‌ছ’ নামৰ কিতাপত ঠাই দিছে কড়িৰ ব্যৱহাৰৰ মুদ্ৰা হিচাপৰ পুৰণি ইজিপ্টত আৰু সেয়া খোলাৰ আকাৰ বা ঠাঁচটো সদৃশ বুলি কৈ থৈছে নাৰীৰ যৌনাংগৰে। ১৫০০ খ্ৰীষ্টৰ পাছত খোলা মুদ্ৰাৰ ব্যৱহাৰ খুব অধিকেই আছিল। পশ্চিমীয়া দেশবোৰত, প্ৰধানকৈ দাস-ব্যৱসায়ত বৃহৎ পৰিমাণৰ কড়িধন ব্যৱহৃত হৈছিল আফ্ৰিকাত বিশেষকৈ মালদ্বীপীয় কড়ি ‘ঘানাইয়-চেডি’নাম দিয়া হৈছিল কড়ি খোলাসমূহক। সেইবোৰ ভাৰততো ব্যৱহাৰ হৈছিল বিনিময়ৰ মাধ্যম হিচাপে। ধন বা মুদ্ৰাৰ ক্লাছিকেল-চীনদেশীয় বৈশিষ্ট্যখিনিৰ উৎস আছিল একধৰণৰ চৌখিন অংক হিচাপে-মালদ্বীপীয় কড়ি খোলাৰ। এইখিনিতে ধন বা মুদ্ৰা, বা সম্পত্তি সম্পৰ্কীয় শব্দ আৰু চৰিত্ৰখিনি এক বিশেষত্বপূৰ্ণ আছিল।

বসন্ত আৰু শৰতৰ আগমনত সামন্তধাৰাৰ মূল উৎসখিনিত কড়ি ব্যৱহাৰ হৈছিল এক ব্যৱসায়ৰ প্ৰতীক বুলি এক মূল্যৱান জায়গীৰদাৰলৈ। উত্তৰ আমেৰিকাৰ ওজিব্‌ৱে মূলৰ মানুহখিনিয়ে কড়ি খোলা ব্যৱহাৰ কৰিছিল। ইয়াক কোৱা হৈছিল ‘মিগিছ্-খোলা’ বা ‘বগা-খোলা’। ওজিব্‌ৱেসকলে কেনে ধৰণেনো এই কড়ি মাধ্যমত ব্যৱসায় বাণিজ্য কৰিছিল সেই সন্দৰ্ভত মতবিৰোধ আছে। মৌখিক সাধু বা ভূৰ্জ্জপত্ৰৰ নুৰিয়াৰ পৰা জনা যায় যে এই খোলাবোৰ পোৱা গৈছিল মাটিত বা হ্ৰদ বা নদীৰ পাৰত ঢৌত উটি আহিছিল। যতদূৰ অন্তৰ্দেশীয় হিচাপে এই কড়িসমূহৰ প্ৰাপ্তিখিনিয়ে ইংগিত দিয়ে যে ইয়াৰ পূৰ্বত এইসমূহৰ ব্যৱহাৰ হৈছিল এক প্ৰাক-গোষ্ঠীয় জনসমাজৰ দ্বাৰা। যিসকলে হয়তো এই কড়িধন বুটলিছিল এক বিশাল ব্যৱসায় নেটৱৰ্কৰ সহায়ত—দূৰ অতীতত। আফ্ৰিকাৰ পৰা প্ৰচলিত হৈ ৰোৱা দাস-ব্যৱসায়ৰ ফল স্বৰূপে ব্ৰাজিলত, কড়িমুদ্ৰা ব্যৱহাৰ হৈছিল প্ৰধানকৈ এক বিশেষগোষ্ঠীৰ দৈৱিক কৰ্ম-কাণ্ডক জড়িত কৰি লৈ আৰু তেনে কৰ্মকাণ্ড জড়িত সংঘটনৰ উত্তৰ শুনিবলৈ। কড়ি খোলা দৈৱিক কৰ্মকাণ্ডৰ স’তে জড়িত। ইয়াক কামত লগায় বিশেষকৈ কেৰেলাৰ কানিয়াৰ-পানিকাৰ জ্যোতিষীসকলে। আফ্ৰিকাৰ কিছু ঠাইত কড়ি-ধনক মূল্য দিয়া হয়- মোহবশৰ অধীন কৰি প্ৰজনন ক্ষমতাৰ অধিকাৰী, আৰু যৌন সুখ আৰু সৌভাগ্যৰ অধিকাৰী বুলি। কড়িখোলাক অলংকাৰ হিচাপেও পৰিধান কৰা হয়। কোনো কোনো ঠাইত ইয়াক নাৰীত্ব, উৰ্বৰতা, জন্ম আৰু ধন সম্পত্তিৰ প্ৰতীক বুলিও লোৱা হয়। ইয়াৰ তলভাগক লোৱা হয় স্ত্ৰী-যোনি বা চকু হিচাপেও। ফিজিদ্বীপত সোণালী কড়ি (বা, বুলিকুলা) একোটাৰ তল ফালে ফুটা কৰি লৈ এডাল ৰছীত গাঁঠি লোৱা হয়। আৰু তেনে এডাল কড়ি হাৰ গোষ্ঠীৰ চৰ্দাৰ এজনে ডিঙিত পিন্ধে। টুবালুৰ মহিলাই কড়িকে লৈ আন শামুক- খোলাক হস্তকৰ্মত ব্যৱহাৰ কৰে। কড়ি-খোলাক কেতিয়াবা পাশা খেলতো ব্যৱহাৰ কৰে। ছটা বা সাতটা তেনে কড়ি হাতেৰে দলিয়াই দিয়া হয় আৰু অৱতৰণীয় ফালটো ওপৰমুৱা হৈ পৰিলে প্ৰকৃত সংখ্যাটো পৰা বুলি লোৱা হয়। নেপালত কড়ি ব্যৱহাৰ কৰা হয় জুৱাখেলত। ইয়াত ১৬ টাকৈ কড়ি লোৱা হয়। আৰু ‘টছ’ কৰা হয় চাৰিজনকৈ ভিন-ভিন বাজি ধৰোঁতাৰে। এই খেলটো সাধাৰণতে খেলা হয় হিন্দুসকলৰ দীপাৱলী উৎসৱত। আমিও শৈশৱত তেনে ৰাস্তাই-বাটে সেই সময়ত খেল দেখিছিলো পুলিচৰ চকুত নপৰাকৈ খেলা। (তেনে জুৱা আইনত বাধা থাকে কাৰণে লুকাই খেলা হয়)। সেই উৎসৱত এনেবোৰ শামুক-খোলা পূজা কৰা হয় লক্ষ্মী আৰু ধনৰ প্ৰতীক হিচাপে। ১৯৪০-১৯৫০ত শিশুৰ পাঠশালাবোৰত সৰু-সৰু কড়ি ব্যৱহাৰ কৰা হৈছিল শিক্ষণ সামগ্ৰী হিচাপে-গণনা-শিক্ষণ সঁজুলি হিচাপে-গণনা, যোগ-বিয়োগ আদি প্ৰক্ৰিয়া কৰিবলৈ।

*ফোন ঃ ৮৭৫৩০৮০৩২৭*

# মহাকাশ পৰ্যটন

ড়ষ্টিপাত



২০০১ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডেনিছ টিটোৱে কক্ষপথৰ মহাকাশ পৰ্যটনৰ ধাৰণাটোৰ প্ৰতি পোন প্ৰথমবাৰৰ বাবে বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰে। ব্যক্তিগতভাৱে মহাকাশ ভ্ৰমণলৈ যোৱা তেৱেঁই আছিল প্ৰথমজন পৰ্যটক। ইয়াৰ তিনি বছৰৰ পাছত বাৰ্ট ৰুটান আৰু পল এলেনে মোজাভে এৰোস্পেচ ভেঞ্চাৰ দলৰ নেতৃত্ব দিয়ে। দুসপ্তাহৰ ভিতৰত এশ কিলোমিটাৰ উচ্চতাত পুনৰ ব্যৱহাৰযোগ্য বাহনৰ পাইলটযুক্ত চাব-অৰ্বিটেল ‘টাউৰণ সফলতাৰে সম্পূৰ্ণ কৰি তেওঁলোকে ‘আনছাৰী এক্স-প্ৰাইজ’ লাভ কৰে। এই সাফল্যই জনসাধাৰণ আৰু চৰকাৰী পৰিচালকসকলকৰ আগত উদ্যোগীকৰণৰ বাণিজ্যিক কাৰ্যকলাপে মহাকাশ উদ্যোগত আনিব পৰা বিস্তৰ সম্ভাৱনা প্ৰদৰ্শন কৰি দেখুৱায়। ইয়াৰ ফলশ্ৰুতিত আমি এতিয়া ভাৰ্জিন গেলেক্টিক, স্পেচ এক্স, আৰ্মাডিলো এৰোস্পেচ, ব্লু অৰিজিন, বিগেলো এৰোস্পেচ আৰু এক্সক’ৰ এৰোস্পেচৰ দৰে বিখ্যাত সংগঠনসমূহক কেৱল মহাকাশ পৰ্যটন প্ৰকল্পৰ দৌৰত যোগদান দিয়াই নহয়, উল্লেখযোগ্য অগ্ৰগতি লাভ কৰাও দেখা পাইছো।

মহাকাশ পৰ্যটন হৈছে পৰ্যটকসকলে মূলতঃ নিৰ্মল উপভোগৰ বাবে মহাকাশলৈ উৰি যোৱাৰ ধাৰণা অৰ্থাৎ মহাকাশ পৰ্যটনক এনেদৰে সংজ্ঞায়িত কৰিব পাৰি— ‘সুলভ মূল্যত মহাকাশ ভ্ৰমণকাৰী হিচাপে যিমান পাৰি সিমান লোকক মহাকাশলৈ পঠিয়াব পৰা পৰিবহণ ব্যৱস্থা’। এজন ‘স্পেচ টুৰিষ্ট’ হ’ল দুঃসাহসিক ভ্ৰমণ আৰু বিনোদনৰ বাবে মহাকাশলৈ যাত্ৰা কৰা আৰু মহাকাশৰ অভিজ্ঞতা লাভ কৰা ব্যক্তি। এক কথাত ক’বলৈ গ’লে মহাকাশ পৰ্যটনৰ উদ্দেশ্য হ’ল মহাকাশত মানুহক দুঃসাহসিক অভিযান আৰু বিনোদনৰ সুবিধা আগবঢ়াব পৰা এক পৰিসেৱা। যোৱা দশকৰ ভিতৰত এই ক্ষেত্ৰত বহুতো উৎপাদনশীল কাম সম্পন্ন হৈছে আৰু কে’বাগৰাকী মহাকাশ পৰ্যটকে ইতিমধ্যে মহাকাশলৈ যাবলৈ বহু কোটি টকা খৰচো কৰিছে। আজিৰ কৰ্মব্যস্ত জীৱনত যেতিয়াই দুই-তিনিদিনৰ বাবে ছুটী পাওঁ লগে লগে আমি কোনো পাহাৰীয়া ঠাই, সমুদ্ৰ সৈকত, অভয়াৰণ্য বা কোনো নিৰিবিলি ঠাইলৈ যাবলৈ প্ৰয়াস কৰো। হয়তো মহাকাশলৈ যাত্ৰা কৰিব পৰা দিনটো আমাৰ পৰা খুব বেছি দূৰ নহয়। আশা কৰিব পাৰি যে মহাকাশ পৰ্যটনৰ বাবে অতি সোনকালে বছৰত চাৰিশ বা ততোধিক মহাকাশযান অৰ্থাৎ গড়ে দৈনিক এখনতকৈ অধিক যান পৃথিৱীৰ পৰা মহাকাশলৈ উৰি যাব। আমাৰ বাবে আনন্দৰ কথা যে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ (ইছৰ’) ‘গগনযান’ মিছনো ভাৰতবৰ্ষৰ এনে এটা প্ৰকল্পৰ অংশ।

মহাকাশ পৰ্যটনৰ বিকাশৰ প্ৰতি দৃষ্টিগোচৰ ৰাখি তিনি ধৰণৰ মহাকাশ ভ্ৰমণৰ কথা উল্লেখ কৰিব পাৰিঃ

ক) আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত (ইন্টাৰনেছনেল স্পেচ স্টেচন বা আইএছএছ) থাকিব পৰা কক্ষপথ ভ্ৰমণঃ এই ধৰণৰ ভ্ৰমণত এগৰাকী যাত্ৰীয়ে মহাকাশযানত উৰি গৈ নিম্ন পৃথিৱী কক্ষপথৰ (এলইঅ’) আইএছএছত এসপ্তাহ বা দুসপ্তাহ কটাই আহে। নামটোৰে প্ৰকাশ কৰাৰ দৰে নিম্ন পৃথিৱী কক্ষপথ (এলইঅ’) হৈছে পৃথিৱীৰ পৃষ্ঠৰ তুলনামূলকভাৱে ওচৰত থকা কক্ষপথ। ই সাধাৰণতে এহেজাৰ কিলোমিটাৰতকৈ কম উচ্চতাত অৱস্থিত যদিও পৃথিৱীৰ পৰা ১৬০ কিলোমিটাৰমান ওপৰতো হ’ব পাৰে। অন্যান্য কক্ষপথৰ তুলনাত এই উচ্চতা কম যদিও পৃথিৱী পৃষ্ঠৰ পৰা বহু দূৰত। আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰই (আইএছএছ) পৃথিৱীক ২০০১ পৰা ২৫০ মাইল গড় দূৰত্বত (৩২২১ পৰা ৪০২ কিলোমিটাৰ) প্ৰদক্ষিণ কৰে। এতিয়ালৈকে ২০খন দেশৰ ২৫৮ জন লোকে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰ ভ্ৰমণ কৰিছে।

খ) উপ-কক্ষপথ ভ্ৰমণঃ উপ-কক্ষপথ ভ্ৰমণত মহাকাশযানবোৰে যাত্ৰীক সাধাৰণতে মহাকাশৰ প্ৰান্ত বুলি জ্ঞাত এক উচ্চতালৈ লৈ যায় আৰু তাৰ পৰা পুনৰ পৃথিৱীলৈ ঘূৰাই আনে। এই উচ্চতা পৃথিৱী পৃষ্ঠৰ পৰা প্ৰায় ৬২ মাইল বা এশ কিলোমিটাৰ। যাত্ৰীসকলে আমাৰ গ্ৰহৰ প্ৰান্ত আৰু মহাকাশৰ দুৰ্ঘোৰ অন্ধকাৰৰ আভাস লাভ কৰাৰ উপৰি কেইমিনিট মানৰ বাবেও জনহীনতাও অনুভৱ কৰিব পাৰে।

গ) এঠাইৰ পৰা আন এখন ঠাইলৈ (Point to Point) আন্তঃমহাদেশীয় উপ-কক্ষপথ ভ্ৰমণঃ এই আন্তঃমহাদেশীয় উপ-কক্ষপথ ভ্ৰমণত জেট ইঞ্জিন চালিত বিমানতকৈ তুলনামূলকভাৱে কম সময়ৰ ভিতৰতে বিশ্বৰ এখনৰ পৰা আন এখন ঠাইলৈ উৰণ সম্ভৱপৰ হৈ উঠিব। উদাহৰণ স্বৰূপে, ভাৰ্জিন গেলেক্টিকে উল্লেখ কৰা মতে ইয়াৰ প্ৰথম উপ-কক্ষপথৰ বাহনখন আন্তঃচহৰ ভ্ৰমণ কৰিবলৈ ‘ছুপাৰ ফাষ্ট’ যান হিচাপে ব্যৱহাৰ কৰিব পৰা যাব। যদি উপ-কক্ষপথ বিমানৰ খৰচ হ্ৰাস পায় ই জৰুৰীকালীন মাল পৰিবহণ, সামৰিক সাহায্য বা আন্তঃনগৰ উৰণত সহায় কৰি যাত্ৰীসকলক মহাদেশৰ পৰা মহাদেশলৈ যাত্ৰা কৰাৰ সময়ত মহাকাশৰ উত্তেজনা অনুভৱ কৰিবলৈ দিব। এইদৰে আন্তঃমহাদেশীয় উপ-কক্ষপথ ভ্ৰমণে অতি সোনকালে মানৱ জীৱনলৈ এক উল্লেখযোগ্য পৰিৱৰ্তন আনিব পাৰে। আশা কৰা যায় ২০২৩ৰ আৰম্ভণিত ভাৰ্জিন গেলেক্টিকে তেওঁলোকৰ স্পেছশ্বিপ-টু উপ-কক্ষপথৰ মহাকাশযানখনৰ বাণিজ্যিক উৰণ আৰম্ভ কৰিব পাৰিব।

ওপৰত উল্লেখ কৰাৰ দৰে ইতিমধ্যে বহুতো লোকে মহাকাশ ভ্ৰমণ কৰিছে আৰু মহাকাশ ভ্ৰমণৰ বাবে আঠশৰো অধিক লোকে অগ্ৰিম বুকিং কৰি ৰাখিছে। মহাকাশ ভ্ৰমণৰ বাবে তেওঁলোকৰ প্ৰশিক্ষণো চলি আছে। বিশ্বৰ তিনিজন চহকী ব্যক্তিয়ে মহাকাশ পৰ্যটনৰ দৰে ব্যয়বহুল প্ৰকল্প সম্পূৰ্ণ কৰিবলৈ আগবাঢ়ি আহিছে। এখেত সকল হ’ল ৰিচাৰ্ড ব্ৰেনছনৰ কোম্পানী ভাৰ্জিন গেলেক্টিক, জেফ বেজোছৰ কোম্পানী ব্লু অৰিজিন আৰু ইলন মাস্কৰ কোম্পানী স্পেচ এক্স। মহাকাশ ভ্ৰমণৰ বাবে যি স্তৰত প্ৰস্তুতি চলি আছে তাৰ পৰা অনুমান কৰিব পাৰি যে ভাৰ্জিন গেলেক্টিক কোম্পানীয়ে প্ৰস্তুত কৰি থকা দুখন বিমানবাহী যানে মহাকাশলৈ শ শ বিমান উৎক্ষেপণ কৰিব পাৰিব। ইয়াৰ ফলত বৃহৎসংখ্যক পৰ্যটকক মহাকাশলৈ কঢ়িয়াই নিয়াত আৰু ওভতাই অনাত সহায় হ’ব। এই বিমান বা মহাকাশ যানৰ বাবে মানুহে দুই লাখ মাৰ্কিন ডলাৰ অৰ্থাৎ ১.৫ৰ পৰা দুই কোটি ভাৰতীয় টকা দি নিজৰ আসন সংৰক্ষিত কৰিছে। জনসাধাৰণৰ উৎসাহ আৰু আসন সংৰক্ষণৰ দাবী দেখি ২০২৫ৰ ভিতৰত কোম্পানীটোৱে নিয়মীয়াকৈ বছৰি চাৰিশখন যান উৰণৰ প্ৰস্তুতি চলাইছে।

যোৱা ১৫ বছৰ ধৰি কোম্পানীটো এই অভিযানৰ স’তে ওতপ্ৰোতভাৱে জড়িত। ২০২১ত কোম্পানীটোৱে প্ৰথমখন বাণিজ্যিক আৰু মানৱ সম্বলিত উৰণ মহাকাশলৈ প্ৰেৰণ কৰাত সফল হয়। প্ৰথমখন যান মহাকাশলৈ যাওঁতে ভাৰ্জিন গ্ৰুপৰ মালিক ৰিচাৰ্ড ব্ৰেনছনো অভিযানত আছিল। পৰৱৰ্তী এনে এক অভিযান ২০২৩ত প্ৰেৰণ কৰা হ’ব আৰু কোম্পানীটোৱে ২০২৫ৰ ভিতৰত বছৰি চাৰিশতকৈ অধিক মহাকাশযান মহাকাশলৈ প্ৰেৰণ কৰাৰ কথা ভাৱিছে। আমেৰিকাৰ পেনচিলভেনিয়াত ভাৰ্জিন গেলেক্টিকে তেওঁলোকৰ ভৱিষ্যত মহাকাশ পৰ্যটকসকলৰ বাবে প্ৰশিক্ষণ অব্যাহত ৰাখিছে। মহাকাশ যাত্ৰাৰ অগ্ৰিম সংৰক্ষণ কৰা শতাধিক লোকে ইয়াৰ নেচনেল এৰোস্পেচ ট্ৰেইনিং এণ্ড ৰিচাৰ্চ চেণ্টাৰত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। এই প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষাৰ্থীসকলক সুৰংগ সদৃশ ৰকেট বা কেপচুলত বহি মহাকাশ ভ্ৰমণৰ সময়ত মাধ্যাকৰ্ষণৰ প্ৰভাৱ কেনেকৈ সন্মুখীন হ’ব লাগে সেই বিষয়ে প্ৰশিক্ষণ দিয়া হয়। সমান্তৰালভাৱে প্ৰশিক্ষাৰ্থীসকলৰ তেজ পৰীক্ষা, উশাহ-নিশাহ নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা আৰু অন্যান্য শাৰীৰিক পৰীক্ষাসমূহৰ ওপৰতো গুৰুত্ব দিয়া হৈছে।



দৃষ্টিপাত

পংকজ কুমাৰ নেওগ

যদি ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ সকলো পৰীক্ষামূলক অভিযান সফলতাৰে সম্পূৰ্ণ হয় তেন্তে ২০২৪-২৫ৰ ভিতৰত মানৱ অভিযান সম্ভৱ হৈ উঠিব বুলি আশা কৰা হৈছে। ইয়াৰ আগতে ইছৰ’ই মহাকাশলৈ মালবাহী উপগ্ৰহ উৎক্ষেপণ কৰিব লাগিব। শেহতীয়াকৈ কেন্দ্ৰীয় মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে গগনযান মিছনৰ বিষয়ে বিতং তথ্য দি কয় যে প্ৰথমটো উৰণ মানৱবিহীন হ’ব। ইয়াৰ পাছত দ্বিতীয় ট্ৰায়েলত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই (ইছৰ’) প্ৰস্তুত কৰা ‘ব্যোমমিত্ৰ’ নামৰ এটি মহিলা ৰবট মহাকাশলৈ প্ৰেৰণ কৰা হ’ব আৰু শেষৰ ফালে দুয়োটা অভিযান সফল হোৱাৰ পাছতহে মানুহক মহাকাশলৈ পঠোৱাৰ প্ৰস্তুতি চলোৱা হ’ব। ডাঃ সিঙৰ মতে, তৃতীয় অভিযানৰ মহাকাশ উৰণত দুজন মানুহ পঠিয়াব পৰা যাব। এইসকল লোক সাতদিন মহাকাশত থাকিব। এই অভিযানৰ বাবে ভাৰতীয় বায়ুসেনাৰ চাৰিজন পাইলটক ৰাছিয়ালৈ প্ৰেৰণ কৰি মহাকাশ প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ইংৰাজীৰ ‘এষ্ট্ৰ’নট’ৰ অনুকৰণত এই মহাকাশচাৰীসকলৰ নাম ৰখা হৈছে ‘গগনট’।

২০১৮ৰ ১৫ আগষ্টত লালকিল্লাৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গগনযান মিছনৰ কথা উল্লেখ কৰিছিল। এই অভিযানত প্ৰায় ১০ হেজাৰ কোটি টকা ব্যয় কৰা হ’ব আৰু ইয়াৰ বাবে কেন্দ্ৰীয় কেবিনেটে ২০১৮তে অনুমোদন জনায়। ভাৰতীয় মহাকাশচাৰীসকলে সাতদিন ধৰি পৃথিৱীৰ নিম্ন কক্ষপথত ঘূৰিব। ৰাজ্যসভাত এক প্ৰশ্নৰ লিখিত উত্তৰত কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে কয় যে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা মহাকাশ পৰ্যটনৰ দিশত থলুৱা সামৰ্থ্য বিকাশৰ প্ৰক্ৰিয়াত চেষ্টাৰত। নিম্ন পৃথিৱী কক্ষপথলৈ (এলইঅ’) মানৱ সম্বলিত উৰণ প্ৰদৰ্শনৰ জৰিয়তে এই প্ৰচেষ্টা সম্পন্ন কৰা হ’ব। ভাৰতীয় ৰাষ্ট্ৰীয় মহাকাশ প্ৰসাৰ আৰু অনুমোদন কেন্দ্ৰই (IN-SPACe) এই ক্ষেত্ৰত সকলো দিশ সাঙুৰি মহাকাশ কাৰ্যকলাপ সম্পন্ন কৰাত ব্যক্তিগত খণ্ডৰ সক্ৰিয় অংশগ্ৰহণক প্ৰসাৰিত কৰিবলৈ চেষ্টা কৰিছে আৰু ইয়াৰ ভিতৰত মহাকাশ পৰ্যটনো অন্তৰ্ভুক্ত।

ইছৰ’ৰ অধ্যক্ষ ড° এছ সোমনাথৰ উদ্ধৃতি দি এখন প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে ২০২২ত ‘ক্ৰু এস্কেপ’ ব্যৱস্থাৰ পৰীক্ষা সম্পন্ন কৰা হ’ব আৰু তাৰ পাছত ২০২৩ৰ মাজভাগত প্ৰথমটো মানৱবিহীন অভিযান অনুষ্ঠিত হ’ব। ইয়াৰ পাছত আৰু দুটা এস্কেপ টেষ্টৰ পাছত আন এক মানৱবিহীন অভিযান চলোৱা হ’ব। মানৱসজ্জিত মহাকাশযান উৰা মৰাৰ পূৰ্বে এই সকলোবোৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰিব লাগিব। গগনযান অভিযানৰ বাবে ইছৰ’ই নিজৰ মালবাহী যান জিএছএলভি মাৰ্ক-থ্ৰী ৰকেটক সংশোধন কৰি মহাকাশচাৰী কঢ়িয়াই নিয়াৰ বাবে নিৰ্ভৰযোগ্য কৰি তুলিবলৈ কাম হাতত লৈছে। গগনযান অভিযানে বিদেশী কোম্পানীয়ে ব্যৱহাৰ কৰা পুনৰ ব্যৱহাৰযোগ্য ৰকেট/মহাকাশ বিমানৰ বিপৰীতে ব্যয়যোগ্য ৰকেটৰ কথা ভাৱিছে। গতিকে ভাৰতত মহাকাশ পৰ্যটন বাস্তৱত পৰিণত হ’বলৈ আৰু প্ৰথম মহাকাশ পৰ্যটকে উৰা মৰাৰ আগতে কে’বাটাও স্তৰ আয়ত্ত কৰিব লাগিব। প্ৰথম স্তৰ হ’ব গগনযান মিছনক সফলতাৰে সম্পন্ন কৰা আৰু আৰু এনে অভিযান কে’বাবাৰো পুনৰাবৃত্তি কৰা। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ’ল পৰ্যটকক মহাকাশলৈ অনা-নিয়া কৰিবলৈ পুনৰ ব্যৱহাৰযোগ্য ৰকেটৰ সোনকালে বিকাশ কৰি এনে ৰকেট সফলতাৰে পৰীক্ষা কৰা। সকলোবোৰ যাৱতীয় পৰীক্ষা নিৰ্ভৰযোগ্য আৰু কম খৰচী হোৱাৰ লগতে সুচল হোৱাও বাঞ্ছনীয়।

১৯৬১ৰ ১২ এপ্ৰিলত ছোভিয়েট মহাকাশচাৰী ইউৰি গাগাৰিন মহাকাশত উপনীত হোৱা প্ৰথমজন মানুহ আছিল আৰু তাৰ প্ৰায় ৬০ বছৰৰ পাছত আজি মানুহ মহাকাশ ভ্ৰমণ আৰু পৰ্যটন কৰিবলৈ সক্ষম হৈ উঠিছে। নিত্য নতুন বস্তুৰ প্ৰতি আগ্ৰহী লোকসকলে পৃথিৱীৰ বহু ওপৰলৈ উৰি গৈ বিশ্বব্ৰহ্মাণ্ডৰ নতুন ৰহস্যৰ স’তে পৰিচিত হ’বলৈ এটা উত্তম সুযোগ লাভ কৰাৰ লগতে এই পৃথিৱীৰ সিপাৰৰ পৰা নিজৰ মৰমৰ গ্ৰহটোৰ মনোমোহা দৃশ্যও উপভোগ কৰিব পাৰিব।

ঠিকনা ঃ মাস্কাট, চুলতানেট অব ওমান।

*ফোন ঃ ৬৮৯৯৬৭২৭৮১*

# ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

# ডিব্ৰুগড়! ডিব্ৰুগড়!

## অসমৰ চাহ তেজে লিখা ইতিহাস



বিশ্বজিৎ বৰুৱা

**ব্ৰিটিছৰ** শাসন কালত কোৱা হৈছিল ঃ এজন ব্ৰিটিছ চাহাব অকলশৰীয়া, দুজন ব্ৰিটিছ গোট খালেই এটি ক্লাবৰ সৃষ্টি হয়, তিনিজন ব্ৰিটিছ একত্ৰ হ’লে তেওঁলোকে সাম্ৰাজ্যই পাতে। ইংৰাজীত কোৱা হয় ঃ A single Englishman is a lonely man, but two Englishmen would establish a club and three would build an empire.

অসমত এই এমুঠিমান ব্ৰিটিছে সৃষ্টি কৰিছিল এক বিশাল সাম্ৰাজ্য। এই সাম্ৰাজ্য হৈছে চাহ সাম্ৰাজ্য। অসমৰ ওখ, সাৰুৱা, বানপানীয়ে নোচোৱা লাখ লাখ হেক্টৰ মাটিত চাহ গছ ৰোপণ কৰি ব্ৰিটিছসকলে গঢ়ি তুলিছিল এই বিশাল সাম্ৰাজ্য, যি সাম্ৰাজ্যই আজি কেৱল দেশৰে নহয়, বৰঞ্চ বিশ্ব অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ অধ্যায়ত নিজৰ স্বৰ্ত অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈ আহিছে।

আমাৰ অসমীয়াৰ ঘৰৰ পিৰালি চুকতে লাগি আছে এই সাম্ৰাজ্য; কিন্তু আমি চাহ শিল্পৰ অতীত আৰু বৰ্তমানৰ বিষয়ে জানিবলৈ কিমান ইচ্ছুক? এই প্ৰশ্নৰে উত্তৰ বিচাৰি গৈছিলো আমি।

চাহৰ ইতিহাসৰ বিষয়ে ক’বলৈ গ’লে অসম বুৰঞ্জীৰ ১৭ শতিকাৰ পহিলা ভাগলৈ ঘূৰি যাব লাগিব। ১২২৮ খ্ৰীষ্টাব্দত ছ্যুকাফাই আহোম ৰাজত্ব প্ৰতিষ্ঠা কৰাৰ পাছত ১৬০৩ খ্ৰীষ্টাব্দলৈকে এক দীঘলীয়া সময় অসম বুৰঞ্জীত আহোম ৰাজ্যৰ প্ৰতিষ্ঠা আৰু বিস্তাৰৰ ইতিহাস বুলি অভিহিত কৰা হৈছে। ১৬০৩ খ্ৰীষ্টাব্দৰ পৰা ১৬৭৩ খ্ৰীষ্টাব্দলৈকে ক্ষুদ্ৰ ৰাজ্যসমূহৰ উত্থানৰ পৰা আদি কৰি মোগলৰ স’তে তুমুল সংঘৰ্ষৰ সময়। ১৬৭৩ খ্ৰীষ্টাব্দৰ পৰা ১৭৬৯ খ্ৰীষ্টাব্দলৈকে আহোম ৰাজত্বৰ শীৰ্ষকাল বুলি বুৰঞ্জীবিদসকলে অভিহিত কৰিছে। ১৭৬৯ খ্ৰীষ্টাব্দৰ পৰা ১৭৮০ খ্ৰীষ্টাব্দলৈকে বুৰঞ্জীৰ পাতত আহোম ৰাজত্বৰ বাবে কৰুণ সময় বুলি ক’ব পৰা যায়। এই সময়ছোৱাতে আহোম ৰাজত্বৰ অৱনতি আৰম্ভ হৈ অৱশেষত সম্পূৰ্ণৰূপে পতন হয়। ১৭৬৯ খ্ৰীষ্টাব্দৰ প্ৰথম মোৱামৰীয়া বিদ্ৰোহেই আহোম ৰাজত্বলৈ অশনি সংকেত কঢ়িয়াই আনিছিল; কিন্তু আশ্চৰ্যজনকভাৱে ৰজাঘৰে ইয়াৰ উমান নাপালে অথবা উমান ল’বলৈ চেষ্টা নকৰিলে, যাৰ ফলশ্ৰুতিত কেৱল আহোম ৰাজত্বৰে যে অৱসান হ’ল এনে নহয়, বৰঞ্চ ধনে-ধানে এখন উভৈনদী সাৰ্বভৌম দেশলৈ বিদেশী শক্তি প্ৰৱেশ কৰি সমগ্ৰ ৰাজ্যখন তচ-নচ কৰাৰ উপৰি মৰিশালি সদৃশ কৰি থৈ গ’ল, যি সময়ছোৱা গৌৰৱোজ্জ্বল অসম বুৰঞ্জীৰ কৰুণতম অধ্যায় হিচাপে পৰিগণিত হৈ ৰ’ল।



দেশলৈ অৰাজক অৱস্থা নামি অহাৰ উমান লাভ কৰিয়ে চুতীয়া বংশৰ প্ৰতিনিধি বুৰুক চুতীয়া ফৈদৰ মৰুৎ নন্দনৰ পুত্ৰ মেজেৰাই সৰ্বানন্দ সিংহ নাম গ্ৰহণ কৰি এখন নতুন ৰাজ্য প্ৰতিষ্ঠা কৰিলে। উত্তৰে ব্ৰহ্মপুত্ৰৰ পৰা দক্ষিণে বুঢ়ীদিহিঙলৈকে এক বিস্তৃত অংশত নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰি সৰ্বানন্দ সিংহই বৰ্তমানৰ তিনিচুকীয়াৰ ওচৰৰ বেংমৰাত নিজ ৰাজ্যৰ ৰাজধানী প্ৰতিষ্ঠা কৰে। ১৭১৮ খ্ৰীষ্টাব্দত নিজৰ নামৰ মোহৰ মৰাই সৰ্বানন্দই স্থাপন কৰা এই ৰাজ্যক মটক ৰাজ্য বুলি জনা যায়। মটক শব্দৰে আহোমসকলে মৰাণসকলক বুজাইছিল যদিও প্ৰচলিত অৰ্থত এক মতৰ মানুহসকলেই মটক বুলি পাছলৈ জনা গৈছিল।



মটক শব্দৰ প্ৰকৃত অৰ্থ শক্তিশালী বুলিও কিছু লোকে কয়। সৰ্বানন্দ সিংহ এজন বিদ্বান পুৰুষ আছিল। তেওঁ পৰাক্ৰমী, সাহসী আৰু প্ৰজাবৎসল আছিল। তেওঁৰ পুত্ৰ মাটিবৰো অতি সাহসী আৰু বীৰত্বসম্পন্ন পুৰুষ আছিল, যাক পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে বৰসেনাপতি বুলি সম্বোধন কৰিছিল। পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে কেপ্টেইন ৱেলচ্‌ৰ সহায়ত ভগাৰাজ্য বাটিছিল যদিও মটক ৰাজ্যক এক স্বায়ত্তশাসিত ৰাজ্য বুলি ঘোষণা কৰিছিল। সৰ্বানন্দ সিংহৰ মৃত্যুৰ পাছত ১৮০২ খ্ৰীষ্টাব্দৰ পৰা ১৮২৫ খ্ৰীষ্টাব্দলৈকে মাটিবৰ সিংহাসনত বহি ৰাজ্য সু-পৰিচালনা কৰিছিল যদিও ১৮২৬ৰ ২৪ ফেব্ৰুৱাৰীত স্বাক্ষৰিত ইয়াণ্ডাবু সন্ধিয়ে সমগ্ৰ অসমৰ ৰাজনৈতিক দৃশ্যপট সলনি কৰি পেলায়। সময়ৰ লেখেৰে মাত্ৰ কেইটামান মাহৰ ভিতৰতে সমগ্ৰ অসম জুৰি ঔপনিৱেশিক শক্তিয়ে ভৈয়ামৰ পৰা পৰ্বতৰ টিঙলৈকে, উপত্যকাৰ পৰা পাহাৰলৈকে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলকেই নিজৰ আয়ত্তাধীন কৰিবলৈ সক্ষম হয়। সেয়া এক বেলেগ অধ্যায়।

১৮৩৯ৰ পহিলা জানুৱাৰীৰ মাজনিশা মাটিবৰ সেনাপতিৰ মৃত্যু হোৱাৰ কেইদিনমান আগেয়ে তেওঁ ব্ৰিটিছৰাজক মাজুগোহাঁই ভগীৰথক মটক ৰাজ্য অৰ্পণ কৰিবলৈ অনুৰোধ জনাইছিল যদিও কোম্পানী চৰকাৰে ভগীৰথ আৰু মাটিবৰৰ অন্যান্য পুত্ৰসকলক মটক ৰাজ্যৰ কেৱল নামনি অংশহে ভোগ কৰিবলৈ দিব বুলি সিদ্ধান্ত জনাই দিছিল। কোম্পানী চৰকাৰৰ এই সিদ্ধান্তক মাজুগোহাঁয়ে প্ৰত্যাহ্বান জনোৱাত ১৮৩৯ৰ ২০ নৱেম্বৰত কোম্পানীয়ে এখন চাৰ্কুলাৰ জাৰি কৰি সমগ্ৰ মটক ৰাজ্য ব্ৰিটিছ ৰাজত্বৰ অধীন বুলি ঘোষণা কৰে। ১৮৪০ৰ পহিলা ভাগত মাটিবৰ সেনাপতিৰ পুত্ৰসকলক এক প্ৰকাৰ গ্ৰেপ্তাৰ কৰি নি গুৱাহাটীত সংস্থাপন দিয়েগৈ আৰু সমগ্ৰ মটক ৰাজ্য ব্ৰিটিছে নিজৰ অধীন কৰি লয়। মটক ৰাজ্য এনেদৰে ইমান তৎকালীনভাৱে ব্ৰিটিছে নিজৰ অধীন কৰি লোৱাৰ মূল কাৰণ আছিল এই ৰাজ্যৰ উজনি খণ্ডৰ মাটিখিনি চাহ খেতিৰ বাবে অত্যন্ত সাৰুৱা বুলি চীনা চাহ বিশেষজ্ঞসকলৰ পৰা ব্ৰিটিছে জানিব পাৰিছিল।

১৮২৬ৰ ২৪ ফেব্ৰুৱাৰী, অৰ্থাৎ ইয়াণ্ডাবু সন্ধি স্বাক্ষৰৰ মুহূৰ্তৰ পৰাই বেংমৰা ৰাজ্যত হৈ থকা এইখন নাটকৰ লগে লগে আহোম ৰাজ্যতো পৰাক্ৰমী ব্ৰিটিছ ৰাজে অত্যন্ত কৌশলপূৰ্ণভাৱে অতি দক্ষতাৰে পৰিচালনা কৰিছিল অন্য এখন নাটক। এইখন নাটকৰ দৃশ্যপটলৈ যোৱাৰ আগেয়ে আমি ইয়াণ্ডাবু সন্ধি স্বাক্ষৰৰ মুহূৰ্তসমূহৰ কথাও কৈ লোৱা যুগুত হ’ব।

১৮২২ খ্ৰীষ্টাব্দৰ ১৯ এপ্ৰিলৰ মহগড় যুদ্ধ আৰু ২১ জুনৰ হাদিৰাচকীৰ যুদ্ধত স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ পৰাজয় আৰু স্বৰ্গদেউৰ ইংৰাজ শাসিত গোৱালপাৰা ৰাজ্যলৈ পলায়নৰ মুহূৰ্ততে সুদীৰ্ঘ ছশ বছৰীয়া আহোম ৰাজত্বৰ অৱসান হ’ল বুলি ক’ব পৰা যায়। ১৮২১ খ্ৰীষ্টাব্দৰ মাৰ্চত ব্ৰহ্মদেশৰ ৰজা বাগীদোৱাৰ আশিস লৈ বিপুল সংখ্যক সেনাৰ বাহিনী লৈ সেনাপতি মিংগিমাহা তিলোৱাই অসমৰ জনগণৰ ওপৰত তীব্ৰ নিৰ্যাতনৰ সূচনা কৰি এপিনৰ পৰা দেশখন অধিকাৰ কৰি নি গোৱালপাৰাৰ সীমা পৰ্যন্ত ব্ৰহ্মদেশৰ ভিতৰুৱা কৰি ল’বলৈ সক্ষম হ’ল। কেৱল সেয়াই নহয়, মানসেনাই মণিপুৰৰ ৰাজবংশৰ আভ্যন্তৰীণ কন্দলৰ সুযোগ লৈ মণিপুৰো দখল কৰি ব্ৰিটিছৰ সাহায্যপ্ৰাপ্ত কাছাৰ ৰাজ্যত আক্ৰমণ কৰিবলৈ আগবঢ়াত ব্ৰিটিছ সিংহ সাৰ পালে। জাতিংগা নদীৰ পাৰ পৰ্যন্ত আগবাঢ়ি অহি মানসেনাই ব্ৰিটিছক ফেপেৰি পাতি ধৰিছিল যদিও এই যুদ্ধত মানসেনা হাৰি পলাই পত্ৰং দিয়ে যদিও কিছুদিনৰ পাছতে মণিপুৰ-কাছাৰ আদিত সামৰিক ঘাটি পতাৰ খবৰ লাভ কৰি উঃপূঃ সীমান্ত অঞ্চলত থকা কোম্পানীৰ প্ৰতিনিধি ডেভিদ স্কটে মানসেনাৰ যুদ্ধংদেহি মনোভাৱৰ বিষয়ে কোম্পানী বাহাদুৰক অৱগত কৰিলে। পাঁচ মাৰ্চ, ১৮২৪ত সেই সময়ৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড আৰ্মহাৰ্ষ্টে ব্ৰহ্মদেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে।

ড° তচদ্দুক আমানুল হুছেইনৰ দ্বাৰা সংকলিত অসম বুৰঞ্জীৰ তথ্য অনুযায়ী— ‘ব্ৰিটিছ সৈন্যবাহিনীয়ে তিনিটা দিশৰ পৰা ব্ৰহ্মদেশ আৰু ইয়াৰ অধীনস্থ অঞ্চলসমূহ আক্ৰমণ কৰিবলৈ আঁচনি ল’লে। অসমৰ পৰা মানসকলক বিতাড়ন কৰিবৰ বাবে আহিব লগা নৌ আৰু স্থল বাহিনীটোৰ দায়িত্বত থাকিল লেঃ কৰ্ণেল জৰ্জ মেকমোৰেইন। চট্টগ্ৰাম আৰু চিলেটৰ পৰা মণিপুৰ জয়ন্তীয়া আৰু আৰাকানৰ ফালে অগ্ৰসৰ হ’ব লগা ব্ৰিটিছ বাহিনীৰ দায়িত্বত থাকিল ডেভিদ স্কট। ব্ৰহ্মৰাজৰ অধীনস্থ সাগৰীয় বাণিজ্যিক কেন্দ্ৰবোৰ অধিকাৰ কৰি ইৰাৱতী নদীয়েদি ব্ৰহ্মদেশৰ ৰাজধানী আভা পৰ্যন্ত আগবাঢ়িব লগা বাহিনীৰ নেতৃত্ব দিয়া হ’ল ছাৰ আৰ্কিবল্ড কেম্পবেলক। ১৩ মাৰ্চ, ১৮২৪ খ্ৰীষ্টাব্দত জৰ্জ মেকমোৰেইনৰ নেতৃত্বত ব্ৰিটিছ বাহিনী গোৱালপাৰাৰ পৰা গুৱাহাটী অভিমুখে আগবাঢ়ি আহিল। ব্ৰহ্মপুত্ৰইদি আগবাঢ়ি অহা ব্ৰিটিছ নৌবাহিনীৰ নেতৃত্বত আছিল কৰ্ণেল আৰ্থাৰ ৰিচাৰ্ড। ব্ৰিটিছ বাহিনীক প্ৰতিহত কৰিবলৈ মানসেনাই চলোৱা প্ৰচেষ্টা ব্যৰ্থ হ’ল আৰু ২৮ মাৰ্চত ব্ৰিটিছে গুৱাহাটী অধিকাৰ কৰিলে। মানসেনাই উজনিৰ ফালে ম’ৰামুখলৈ হোঁহকি গ’ল। ইয়াৰ পাছতে বাৰিষা আৰম্ভ হোৱাত ব্ৰিটিছ বাহিনীটো গুৱাহাটীতে কিছুদিন থাকিল। ৩০ তাৰিখত কলেৰা ৰোগত আক্ৰান্ত হৈ জৰ্জ মেকমোৰেইনৰ মৃত্যু হোৱাত লেঃ কৰ্ণেল আৰ্থাৰ ৰিচাৰ্ডে ব্ৰিটিছ বাহিনীৰ দায়িত্ব গ্ৰহণ কৰিলে। ইতিমধ্যে ডেভিদ স্কটেও কাছাৰ আৰু জয়ন্তীয়া ৰাজ্যৰ মাজেৰে আগবাঢ়ি আহি নগাঁও-ৰহা আৰু কলিয়াবৰ অধিকাৰ কৰিলে। ইয়াৰ পাছত তেওঁ কেপ্টেইন হৰ্চবাৰ্গৰ নেতৃত্বত এক ক্ষুদ্ৰ সৈন্যদল নগাঁৱত ৰাখি গুৱাহাটীলৈ ঘূৰি গ’ল।

বাৰিষা কালৰ অন্ত পৰাত ব্ৰিটিছ বাহিনী উজনি অসম অভিমুখে কলং আৰু ব্ৰহ্মপুত্ৰ নদীয়েদি আগুৱাই আহিল। ১৮২৫ খ্ৰীষ্টাব্দৰ জানুৱাৰীৰ প্ৰথম ভাগতে ব্ৰিটিছ সেনাই ম’ৰামুখ অধিকাৰ কৰাত মানসেনা যোৰহাটলৈ হোঁহকি যায়। তেনেতে মান সেনানায়ক দুজনৰ মাজত মতবিৰোধ ঘটাত ১৭ জানুৱাৰীত সহজেই ইংৰাজ সৈন্যই যোৰহাট অধিকাৰ কৰিলে। গৌৰীসাগৰ আৰু নামদাঙত হোৱা দুখন যুদ্ধত ব্ৰিটিছ বাহিনীৰ হাতত শোচনীয়ভাৱে মানসেনাৰ পৰাজয় ঘটিল। ২৯ জানুৱাৰীত ৰংপুৰ ব্ৰিটিছৰ হাতত পৰিল। ভৱিষ্যৎ শান্তিৰ প্ৰতিশ্ৰুতি দি মানসেনা স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰিলে। (আগলৈ)

*ফোন ঃ ৯৪৩৫০২৮০০৮*



## আমেৰিকাত দীপাৱলী পালনৰ প্ৰতিযোগিতা, বাইডেনৰ পূৰ্বে আতচবাজী কৰিব ট্ৰাম্পে

**নিউজ ব্যুৰ', ৰাশ্বিংটন, ১২ অক্টোবৰ ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন অহা ২৪ অক্টোবৰত হোৱাইট হাউছত ভাৰতীয় পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰিব। ইফালে, দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে নিজৰ ফ্ল'ৰিডাস্থিত মাৰ-এ-লাগ' ৰিজ'ৰ্টত অহা ২১ অক্টোবৰত পালন কৰিব দীপাৱলী। বাইডেনে আমেৰিকাত বসবাস কৰা ভাৰতীয় মূলৰ প্ৰতিনিধিৰ স'তে হোৱাইট হাউছত দীপাৱলীৰ আয়োজন কৰিছে। বাইডেনৰ পত্নী জিল বাইডেনেও এই অনুষ্ঠানত অংশ ল'ব। ৰিপাব্লিকান হিন্দু মৰ্চাই ঘোষণা কৰা অনুসৰি প্ৰাক্তন ৰাষ্ট্ৰপতি ট্ৰাম্পে দলৰ সদস্যৰ লগতে ভাৰতীয় মূলৰ মাৰ্কিন নেতাৰ স'তে ২১ অক্টোবৰত ফ্ল'ৰিডাত নিজৰ ৰিজ'ৰ্টত দীপাৱলী পালন কৰিব। ট্ৰাম্পে আতচবাজীৰো আয়োজন কৰিছে।

## হঠাতে জুকাৰবাৰ্গৰ ফে'চবুকৰ অনুৰাগীৰ সংখ্যা ১১.৯ কোটি হ্ৰাস পালে



নিউজ ব্যুৰ', ৰাশ্বিংটন, ১২ অক্টোবৰ ঃ মেটা দ্বাৰা সঞ্চালিত ফে'চবুকৰ বহু একাউণ্ট ধাৰকৰ হঠাতে অজ্ঞাত কাৰণত বৃহৎসংখ্যক ফল'ৱাৰ অৰ্থাৎ বন্ধু বা অনুৰাগী হ্ৰাস পালে। কে'বাজনো তাৰকাই এই সন্দৰ্ভত ইতিমধ্যে অভিযোগ কৰিছে। স্বয়ং মেটাৰ প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী বিষয়া মাৰ্ক জুকাৰবাৰ্গৰো হঠাতে ১১.৯ কোটিৰো অধিক ফল'ৱাৰ হ্ৰাস পালে। ফলত জুকাৰবাৰ্গৰ আজি ফে'চবুকত ফল'ৱাৰৰ সংখ্যা হ'ল ১০,০০০ ৰো কম। স্বনিৰ্বাসিত বাংলাদেশী লেখিকা তছলিমা নাছৰিনে আজি টুইট কৰি কয়, 'ফে'চবুকে এক ছুনামিৰ সৃষ্টি কৰিছে, যাৰ ফলত মোৰ প্ৰায় ন লাখ ফল'ৱাৰ নোহোৱা হ'ল। এতিয়া মাত্ৰ ৯,০০০ ফল'ৱাৰ আছে। ফে'চবুকৰ এই কমেডী মোৰ ভাল লাগিছে।' ইফালে, মেটাৰ মুখপাত্ৰই আজি এই সন্দৰ্ভত মন্তব্য কৰি কয় যে অচিৰে সমস্যাটোৰ সমাধানৰ উপায় অৱলম্বন কৰা হ'ব।

## বাইডেনৰ দলক বৰ্ণবাদী আখ্যাৰে ডেম'ক্ৰেটিক পাৰ্টি ত্যাগ তুলসী গাবাৰ্ডৰ



**নিউজ ব্যুৰ', ৰাশ্বিংটন, ১২ অক্টোবৰ ঃ** আমেৰিকাৰ জ' বাইডেন চৰকাৰক কঠোৰ সমালোচনা কৰি দলত্যাগ কৰিলে ডেম'ক্ৰেটিক পাৰ্টিৰ ২০ বছৰীয়া পুৰণি সদস্য তুলসী গাবাৰ্ডে। উল্লেখ্য যে তুলসী হৈছে প্ৰথমগৰাকী হিন্দু মাৰ্কিন নাগৰিক যি ২০২০ত বাইডেনৰ স'তে আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ পদপ্ৰাৰ্থীৰ দৌৰত অংশ লৈছিল। দলত্যাগৰ পূৰ্বে তুলসীয়ে বাইডেন চৰকাৰৰ বিৰুদ্ধে অভিযোগ কৰি কয় যে আমেৰিকাৰ বৰ্তমানৰ চৰকাৰখনে বৰ্ণ বিচাৰ কৰি কাম-কাজ কৰিছে। শ্বেতাংগ বিৰোধী প্ৰতিবাদ আৰু বিক্ষোভক বাইডেন চৰকাৰে ইন্ধন যোগোৱা বুলিও তুলসীয়ে অভিযোগ কৰে। আমেৰিকাত বাইডেন চৰকাৰ ক্ষমতাত থাকিলে অতি শীঘ্ৰে দেশখনে পৰমাণু যুদ্ধৰ দিশত অগ্ৰসৰ হ'ব বুলিও তুলসীয়ে মন্তব্য কৰিছে।

## দেশৰ অভয়াৰণ্যত এবছৰত ৫০ ৰো অধিক বাঘৰ মৃত্যু



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ অক্টোবৰ ঃ** এবছৰত ভাৰতৰ অভয়াৰণ্যত মৃত্যু হ'ল ৫০ টাৰো অধিক বাঘৰ। পৰিসংখ্যা অনুসৰি, বিগত এবছৰত দেশত মুঠ ৮৫ টা বাঘৰ মৃত্যু হ'ল আৰু ইয়াৰে ৫০ টাৰো অধিক বাঘৰ মৃত্যু অভয়াৰণ্যৰ ভিতৰত হৈছিল। যোৱা মাহত দেশৰ অভয়াৰণ্যত দুটাকৈ বাঘৰ মৃত্যু হৈছিল। এই দুয়োটা বাঘ মধ্য প্ৰদেশৰ অভয়াৰণ্যত আছিল।

## জুকাৰবাৰ্গৰ 'মেটা'ক সন্ত্ৰাসবাদী সংগঠন ঘোষণা ৰাছিয়াৰ



**নিউজ ব্যুৰ', মস্কো, ১২ অক্টোবৰ ঃ** সামাজিক মাধ্যমত জনপ্ৰিয়তাৰ শীৰ্ষত থকা মাৰ্ক জুকাৰবাৰ্গৰ সংস্থা 'মেটা' অৰ্থাৎ 'ফে'চবুক'ক সন্ত্ৰাসবাদী সংগঠন ঘোষণা কৰিলে ৰাছিয়াই। সম্প্ৰতি প্ৰকাশিত এক প্ৰতিবেদনত এই চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিল। যোৱা মাৰ্চত ৰাছিয়াৰ প্ৰশাসনে একাধিক সামাজিক মাধ্যম ব্লক কৰিছিল আৰু ইয়াৰ মাজত আছিল ফে'চবুক (বৰ্তমানে মেটা), ইনষ্টাগ্ৰাম আৰু টুইটাৰ। এইবাৰ মস্কোৰ এখন আদালতে জুকাৰবাৰ্গৰ ফে'চবুক চৰমপন্থী কাৰ্যকলাপত জড়িত বুলি অভিযোগ উত্থাপন কৰিলে। ইউক্ৰেইন যুদ্ধৰ সময়ত ৰাছিয়াৰ বিৰুদ্ধে নেতিবাচক মনোভাৱ সৃষ্টিৰ বাবে মেটাৰ দৰে সামাজিক মাধ্যমে অপচেষ্টা চলোৱা বুলিও মস্কোৱে অভিযোগ কৰিছে।



## মাজ সমুদ্ৰত ভাঙি পৰিল নৌসেনাৰ মিগ বিমান, কথমপি প্ৰাণৰক্ষা বৈমানিকৰ

**নিউজ ব্যুৰ' পানাজি, ১২ অক্টোবৰ ঃ** আজি এক ৰুটিন উৰণৰ সময়তে ভাৰতীয় নৌসেনাৰ এখন মিগ-২৯ কে যুঁজাৰু বিমান গোৱা উপকূলৰ পৰা কিছু দূৰত মাজ সমুদ্ৰত ভাঙি পৰে। উৰণ সমাপ্ত কৰি নৌসেনাৰ ঘাটিলৈ উভতি অহাৰ সময়তে হঠাতে মিগ বিমানখন ধ্বংস হ'ল। প্ৰযুক্তিগত ত্ৰুটিৰ কাৰণতে বিমানখন ভাঙি পৰা বুলি নৌসেনাৰ মুখপাত্ৰই জানিবলৈ দিয়ে। বিমানত বিজুতি প্ৰত্যক্ষ কৰাৰ লগে লগে বিমানখনত থকা বৈমানিকে বিমানৰ পৰা জাঁপ মাৰি দিছিল আৰু তেওঁক লগে লগে উদ্ধাৰ কৰা হয়। বৰ্তমানে বৈমানিকৰ স্বাস্থ্যৰ অৱস্থা স্থিতিশীল বুলি নৌসেনাৰ মুখপাত্ৰই প্ৰকাশ কৰিছে।

### যুদ্ধৰ মাজতে ইউক্ৰেইনক পাৰমাণৱিক আক্ৰমণৰ ভাবুকি পুনৰ দিলে ৰুছ বৈদেশিক মন্ত্ৰীয়ে

# আমি আত্মৰক্ষাৰ বাবে পৰমাণু অস্ত্ৰ প্ৰয়োগ কৰিম ঃ ৰাছিয়া

**নিউজ ব্যুৰ' মস্কো, ১২ অক্টোবৰ ঃ** ৰুছ-ইউক্ৰেইন যুদ্ধৰ মাজতে ইউক্ৰেইনক আকৌ এবাৰ পাৰমাণৱিক আক্ৰমণৰ ভাবুকি দিলে মস্কোৱে। ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছাৰ্গেই লাভৰ'ভে যোৱা নিশা কয়, 'আমাৰ পাৰমাণৱিক আক্ৰমণৰ কোনো অভিপ্ৰায় নাই। কিন্তু যদিহে আমাক আক্ৰমণ কৰা হয়, তেন্তে আত্মৰক্ষাৰ কাৰণত আমি পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰ কৰিবলৈ বাধ্য হম।' এক সাক্ষাৎকাৰত ৰুছ বৈদেশিক মন্ত্ৰীজনে অভিযোগ কৰি কয় যে আমেৰিকা আৰু অন্যান্য পশ্চিম বিশ্বৰ দেশে ৰাছিয়াৰ বিৰুদ্ধে পাৰমাণৱিক আক্ৰমণৰ ভুৱা বাতৰি প্ৰচাৰ কৰিছে। ইফালে, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে কেইদিনমান পূৰ্বে পশ্চিমৰ দেশৰ বিৰুদ্ধে 'পাৰমাণৱিক ব্লেকমেইল'ৰ অভিযোগ উত্থাপন কৰি কৈছিল যে উত্তৰ আটলাণ্টিক চুক্তি সংস্থা



(নাটো)ৰ একাংশ বৃহৎ নেতাই ৰাছিয়াৰ বিৰুদ্ধে পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰৰ ভাবুকি দিছে। সেই সময়ত পুটিনে কৈছিল যে যদিহে পশ্চিম বিশ্বৰ দেশে ৰাছিয়াক পাৰমাণৱিক অস্ত্ৰৰে আক্ৰমণ কৰে, তেতিয়া মস্কোৱেও ইয়াৰ প্ৰত্যুত্তৰ আণৱিক অস্ত্ৰৰে দিব। উল্লেখ্য যে ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ আৰম্ভ কৰাৰ সময়ৰ পৰাই কীভক পাৰমাণৱিক যুদ্ধাস্ত্ৰ প্ৰয়োগৰ ভাবুকি দি আহিছে।



## বাংকাৰত মজুত খাদ্য-পানী, পাৰমাণৱিক আক্ৰমণৰ সন্মুখীন হ'বলৈ সাজু ইউক্ৰেইনবাসী

**নিউজ ব্যুৰ', কীভ, ১২ অক্টোবৰ ঃ** ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ ২২৯ সংখ্যক দিনত ৰাছিয়াই ইউক্ৰেইনৰ ৰাজধানী কীভত ভয়াৱহ ক্ষেপণাস্ত্ৰ আক্ৰমণ চলোৱাৰ পাছত দেশজুৰি এতিয়া ৰুছ পাৰমাণৱিক আক্ৰমণৰ ত্ৰাসে দেখা দিছে। ৰাছিয়াই ইতিমধ্যে ভাবুকি দি কৈছে যে আত্মৰক্ষাৰ বাবে মস্কোৱে যিকোনো মুহূৰ্ততে ইউক্ৰেইনৰ বিৰুদ্ধে পাৰমাণৱিক যুদ্ধাস্ত্ৰ ব্যৱহাৰ কৰিব পাৰে। সম্ভাৱ্য পাৰমাণৱিক যুদ্ধৰ বাবে ইতিমধ্যে সাজু হৈছে ইউক্ৰেইনৰ সেনা আৰু দেশবাসী। কীভৰ বহু বাসিন্দাই সম্প্ৰতি পাৰমাণৱিক যুদ্ধত ৰক্ষা লাভৰ বাবে নিজাববীয়া বাংকাৰ তথা আণ্ডাৰগ্ৰাউণ্ড কোঠা নিৰ্মাণ কৰিছে। মাটিৰ পৰা চাৰে ছয় ফুট তলত তৈয়াৰ কৰা হৈছে এনে বিশেষ কোঠা। এই কোঠাত প্ৰৱেশৰ বাবে আছে জখলাৰ ব্যৱস্থা। পৰিত্যক্ত কুঁৱাকো একাংশ লোকে সম্ভাৱ্য পাৰমাণৱিক যুদ্ধত আশ্ৰয় গ্ৰহণৰ বাবে বাংকাৰৰ ৰূপত তৈয়াৰ কৰি লৈছে। একাংশ লোকে যুদ্ধৰ শংকাত ইমানে ভুগিছে যে বাংকাৰত ইতিমধ্যে পানীৰ বটল, পেকেটৰ খাদ্য, ৰেডিঅ', পাৱাৰ বেংক ইত্যাদি মজুত ৰাখিছে। ইউক্ৰেইনবাসীয়ে পাৰমাণৱিক যুদ্ধৰ শংকাত দেশ ত্যাগো কৰিছে। এদিনতে কীভত ৮৩ টা ক্ষেপণাস্ত্ৰৰে ৰুছ সেনাই আক্ৰমণ চলোৱাৰ পাছত এতিয়া দেশ ত্যাগৰ প্ৰৱণতা ইউক্ৰেইনবাসীৰ মাজত বৃদ্ধি পাইছে।

## বৈদ্যুতিক গাড়ীৰ পাছত পাৰফিউম বিক্ৰী কৰিব এলন মাস্কে



**নিউজ ব্যুৰ', টেক্সাছ, ১২ অক্টোবৰ ঃ** সাম্প্ৰতিক বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে স্বীকৃত এলন মাস্কে এইবাৰ আৰম্ভ কৰিব পাৰফিউম অৰ্থাৎ সুগন্ধিৰ ব্যৱসায়। মাস্কে বৈদ্যুতিক গাড়ী নিৰ্মাণ প্ৰতিষ্ঠান টেছলা আৰু মহাকাশ গৱেষণা প্ৰতিষ্ঠান স্পেচএক্স প্ৰতিষ্ঠা কৰাৰ পাছত এইবাৰ এক নতুন ব্যৱসায় আৰম্ভ কৰাৰ বাবে সাজু হৈছে। দ্য বৰিংগ নামৰ কোম্পানীৰ জৰিয়তে মাস্কে ইতিমধ্যে 'বৰ্ণ্টে হেয়াৰ' নামৰে এবিধ পাৰফিউম মুকলি কৰিছে। ইতিমধ্যে টুইটাৰত আত্মপৰিচয়তো মাস্কে 'পাৰফিউম ছেল্ছমেন' বুলি সংযোজিত কৰিছে। মাস্কৰ প্ৰতিষ্ঠানে তৈয়াৰ কৰা এই পাৰফিউমৰ মূল্য হৈছে ১০০ ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ৮২০০ টকা। এই পাৰফিউম ক্ৰিপ্ট'কাৰেন্সীৰ জৰিয়তেও ক্ৰয় কৰিব পাৰি। মাস্কে টুইটাৰত প্ৰকাশ কৰা অনুসৰি ইতিমধ্যে এইবিধ পাৰফিউমৰ ১০,০০০ বটল বিক্ৰী হৈছে।

## মুঠ ২৬ বছৰৰ কাৰাদণ্ড ম্যানমাৰৰ নেত্ৰী ছ্যু কীক



**নিউজ ব্যুৰ', য়াংগুন, ১২ অক্টোবৰ ঃ** দুৰ্নীতিৰ আন এটা গোচৰত দোষী সাব্যস্ত হ'ল ম্যানমাৰৰ অপসাৰিত গণতান্ত্ৰিক নেত্ৰী আং চান ছ্যু কী। আজি দেশখনৰ এখন আদালতে ম্যানমাৰৰ কাৰাবন্দী নেত্ৰীগৰাকীক এক গোচৰত তিনি বছৰৰ কাৰাদণ্ডৰ ৰায় দিলে। এই ৰায়ৰ ফলত ছ্যু কীৰ মুঠ কাৰাদণ্ডৰ ম্যাদ ২৬ বছৰলৈ বৃদ্ধি পালে। গণতন্ত্ৰ সমৰ্থকে দাবী কৰা অনুসৰি, ছ্যু কীক ৰাজনীতিৰ পৰা আঁতৰাই ৰাখিবলৈ জুণ্টা চৰকাৰে এইদৰে তেওঁক কাৰাবন্দী কৰি ৰখাৰ ষড়যন্ত্ৰ ৰচিছে। পূৰ্বে ছ্যু কীক ১২ টা গোচৰত দোষী সাব্যস্ত কৰি জুণ্টা আদালতে মুঠ ২৩ বছৰৰ কাৰাদণ্ডৰ ৰায় দিছিল।

## শিৱসেনাৰ শিণ্ডেৰ দলে লাভ কৰিলে নতুন প্ৰতীক

**নিউজ ব্যুৰ', মুম্বাই, ১২ অক্টোবৰ ঃ** ভাৰতীয় নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰৰ শিৱসেনাৰ দুই গোটক পৃথক দলীয় প্ৰতীক প্ৰদান কৰিলে। এদিন পূৰ্বে আয়োগে উদ্ধৱ থাকৰেৰ নেতৃত্বাধীন শিৱসেনা গোটক জোঁৰৰ প্ৰতীক মঞ্জুৰ কৰিছিল। আজি আয়োগে একনাথ শিণ্ডে নেতৃত্বাধীন শাসকীয় শিৱসেনাৰ গোটক নতুন দলীয় প্ৰতীক হিচাপে দুখন তৰোৱাল আৰু ঢালক অনুমোদন জনালে। উল্লেখ্য যে নিৰ্বাচন আয়োগে শিৱসেনাৰ দুয়োটা গোটক পূৰ্বৰ দলীয় প্ৰতীক তীৰ আৰু ধেনুৰ ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰিছিল।



## থাৰুৰ সভাপতি হ'লে কংগ্ৰেছলৈ কি পৰিৱৰ্তন আনিব?



**নিউজ ব্যুৰ' নতুন দিল্লী, ১২ অক্টোবৰ ঃ** কংগ্ৰেছৰ সভাপতি পদৰ নিৰ্বাচনলৈ মাজত পাঁচদিন বাকী আছে। ইতিমধ্যে সভাপতি পদৰ দুই প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী মল্লিকাৰ্জুন খাৰ্গে আৰু শশী থাৰুৰে নিজৰ প্ৰচাৰ ব্যাপক কৰি তুলিছে। আজি থাৰুৰে নিজৰ প্ৰচাৰ চলাই কয় যে যদি তেওঁ কংগ্ৰেছৰ মুৰব্বী নিৰ্বাচিত হয়, তেন্তে দলৰ বৰ্তমানৰ সংবিধান সম্পূৰ্ণৰূপে বলৱৎ কৰিব আৰু চিডব্লিউচিৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ লগতে সংসদীয় ব'ৰ্ডৰো পুনৰ গঠন কৰিব। থাৰুৰে লগতে কয় যে কংগ্ৰেছৰ সভাপতি পদৰ এই নিৰ্বাচন হৈছে দলৰ গণতন্ত্ৰক আগুৱাই নিয়াৰ প্ৰথম পদক্ষেপ। ২৫ বছৰ ধৰি নিষ্ক্ৰিয় হৈ থকা সংসদীয় ব'ৰ্ডৰ সালসলনিও অতি জৰুৰী বুলি থাৰুৰে মতপ্ৰকাশ কৰে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ এক সাক্ষাৎকাৰত কংগ্ৰেছ সভাপতি পদৰ প্ৰাৰ্থীজনে কয় যে কংগ্ৰেছে ক্ষমতাৰ বিকেন্দ্ৰিকৰণ কৰা উচিত আৰু দলক তৃণমূল পৰ্যায়ৰ পৰা শক্তিশালী কৰা জৰুৰী। থাৰুৰে প্ৰতিশ্ৰুতি দি কয় যে সভাপতিৰ দায়িত্ব লাভ কৰিলে তেওঁ উদয়পুৰ ঘোষণাৱলী সম্পূৰ্ণৰূপে ৰূপায়ণ কৰিব। উল্লেখ্য যে চলিত বৰ্ষৰ আৰম্ভণিতে কংগ্ৰেছৰ চিন্তন শিবিৰত সৰ্বসন্মতিক্ৰমে উদয়পুৰত কিছু সিদ্ধান্ত দলে গ্ৰহণ কৰিছিল।

## ছোনিয়াই মোক থিয় কৰোৱা নাই, এয়া গুজৱ ঃ পূৰ্বৰ মন্তব্য অস্বীকাৰ কৰি ক'লে খাৰ্গেয়ে

**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ অক্টোবৰ ঃ** কংগ্ৰেছ সভাপতিৰ নিৰ্বাচনত মল্লিকাৰ্জুন খাৰ্গেৰ নাম প্ৰস্তাৱ কৰা নাই দলৰ সভানেত্ৰী ছোনিয়া গান্ধীয়ে। দলৰ অন্তৰ্বৰ্তীকালীন সভাপতি হিচাপে তেওঁক সমৰ্থন জনোৱাৰো কোনো প্ৰতিশ্ৰুতি দিয়া নাই ছোনিয়াই। এইদৰে আজি দাবী কৰিলে কংগ্ৰেছ সভাপতি পদৰ অন্যতম প্ৰাৰ্থী তথা দলৰ জ্যেষ্ঠ নেতা মল্লিকাৰ্জুন খাৰ্গেয়ে। সভাপতি পদৰ প্ৰাৰ্থীজনে কয়, 'এটা গুজৱ প্ৰচাৰ হৈছে যে ছোনিয়াই দলৰ সভাপতি হিচাপে মোৰ নাম প্ৰস্তাৱ কৰিছে। মই কেতিয়াও এই ধৰণৰ কোনো দাবী কৰা নাই। তেওঁ (ছোনিয়া) মোক স্পষ্টভাৱে জনাইছিল যে গান্ধী পৰিয়ালৰ কোনেও সভাপতি নিৰ্বাচনত অংশগ্ৰহণ নকৰে আৰু কোনো প্ৰাৰ্থীকো সমৰ্থন নকৰিব। দলৰ ভাবমূৰ্তি নষ্ট কৰিবলৈ কোনোবাই এনে অপপ্ৰচাৰ চলাইছে।'



## বিশ্বৰ শীৰ্ষ ৩০০ উচ্চ শিক্ষানুষ্ঠানৰ তালিকাত অন্তৰ্ভুক্ত ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছায়েন্স বাংগালুৰু

**নিউজ ব্যুৰ', বাংগালুৰু, ১২ অক্টোবৰ ঃ** ৱ'ৰ্ল্ড ইউনিভাৰচিটি ৰেংকিং তালিকাত বিশ্বৰ শীৰ্ষ ৩০০ খন বিশ্ববিদ্যালয়ৰ এখন ভাৰতীয় উচ্চ শিক্ষানুষ্ঠান হিচাপে অন্তৰ্ভুক্ত হ'ল ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছায়েন্স, বাংগালুৰু। আনহাতে, ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকন'লজি, ৰূপোড়, ইণ্টাৰনেচনেল ইনষ্টিটিউট অৱ ইনফ'ৰমেচন টেকন'লজি, হায়দৰাবাদ আৰু জামিয়া মিলিয়া ইছলামিয়াই



বিশ্বৰ শীৰ্ষ ৬০০ বিশ্ববিদ্যালয়ৰ তালিকাত স্থান লাভ কৰিলে। অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ে একেৰাহে সপ্তমবৰ্ষৰ বাবে বিশ্বৰ শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ৰ তালিকাখনত প্ৰথম স্থান নিজৰ দখলত ৰাখিলে। এইবাৰ এই তালিকাত বিশ্বৰ ১০৪ খন দেশৰ ১,৭৯৯ খন বিশ্ববিদ্যালয়ক স্থানভুক্ত কৰা হ'ল। যোৱা বছৰৰ তুলনাত তালিকাত স্থান লাভ কৰা বিশ্ববিদ্যালয়ৰ সংখ্যা ১৩৭ খন বৃদ্ধি পালে।

## ছাজিদক 'বিগ বছ'ৰ পৰা বহিষ্কাৰৰ দাবী কৰা স্বাতীক ধৰ্ষণৰ ভাবুকি

**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ অক্টোবৰ ঃ** দিল্লী মহিলা আয়োগৰ অধ্যক্ষা স্বাতী মালিৱালে ইনষ্টাগ্ৰামত লাভ কৰিলে ধৰ্ষণৰ ভাবুকি। স্বাতীয়ে দাবী কৰা অনুসৰি, দুটা পৃথক ইনষ্টাগ্ৰাম একাউণ্টৰ জৰিয়তে তেওঁ ধৰ্ষণৰ ভাবুকি লাভ কৰিছে। দিল্লী মহিলা আয়োগৰ মুৰব্বীয়ে লগতে দাবী কৰি কয় যে অলপতে তেওঁ টেলিভিছনৰ জনপ্ৰিয় ৰিয়েলিটী অনুষ্ঠান 'বিগ বছ'ত বলিউডৰ চিত্ৰ নিৰ্মাতা ছাজিদ খানৰ অন্তৰ্ভুক্তকৰণৰ বিৰোধিতা কৰিছিল আৰু ইয়াৰ পাছতে তেওঁ সামাজিক মাধ্যমৰ জৰিয়তে ধৰ্ষণৰ ভাবুকি লাভ কৰিলে। এই সন্দৰ্ভত ইতিমধ্যে স্বাতীয়ে দিল্লী আৰক্ষীক অভিযোগ দিছে। উল্লেখ্য যে মহিলা আয়োগৰ অধ্যক্ষাই যৌন নিৰ্যাতনৰ একাধিক অভিযোগ থকা ছাজিদক 'বিগ বছ'ৰ পৰা বাহিৰ কৰিবলৈ আহ্বান জনাই কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰীলৈ এখন পত্ৰ লিখিছিল।



## দেশত পুনৰ এদিনত ক'ভিড সংক্ৰমিত হ'ল ২১৩৯ জন লোক, মৃত্যু ১৩ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ অক্টোবৰ ঃ** কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ২১৩৯ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। সম্প্ৰতি দেশত ২৬,২৯২ জন সক্ৰিয় ক'ভিড ৰোগী আছে। যোৱা ২৪ ঘণ্টাত দেশত চিকিৎসাধীন ক'ভিড ৰোগীৰ সংখ্যা ১০৮২ জন হ্ৰাস পালে। ইফালে, দেশৰ বিভিন্ন ৰাজ্যত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত বিগত এদিনত প্ৰাণ হেৰুৱালে ১৩জন লোকে।

## ৰাহুলৰ বিৰুদ্ধে ৰাজনৈতিক পদযাত্ৰাত শিশুক ব্যৱহাৰৰ অভিযোগ

**নিউজ ব্যুৰ', বাংগালুৰু, ১২ অক্টোবৰ ঃ** কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী বৰ্তমানে 'ভাৰত জোড়ো যাত্ৰা' কাৰ্যসূচীত ব্যস্ত। সন্মুখত কংগ্ৰেছৰ সভাপতিৰ নিৰ্বাচন আছে যদিও কৰ্মসূচী বন্ধ কৰি দিল্লীলৈ ওভতাৰ পৰিৱৰ্তে ৰাহুলে কৰ্ণাটকৰ বল্লাৰীৰ পৰা দলৰ সভাপতি নিৰ্বাচনত ভোটদান কৰাৰ সম্ভাৱনা আছে। ৰাহুলৰ স'তে পদযাত্ৰাত অংশ লোৱা আন ৪০ জন কংগ্ৰেছ নেতায়ো কৰ্ণাটকতে ভোটদান কৰাৰ কথা। ইফালে, পদযাত্ৰাত শিশুক ৰাজনৈতিক উদ্দেশ্যত অপব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হ'ল ৰাহুলৰ বিৰুদ্ধে। বিজেপিয়ে এই অভিযোগ উত্থাপন কৰি কয় যে কংগ্ৰেছ



সাংসদজনে তেওঁৰ ৰাজনৈতিক পদযাত্ৰাত শিশুক অপব্যৱহাৰ কৰিছে। উল্লেখ্য যে ৰাহুলৰ পদযাত্ৰাত কে'বাজনো শিশুৱেও অংশ লৈছিল। বিজেপিৰ এই অভিযোগৰ ভিত্তিত নেচনেল প্ৰটেকচন অৱ চাইল্ড ৰাইটছ (এনচিপিচিআৰ)-এ নিৰ্বাচন আয়োগক তদন্ত কৰিবলৈ কৈছে।

## ৰাছিয়াত ঠাণ্ডাত কঁপিলে ইউএইৰ শ্বেখে, নিজৰ জেকেট খুলি আগবঢ়ালে পুটিনে

**নিউজ ব্যুৰ', মস্কো, ১২ অক্টোবৰ ঃ** সংযুক্ত আৰৱ আমিৰাট (ইউএই)ৰ শ্বেখ মহম্মদ বিন জায়েদক প্ৰচণ্ড শীতৰ পৰা ৰক্ষা কৰিবলৈ নিজৰ জেকেট আগবঢ়ালে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে। মঙলবাৰে অধিক উষ্ণতাৰ দেশ ইউএইৰ শাসক শ্বেখ মহম্মদে নিজৰ পৰম্পৰাগত পৰিধানৰে ৰাছিয়াত উপস্থিত হৈছিল। মস্কোত পুটিনৰ স'তে এখন বৈঠকত অংশ লোৱাৰ সময়ত শ্বেখ মহম্মদে প্ৰচণ্ড শীত অনুভৱ কৰিছিল। শ্বেখ মহম্মদক ঠাণ্ডাত কঁপা দেখি লগে লগে পুটিনে নিজে পৰিধান কৰা জেকেট খুলি শ্বেখক পিন্ধাই দিলে। এই ঘটনাই সামাজিক মাধ্যমত সম্প্ৰতি বিশেষ চৰ্চা লাভ কৰিছে। নিজৰ জেকেট শ্বেখ মহম্মদক পিন্ধাই দি শীতৰ পৰা সকাহ দিয়াৰ বাবে সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে ৰুছ ৰাষ্ট্ৰপতিক প্ৰশংসা কৰিছে।



## বিদেশতো ইউপিআইৰ মাধ্যমৰে ভাৰতীয়ই কৰিব পাৰিব লেনদেন



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ অক্টোবৰ ঃ** ভাৰতত ক্ৰমে জনপ্ৰিয় হৈছে ডিজিটেল ইউপিআই সেৱা। বৃহৎ শ্বপিংমলৰ পৰা পদপথৰ কাষত ক্ষুদ্ৰ ব্যৱসায়ীলৈকে সকলোৱে এতিয়া ইউপিআইৰ মাধ্যমেৰে টকাৰ লেনদেন কৰে। ২০২১ বৰ্ষত ভাৰতত ইউপিআইৰ জৰিয়তে হোৱা লেনদেনৰ পৰিমাণ আছিল ৩৮.৭৪ বিলিয়ন টকা। অচিৰে ভাৰতীয়সকলে বিদেশতো ইউপিআই সেৱাৰ মাধ্যমেৰে প্ৰয়োজনীয় লেনদেন সম্পন্ন কৰিব পাৰিব। ভাৰত চৰকাৰে ইতিমধ্যে ৱ'ৰ্ল্ডলাইনৰ স'তে অংশীদাৰিত্বৰ মাধ্যমৰে ভাৰতীয় ইউপিআইৰ লেনদেন ব্যৱস্থাক ইউৰোপত গ্ৰহণযোগ্য কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। অচিৰে ইউৰোপৰ বিভিন্ন দেশত ভাৰতীয়ই স্বদেশী ইউপিআই এপ্‌ৰ জৰিয়তে বিত্তীয় লেনদেন কৰিব পাৰিব। কেৱল ইউপিআইয়ে নহয়, পৰৱৰ্তী সময়ত ইউৰোপত স্বদেশী ৰূপে ডেবিট আৰু ক্ৰেডিট কাৰ্ডো ভাৰতীয়সকলে ব্যৱহাৰ কৰিব পাৰিব। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আমেৰিকাত এক অনুষ্ঠানত এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ৰূপেক বিভিন্ন দেশত গ্ৰহণযোগ্য কৰাৰ বাবে বিত্ত মন্ত্ৰণালয়ে আলোচনা অব্যাহত ৰাখিছে। ৰূপেৰ সন্দৰ্ভত শীঘ্ৰে ইতিবাচক খবৰ দেশবাসীয়ে লাভ কৰিব বুলিও সীতাৰমণে জানিবলৈ দিয়ে।

# তেজপুৰত পিষ্টলসহ গুলি উদ্ধাৰ ঃ দুজনক গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১১ অক্টোবৰ ঃ** শোণিতপুৰ আৰক্ষীয়ে যোৱা নিশা প্ৰায় ৯.৩০ বজাত চলোৱা এক অভিযানত অস্ত্ৰ- শস্ত্ৰসহ দুজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা ঘটনাই চহৰখনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শান্তিপূৰ্ণ তেজপুৰৰ বাটামাৰীস্থিত এটা পেট্ৰ'ল ডিপ'ৰ সমীপৰ পৰা বৰঘাট আৰক্ষীয়ে সন্দেহজনকভাৱে থকা দুজন লোকক সোধপোছ কৰাত তেওঁলোকৰ স'তে এটা অত্যাধুনিক পিষ্টল আৰু চাৰিজাঁই সজীৱ গুলি উদ্ধাৰ কৰে। উল্লেখ্য যে অস্ত্ৰ-শস্ত্ৰসহ এই দুজন লোক ঘূৰি-ফুৰা সন্দৰ্ভত শোণিতপুৰৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই বিশেষ সূত্ৰত আগতীয়াকৈ লাভ কৰা তথ্যৰ ভিত্তিত বৰঘাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনৰ নেতৃত্বত যোৱা আৰক্ষীয়ে দুয়োজনকে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ইতিমধ্যে গ্ৰেপ্তাৰ হোৱা দুয়োকে পাঁচমাইলৰ মিৰাজ আলীৰ পুত্ৰ ছাহজাহান আলী আৰু ৰফিকুল ইছলামৰ পুত্ৰ আশ্ৰাফুল আলী বুলি চিনাক্ত কৰিছে আৰক্ষীয়ে। ইতিমধ্যে সোধপোছ অব্যাহত ৰখা এই দুইজন যুৱকে মাৰণাস্ত্ৰসহ পেট্ৰ'ল ডিপ'ৰ সমীপত কিয় আছিল সেই বিষয়ে সবিশেষ জানিব পৰা হোৱা নাই যদিও আৰক্ষী সূত্ৰই সদৰী কৰা মতে দুয়োকে আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে উদ্ধাৰ হোৱা পিষ্টলটো কাৰখানাত নিৰ্মিত আৰু এইটো বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰোৱা হ'ব বুলিও আৰক্ষী সূত্ৰই সদৰী কৰিছে। ইপিনে, আন এক ঘটনাত শোণিতপুৰ আৰক্ষীয়ে এএছ-১২এন-২১৫৯ নম্বৰৰ মটৰ চাইকেলত কঢ়িয়াই অনা ১৪ কিলোগ্ৰাম গাঞ্জাসহ তেজপুৰৰ বিহিয়াগাঁও গটাইমাৰী অঞ্চলৰ মহম্মদ চৈয়দ আলীৰ পুত্ৰ আইনুল হকক গ্ৰেপ্তাৰ কৰে। জামুগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত চলা অভিযানত লোকজনক গাঞ্জাসহ গ্ৰেপ্তাৰ কৰা হয় বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

# আজি ৰাষ্ট্ৰপতিয়ে উদ্বোধন কৰিব নৱনিৰ্মিত ধুবুৰী চিকিৎসা মহাবিদ্যালয়

## ধুবুৰীত উপস্থিত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত

**ধুবুৰী, ১২ অক্টোবৰ ঃ** ধুবুৰীত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত উপস্থিত হৈ ধুবুৰী চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয় পৰিদৰ্শন কৰাৰ পাছত এক বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত ঘোষণা কৰে ধুবুৰী চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়খনৰ উদ্বোধনী আৰু শ্ৰেণী পাঠ্যক্ৰম আৰম্ভণিৰ কথা। কাইলৈ ধুবুৰী চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়খন উদ্বোধন কৰিব দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। গুৱাহাটী আমিনগাঁওস্থিত আইআইটিৰ পৰা বিয়লি ভাৰ্চুৱেলী উদ্বোধন কৰাৰ কথা সদৰী কৰে মন্ত্ৰীজনে। আনহাতে, মন্ত্ৰীজনে কয় যে ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত এমবিবিএছ পাঠ্যক্ৰম অহা ১৫ অক্টোবৰৰ পৰা আৰম্ভ কৰিবলৈ ইতিমধ্যে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে আৰু এই ক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন সুবিধা-অসুবিধা সম্পৰ্কেও বৈঠকত পৰ্যালোচনা কৰা হয়। চিকিৎসা মহাবিদ্যালয়খনত পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাবে ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ দ্বাৰা অনুমোদন লাভ কৰা হৈছে আৰু প্ৰথম বৰ্ষতে ১০০ গৰাকী শিক্ষাৰ্থীৰ নামভৰ্তিৰে ধুবুৰী চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়খন সাজু কৰি তোলা হৈছে বুলিও স্বাস্থ্যমন্ত্ৰী মহন্তই জানিবলৈ দিয়ে। ধুবুৰী জিলাখনৰ ভিতৰত ধুবুৰীয়ে একমাত্ৰ চিকিৎসাৰ ক্ষেত্ৰ যাক চিহ্নিত কৰে জিলাখনৰ লগতে দক্ষিণ পাৰৰ লোকসকল। যাৰ বাবে বিভিন্ন সময়ত স্বাস্থ্যৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে ধুবুৰীয়ে। ধুবুৰীবাসী ৰাইজৰ লগতে দক্ষিণপাৰৰ ৰাইজেও এক সক্ৰিয় ভূমিকা গ্ৰহণ কৰা আৰু তীব্ৰ দাবীৰ ফলস্বৰূপে ধুবুৰীত এখন চিকিৎসা মহাবিদ্যালয় পাবলৈ সক্ষম হৈছে জিলাবাসীৰ লগতে দক্ষিণ পাৰৰ লোকসকলে। একমাত্ৰ ধুবুৰী অসামৰিক চিকিৎসালয়খনেই আছিল চিকিৎসাৰ আহিলা। তাৰে কিছু সুবিধা-কিছু অসুবিধাৰ মাজতো চলি আছিল অসামৰিক চিকিৎসালয়খন। ৩০০ খন বিছনাযুক্ত ধুবুৰী অসামৰিক চিকিৎসালয়খন সংযোজন কৰাত এতিয়াৰে পৰা চিকিৎসালয়খনৰ পৰিচয় হ'ব ধুবুৰী চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয় হিচাপে। নামনি অসমৰ ধুবুৰীৰ লগতে চুবুৰীয়া ৰাজ্য পশ্চিমবংগ, মেঘালয় আদিৰ পৰা বিভিন্ন সময়ত জলপথ, স্থলপথেদি ধুবুৰীত উন্নত চিকিৎসাৰ বাবে অহা পৰিলক্ষিত হয় যদিও ধুবুৰী অসামৰিক চিকিৎসালয়ত পৰ্যাপ্ত পৰিমাণৰ সৰঞ্জাম নথকাৰ বাবে হাৰাশাস্তিৰ সন্মুখীন হ'বলগাত পৰিছিল ৰোগীসকল। শেহতীয়াকৈ বহু জল্পনা-কল্পনাৰ অন্তত ধুবুৰী চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়ৰ কাম আৰম্ভ হয় আৰু অত্যাধুনিক সা-সৰঞ্জামেৰে ৰাইজে কাইলৈ দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে উদ্বোধন কৰাৰ পাছতেই চিকিৎসা সেৱা গ্ৰহণ কৰিব পাৰিব বুলি বিবেচিত হৈছে। উক্ত চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়খনত ধুবুৰীৰ বিভিন্ন চৰাঞ্চলৰ লগতে ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলৰ লোকসকল, চুবুৰীয়া ৰাজ্য পশ্চিমবংগ, মেঘালয় আৰু অসমৰ ভিন্ন প্ৰান্তৰ লোক আহি নৱনিৰ্মিত ধুবুৰী চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়ত উন্নত মানৰ চিকিৎসা গ্ৰহণ কৰাৰ সুবিধা ল'ব পাৰিব বুলি অনুমান কৰিব পাৰি। মন্ত্ৰীজনে ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় প্ৰাংগণত এক বৈঠকৰ আলোচনাত অংশগ্ৰহণ কৰাৰ লগতে উপস্থিত থাকে ধুবুৰী জিলাৰ উপায়ুক্ত, ধুবুৰী জিলাৰ আৰক্ষী অধীক্ষক, ৰাজ্যৰ অতিৰিক্ত চিকিৎসা শিক্ষা সঞ্চালক, এনএইছএম, ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ, অধীক্ষক আৰু চিকিৎসকসকল। উদ্বোধনৰ প্ৰাক্ক্ষণত আজি চিকিৎসা মহাবিদ্যালয়খন পৰিদৰ্শন কৰি অন্তিম পৰ্যায়ৰ কাম-কাজ আৰু উদ্বোধনী কাৰ্যসূচীৰ প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰে।



# ড° বীৰেন্দ্ৰ নাথ দত্তক জগন্নাথ বায়ন বঁটা প্ৰদান



**বিশেষ সংবাদদাতা**

**বৰপেটা, ১২ অক্টোবৰ ঃ** বৰপেটাৰ এটা অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান একাডেমী অৱ খোলবাদ্যই এই বছৰৰ পৰা আগবঢ়াবলৈ লোৱা জগন্নাথ বায়ন বঁটা আজি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু অসমৰ সংগীত জগতৰ এগৰাকী বৰেণ্য ব্যক্তি ড° বীৰেন্দ্ৰ নাথ দত্তক তেওঁৰ গুৱাহাটী মহানগৰীৰ শিলপুখুৰীস্থিত বাসভৱনত প্ৰদান কৰা হয়। উল্লেখ্য যে একাডেমী অৱ খোলবাদ্যই সংগীত নাটক একাডেমী বঁটা আৰু 'সত্ৰভূষণ' আৰু 'বৰপেটা শিৰোমণি' উপাধিৰে বিভূষিত সত্ৰীয়া শিল্পী প্ৰয়াত জগন্নাথ বায়নৰ স্মৃতিত বছৰি দিবলৈ মনস্থ কৰা এই বঁটাটোৰ প্ৰথমগৰাকী প্ৰাপক হিচাপে বৰগীতৰ ওজা দয়াল চন্দ্ৰ সূত্ৰধাৰৰ শিষ্য ড° বীৰেন্দ্ৰ নাথ দত্তৰ নাম বিবেচনা কৰে। একাডেমীয়ে অহা ২২ আৰু ২৩ অক্টোবৰত অনুষ্ঠিত কৰিবলগীয়া 'বৰপেটা সংগীত সমাৰোহ'ৰ স'তে সংগতি ৰাখি এই বঁটা প্ৰদান কৰাৰ কথা আছিল যদিও ড° দত্তৰ শাৰীৰিক অসুস্থতাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁৰ ঘৰতে আজি এই বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত একাডেমীৰ হৈ বিশিষ্ট লেখক তথা 'শিক্ষাৰত্ন' বঁটাপ্ৰাপক অক্ষয় কুমাৰ মিশ্ৰ, বৰপেটা ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাস, মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড° ইন্দ্ৰজ্যোতি ৰায়চৌধুৰী, বিশিষ্ট সত্ৰীয়া শিল্পী গুণীন্দ্ৰ নাথ ওজা, সংগীত নাটক একাডেমীৰ যুৱ বঁটাপ্ৰাপক মনোজ কুমাৰ দাস, ড° নৱজ্যোতি দাস, ড° পৰশমণি দাসকে ধৰি কে'বাগৰাকীও লোকৰ লগতে বিশিষ্ট সংগীত পৰিচালক ৰমেন চৌধুৰী উপস্থিত থাকে। বঁটা গ্ৰহণ কৰি আৱেগিক হৈ পৰা ড° দত্তই শাৰীৰিক অসুস্থতা সত্ত্বেও তেওঁৰ মনৰ অনুভৱ ব্যক্ত কৰিবলৈ চেষ্টা কৰে। এই বঁটা প্ৰদান কৰিবলৈ বৰপেটাৰ কে'বাগৰাকীও ব্যক্তি এনেদৰে তেওঁৰ ঘৰত উপস্থিত হোৱাটো তেওঁৰ বাবে অত্যন্ত সৌভাগ্যৰ কথা বুলি তেওঁ মন্তব্য কৰে। গুণীন্দ্ৰ নাথ ওজাই মনোজ কুমাৰ দাস আৰু কৌশিক দাসৰ সহযোগত পৰিৱেশন কৰা দুটা বৰগীত শুনি আপ্লুত হোৱা ড° দত্তই ওজাৰ লগতে সুৰ মিলোৱাৰ উপৰি নিজাকৈ এটা বৰগীতৰ এফাকি গাই দিয়ে। দয়াল চন্দ্ৰ সূত্ৰধাৰৰ স'তে তেওঁৰ সান্নিধ্যৰ কথা স্মৰণ কৰাৰ লগতে বৰপেটাত সন্মুখীন হোৱা বিভিন্ন সৰু সৰু অভিজ্ঞতাৰ কথা খণ্ডিত ৰূপত মনত পেলায়।

# তেজস্বিতাৰ মৃত্যু তিনিদিনে সাক্ষ্য নিদিলে

*একপৃষ্ঠাৰপৰা* সংঘটিত তেজস্বিতা বৰুৱাৰ মৃত্যুৰ ঘটনাৰ সংক্ৰান্তত কোনো প্ৰত্যক্ষদৰ্শী, আগ্ৰহী ব্যক্তি, জিলাবাসী ৰাইজ, দল-সংগঠনে নিজৰ ভাষ্য লিপিবদ্ধ কৰিবলৈ উপস্থিত নোহোৱাৰ পৰিপ্ৰেক্ষিতত ১৯ অক্টোবৰলৈ শুনানিৰ দিন বৃদ্ধি কৰা হৈছে। তেজস্বিতাৰ মৃত্যুৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্তকাৰী বিষয়া অতিৰিক্ত জিলা দণ্ডাধীশ সঞ্জীৱ কুমাৰ ফুকনে এই তথ্য সদৰী কৰি কয় যে ১২ অক্টোবৰ পৰ্যন্ত উক্ত সময়ছোৱাত কাৰ্যালয় খোলা থকা অৱস্থাত দিনৰ ১২ বজাৰ পৰা তিনি বজাৰ ভিতৰত জিলা দণ্ডাধীশ, মাজুলীৰ কাৰ্যালয়ত অৱস্থিত অতিৰিক্ত জিলা দণ্ডাধীশৰ কক্ষত ভাষ্য আগবঢ়াই লিপিবদ্ধ কৰিব পাৰিব।

# সমাজ কল্যাণ বিভাগত ভুৱা নিযুক্তি

*এক পৃষ্ঠাৰ পৰা* সময়ত জিনা বেগমে লাখ লাখ টকাৰ বিনিময়ত বহু প্ৰাৰ্থীৰ মাজত কোনো সন্দেহ কৰিব নোৱাৰাকৈ প্ৰস্তুত কৰা নিযুক্তিপত্ৰ বিতৰণ কৰিছিল। তাৰ পূৰ্বে এই একেগৰাকী মহিলাই ২০১৮তো একেটা বিভাগত চলা নিযুক্তি প্ৰক্ৰিয়াৰ সময়ত একেধৰণে জাল নিযুক্তিপত্ৰ বিতৰণৰ অভিযোগ আছে। এই সন্দৰ্ভত মৰিগাঁৱৰ লাহৰীঘাট আৰক্ষী থানাত এটা গোচৰ ৰুজু হৈ আছে। সেই গোচৰটোতো মহিলাগৰাকী আজিৰ দৰে গ্ৰেপ্তাৰ হৈছিল। অথচ তাৰ পাছতো পুনৰ একেটা বিভাগতে একে কাৰ্যত লিপ্ত হয়। এইবাৰ নিযুক্তিপত্ৰ বিতৰণৰ সময়ত জিনা বেগমে অসম অসামৰিক সেৱাৰ জনৈক বৰুৱা উপাধিৰ এগৰাকী বিষয়াৰ নাম উল্লেখ কৰা বুলি আৰক্ষীয়ে তদন্তৰ সময়ত তথ্য লাভ কৰিছে।

ইপিনে, আজি আদালতলৈ নিয়াৰ সময়ত মুখ ঢাকি থকা অৱস্থাতে জিনা বেগমে দাবী কৰে যে ছেলিম নামৰ এজন লোকহে এই কাৰ্যত জড়িত। টকাও ছেলিমেই লয়। ইতিমধ্যে আৰক্ষীৰ অনুসন্ধানত পোহৰলৈ অহা অনুসৰি ছেলিম নামৰ এজন যুৱককো জিনাই ভুৱা নিযুক্তিপত্ৰ দিছিল। ৰহস্যজনকভাৱে পৰৱৰ্তী সময়ত ছেলিমেই জিনাৰ প্ৰাৰ্থী গোটোৱা দালাল হৈ পৰে। তেনে প্ৰাৰ্থীৰ পৰা সমাজ কল্যাণ বিভাগত নিযুক্তি দিয়াৰ নামত জিনাসহ এটা চক্ৰই কোটিৰ হিচাপত ধন সংগ্ৰহ কৰাৰ তথ্য উদ্ধাৰ হৈছে। হাতীগাঁও আৰক্ষী থানাত ৰফিকুল, আতিকুৰ আৰু আৰিকুল নামৰ যি তিনিজন যুৱকে এজাহাৰ দাখিল কৰিছে তেওঁলোকে আৰক্ষীক জনোৱা মতে, ২০২০ত সমাজ কল্যাণ বিভাগত নিযুক্তি দিয়াৰ বিনিময়ত জিনা বেগমে ১৯ লাখ টকা লৈছিল। আৰক্ষী সূত্ৰই জনোৱা মতে, ২০২০ত অভিযুক্ত মহিলাগৰাকীয়ে কমেও ৫৫ জন প্ৰাৰ্থীৰ পৰা এনেদৰে ধন লৈছিল। একেদৰে ২০১৮ত শতাধিক প্ৰাৰ্থীৰ পৰা ধন লোৱাৰ অভিযোগ আছে। ৰাজ্যৰ সকলো প্ৰান্তৰ পৰাই এনেদৰে ধন সংগ্ৰহ কৰা হৈছিল। জিনা বেগম জালিয়াতিৰ এটা বৃহৎ চক্ৰৰ অন্যতম অংশীদাৰ হোৱাৰো সন্দেহ আৰক্ষীয়ে কৰিছে।

# বিজেপিৰ নতুন কাৰ্যালয় ভাগিব বুলি

*এক পৃষ্ঠাৰ পৰা* কংগ্ৰেছৰ ৰাজ্যিক সভাপতিজনৰ গুৱাহাটীকে ধৰি ৰাজ্যৰ ভিন্ন স্থান আৰু দিল্লীৰ সম্পত্তিৰ তালিকা প্ৰকাশ কৰাৰ পাছতে আজি বৰাৰ গুৱাহাটীত থকা মাটিত গৃহ নিৰ্মাণৰ আগতীয়া অনুমতিপত্ৰ বিচাৰি জাননী জাৰি কৰিছে গুৱাহাটী পৌৰ নিগমে। গুৱাহাটীৰ ঘোঁৰামাৰা চাৰিআলিৰ কাষতে নিৰিবিলি পথত আছে প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনৰ বাসগৃহ। আজি পৌৰ নিগমৰ সহযোগী পৰিকল্পনা বিষয়াই বৰালৈ এখন পত্ৰ প্ৰেৰণ কৰি নিৰিবিলি পথত থকা তেওঁৰ বাসগৃহটো নিৰ্মাণৰ সময়ত পৌৰ নিগমৰ পৰা সংগ্ৰহ কৰা আপত্তিবিহীন প্ৰমাণপত্ৰ আৰু অনুমোদিত পৰিকল্পনাপত্ৰ পৌৰ নিগমক জমা দিবলৈ নিৰ্দেশ দিছে। পৰৱৰ্তী তিনি দিনৰ ভিতৰত এই নথিপত্ৰসমূহ পৌৰ নিগমৰ কাৰ্যালয়ত জমা দিবলৈও সময়সীমা বান্ধি দিয়া হৈছে। পত্ৰখনত পৌৰ নিগম কৰ্তৃপক্ষই এইবুলি উল্লেখ কৰিছে যে বৰাৰ বাসগৃহটো নিৰ্মাণৰ প্ৰসংগত স্থানীয় লোকৰ পৰা অভিযোগ লাভ কৰিছে পৌৰ নিগম কৰ্তৃপক্ষই। গুৱাহাটীৰ ভেটাপাৰা-ঘোঁৰামাৰাৰ ভাস্কৰজ্যোতি কুমাৰ আৰু হীৰেন ভট্ট নামৰ লোক দুজনৰ অভিযোগৰ ভিত্তিত বৰাৰ বাসগৃহটো নিৰ্মাণত ত্ৰুটিৰ ইংগিত দি পৌৰ নিগমৰ পৰা সংগ্ৰহ কৰিবলগীয়া ওপৰোক্ত নথিসমূহ বিচৰা হৈছে। উল্লেখ্য যে কে'বা বছৰ পূৰ্বে নিৰ্মাণ কৰা বাসগৃহটো সন্দৰ্ভত গুৱাহাটী পৌৰ নিগমে হঠাতে প্ৰাক্তন বিধায়কজনলৈ নথিপত্ৰ বিচাৰি প্ৰেৰণ কৰা জাননীয়ে তাৎপৰ্য বহন কৰিছে। পৌৰ নিগমৰ এক শীৰ্ষ সূত্ৰৰ মতে, যাৱতীয় অনুমতি তথা আপত্তিবিহীন প্ৰমাণপত্ৰ অবিহনে নিৰ্মিত অট্টালিকা এটাৰ বিৰুদ্ধে চুবুৰীয়া স্থানীয় লোকৰ অভিযোগৰ ভিত্তিত পৌৰ নিগম কৰ্তৃপক্ষই প্ৰয়োজনত ঘৰ ভাঙি দিয়াৰ দৰে কঠোৰতম পদক্ষেপ গ্ৰহণ কৰিব পাৰে। উল্লেখ্য যে বিষয়টো সন্দৰ্ভত ভূপেন বৰাৰ প্ৰতিক্ৰিয়া জানিবলৈ তেওঁৰ স'তে যোগাযোগ স্থাপনৰ চেষ্টা চলোৱা হৈছিল যদিও তেওঁ সাংবাদিকৰ ফোন কল গ্ৰহণ কৰাৰ পৰা বিৰত থাকে।

# বিমুদ্ৰাকৰণক লৈ শুনানি ল'ব ন্যায়ালয়ে

*একপৃষ্ঠাৰপৰা* অচল হোৱা নোটবোৰ সলাবলৈ মানুহে কে'বাদিনো ধৰি শাৰী পাতি থিয় দিয়াৰ সময়ৰে পৰা নতুন নোট মুকলি কৰা হয়। বিমুদ্ৰাকৰণৰ পাছত ছবছৰ অতিবাহিত হ'লেও ই দেশবাসীক ভৱিষ্যতে প্ৰভাৱিত কৰিব পাৰে বুলি উচ্চতম ন্যায়ালয়ক কৈছিল বিপক্ষৰ আইনজীৱীসকলে। আদালতে সেই যুক্তি মানি লয়।

আজি দেশৰ শীৰ্ষ আদালতে কয় যে তেওঁলোকে কেন্দ্ৰৰ মোদী চৰকাৰৰ উক্ত সিদ্ধান্তৰ প্ৰক্ৰিয়া পুনৰ বিবেচনা কৰিব, কিয়নো দেশবাসীৰ ভৱিষ্যতৰ স্বাৰ্থত এই বিষয়ে প্ৰকৃত উত্তৰ লাভ কৰাটো জৰুৰী। বিমুদ্ৰাকৰণক প্ৰত্যাহ্বান জনাই দাখিল কৰা ৫৮টা গোচৰৰ শুনানি আজি আছিল উচ্চতম ন্যায়ালয়ত।

শুনানি কালত উচ্চতম ন্যায়ালয়ক কেন্দ্ৰই কয় যে ঘটনাটোৰ পাছত ছবছৰ বাগৰি গ'ল। বিষয়টো এতিয়া পুৰণি হ'ল। ইয়াৰ প্ৰত্যুত্তৰত বিপক্ষৰ অধিবক্তাই যুক্তি দৰ্শোৱাৰ পাছত দুয়োপক্ষৰ যুক্তি শুনি উচ্চতম ন্যায়ালয়ে কয় যে বিমুদ্ৰাকৰণ সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ দিয়াটো তেওঁলোকৰ কৰ্তব্যৰ ভিতৰত পৰে। আদালতে অতি স্পষ্টভাৱে কয় যে সাংবিধানিক বিচাৰপীঠে এই বিষয়ত যি প্ৰশ্ন তুলিছে দেশৰ ভৱিষ্যতৰ কথা ভাবিয়েই আদালতে তাৰ উত্তৰ দিব লাগিব। আজি উচ্চতম ন্যায়ালয়ে কয় যে সেয়ে তেওঁলোকে বিষয়টো পৰীক্ষা কৰিব। বিষয়টো সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ আৰু ৰিজাৰ্ভ বেংকৰ প্ৰতিক্ৰিয়াও বিচাৰিছে শীৰ্ষ আদালতে। দুই পক্ষই শপতনামা দাখিল কৰিব লাগিব।

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ এছ আব্দুল নাজিৰ, ন্যায়াধীশ বি পি গ'ভাই, ন্যায়াধীশ এ এছ ব'পান্না, ন্যায়াধীশ ভি ৰাম সুব্ৰমণিয়ম আৰু ন্যায়াধীশ বি ভি নাগৰত্নৰ সাংবিধানিক বিচাৰপীঠত গোচৰটো উত্থাপন হয়। বিচাৰপীঠে কয় যে তেওঁলোকে ৫৮টা গোচৰ গ্ৰহণ কৰিছে আৰু অহা ন নৱেম্বৰত এই বিষয়ে পৰৱৰ্তী শুনানি হ'ব।

মন কৰিবলগীয়া যে বিমুদ্ৰাকৰণৰ কেইটামান দিনৰ ভিতৰত আবেদনকাৰীসকল আদালতৰ ওচৰ চাপিছিল। এটা চূড়ান্ত সময়সীমাৰ ভিতৰত সালসলনি নকৰিলে নোটবোৰ মূল্যহীন হৈ পৰাৰ বিষয়টোৰ সাংবিধানিক ন্যাৰ্য্যতাৰ বিষয়ে প্ৰশ্ন কৰিছিল আবেদনকাৰীয়ে। অৱশ্যে ই দীঘলীয়া সময় ধৰি শুনানিৰ বাবে তালিকাভুক্ত নহ'ল। এই বিষয়টো ২০১৬ৰ ডিচেম্বৰত বিমুদ্ৰাকৰণৰ ঘোষণাৰ প্ৰায় এমাহ পাছত সাংবিধানিক বিচাৰপীঠলৈ প্ৰেৰণ কৰা হয়। এতিয়া ইয়াৰ শুনানি গ্ৰহণ কৰা হ'ব। দেশৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ এন ভি ৰামান্নাই তেওঁৰ কাৰ্যকালৰ সমাপ্তিৰ দুমাহ পূৰ্বে গঠন কৰে বিচাৰপীঠ। এই সাংবিধানিক বিচাৰপীঠে শুনানি গ্ৰহণ কৰিবলগীয়া আন বিষয়সমূহৰ ভিতৰত আছে আয়ৰ ভিত্তিত উচ্চবৰ্ণৰ সংৰক্ষণ তথা জম্মু-কাশ্মীৰীলৈ বিশেষ ৰাজ্যৰ মৰ্যাদাৰ সমাপ্তি।

বিমুদ্ৰাকৰণ সন্দৰ্ভত বিচাৰপীঠে উত্থাপন কৰা বিভিন্ন প্ৰশ্নৰ ভিতৰত আছে— দেশৰ সংবিধানৰ দফা ৩০০(ক) উলংঘা কৰিছে নেকি বিমুদ্ৰাকৰণে। এই দফাই কয় যে আইনৰ কৰ্তৃত্বৰ অবিহনে কোনো মানুহক তেওঁৰ সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰি। জ্যেষ্ঠ অধিবক্তা তথা দেশৰ প্ৰাক্তন বিত্তমন্ত্ৰী পি চিদাম্বৰমে যুক্তি দৰ্শাই যে এই ধৰণৰ বিমুদ্ৰাকৰণৰ বাবে সংসদত পৃথক আইনৰ প্ৰয়োজন আছে। একে ধৰণৰ বিমুদ্ৰাকৰণ ১৯৭৮ত কৰা হৈছিল। তেওঁ অধিক যুক্তি দৰ্শাই কয় যে বিমুদ্ৰাকৰণৰ বাবে অনুমোদনসমূহ ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ পৰা তথ্য আৰু গৱেষণা উপলব্ধ হ'ব লাগিছিল আৰু চৰকাৰে ইয়াৰ ব্যৱস্থা কৰা উচিত আছিল। চৰকাৰী পক্ষৰ হৈ দেশৰ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই কয় যে বিদ্যায়তনিক ইছ্যুত আদালতৰ সময় অপচয় কৰা উচিত নহয়। ইয়াৰ প্ৰতিক্ৰিয়াত এজন আবেদনকাৰীৰ প্ৰতিনিধিত্ব কৰা অধিবক্তা শ্যাম ডিভানে কয় যে সাংবিধানিক বিচাৰপীঠৰ সময়ৰ অপচয়ৰ এই বাক্যশাৰীত তেওঁ আশ্চৰ্যবোধ কৰিছে। অৱশেষত এছ এন নাজিৰৰ নেতৃত্বাধীন বিচাৰপীঠে কয় যে কোনো বিষয় যেতিয়া সাংবিধানিক বিচাৰপীঠৰ সন্মুখত উত্থাপন হয় তেতিয়া তাৰ উত্তৰ দিয়াটো বিচাৰপীঠৰ কৰ্তব্য। বিচাৰপীঠে কয়, 'এয়া বিদ্যায়তনিক হয় অথবা নহয় নে ন্যায়িক পুনৰীক্ষণৰ আওতাৰ বাহিৰত সেই বিষয়ে উত্তৰ দিবলৈ আমি শুনানি গ্ৰহণ কৰিব লাগিব। এই গোচৰটোৰ বিষয়টো হৈছে চৰকাৰৰ নীতি আৰু আন এক অন্যতম বিষয় হৈছে চৰকাৰৰ বিজ্ঞতা।' তদুপৰি বিচাৰপীঠে কয়, 'আমি সকলোৱে জানো যে লক্ষ্মণ ৰেখাডাল ক'ত আছে, কিন্তু যিদৰে ইয়াক (বিমুদ্ৰাকৰণ) কৰা হ'ল সেই কথা পৰীক্ষা-নিৰীক্ষা কৰিব লাগিব।

## ড্ৰাগছ আসক্ত চাৰি যুৱকক আটক কৰি গতালে আৰক্ষীক

# শালবাৰীত ড্ৰাগছৰ বিৰুদ্ধে ৰাইজৰ সহযোগ



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১২ অক্টোবৰ ঃ** বাগ্‌সাৰ শালবাৰীত ড্ৰাগছৰ বিৰুদ্ধে ৰাইজৰ ধাৰাবাহিক অভিযান অব্যাহত আছে। কালি শালবাৰীৰ নিমুৱাত দুই ড্ৰাগছ আসক্ত যুৱকক আটক কৰাৰ পাছত আজি পুনৰ আন দুজন যুৱকক আটক কৰি আৰক্ষীক গতাই দিয়ে ৰাইজে। শালবাৰীৰ গোৰৰ্ধনা আৰক্ষী থানাৰ অন্তৰ্গত খুশ্ৰাবাৰীত দুই ড্ৰাগছ আসক্ত যুৱকে ছাগলী চুৰি কৰি গৈ থকা সময়ত কৰায়ত্ত কৰে ৰাইজে। ড্ৰাগছ আসক্ত যুৱক দুজনে পথৰ পৰা ছাগলী চুৰি কৰি গৈ থকা সময়ত সন্দেহ কৰি কৰায়ত্ত কৰে ৰাইজে। তাৰ পাছতে স্থানীয় ৰাইজৰ তথ্যৰ ভিত্তিত ঘটনাস্থলীত গোৰৰ্ধনা আৰক্ষী উপস্থিত হৈ টিপলাং বসুমতাৰী আৰু সহৰ আলী নামৰ যুৱক দুজনক থানালৈ নি সোধপোছ অব্যাহত ৰাখিছে, লগতে যুৱকদ্বয়ৰ পৰা ড্ৰাগছৰ চিৰিঞ্জ উদ্ধাৰ কৰিছে। উল্লেখ্য যে কালিও নিমুৱা গাঁৱত স্থানীয় ৰাইজে ব্ৰিমঠন স্বৰ্গীয়াৰী আৰু কনক বসুমতাৰী নামৰ দুজন ড্ৰাগছ আসক্ত যুৱকক কৰায়ত্ত কৰি আৰক্ষীক গতাই দিছিল। কালি আটকাধীন যুৱকদ্বয়ক ইতিমধ্যে আৰক্ষীয়ে জেললৈ প্ৰেৰণ কৰিছে। ইফালে, খুশ্ৰাবাৰীত আটক কৰা যুৱকদ্বয়ক আৰক্ষীয়ে সোধপোছ অব্যাহত ৰাখিছে।

# কচুৱা আদৰ্শ চিকিৎসালয়ত ৱাৰ্ড গাৰ্লে ৰোগীক বেজি দিয়াক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়া

## ২৪ ঘণ্টাৰ ভিতৰত কৈফিয়ৎ তলব বিভাগীয় কৰ্তৃপক্ষৰ

**অগ্ৰদূত বাৰ্তা**

**কচুৱা, ১২ অক্টোবৰ ঃ** নগাঁও জিলাৰ কঠিয়াতলী ব্লকৰ অন্তৰ্গত কচুৱা মডেল হাস্পতালত এগৰাকী ৱাৰ্ড গাৰ্লে যোগ্যতা নথকাকৈ ৰোগীক বেজি দি জথে-মধে অনিয়মৰ মাজেৰে ৰোগীৰ পৰা ধন সংগ্ৰহ কৰা কাৰ্যত জাঙুৰ খাই উঠিছে স্থানীয় ৰাইজ। হাস্পতালখনত সাত গৰাকী জি এম এম আৰু দুগৰাকী এ এন এম নাৰ্ছ নিযুক্তিৰ দিয়াৰ পাছতো কি কাৰণত আনোৱাৰা বেগম নামৰ ৱাৰ্ড গাৰ্লগৰাকীয়ে ৰোগীক বেজি দিব লগা হ'ল। কাৰ অনুমতিত ৰোগীৰ পৰা ধন সংগ্ৰহ কৰিব পালে। সেয়া স্থানীয় ৰাইজৰ বাবে লাখটকীয়া প্ৰশ্ন হৈ পৰিছে। এনে অনিয়ম কাৰ্য চলি থকাটো দীৰ্ঘদিনীয়া। ৰোগীৰ পৰা আনোৱাৰ বেগমে ধন সংগ্ৰহ কৰা দৃশ্য সংবাদ কৰ্মীৰ কেমেৰাত বন্দী হৈছে। স্থানীয় বিভিন্ন সামাজিক সংগঠনৰ লগতে সচেতন মহলতো এই বিষয়টোৱে চৰ্চা লাভ কৰিছে। এনে কাৰ্যই হাস্পতালখনত দীৰ্ঘদিন ধৰি চলি অহা শাসনৰ ফোঁপোলা স্বৰূপটো উদঙালে বুলি চিকিৎসা প্ৰতিষ্ঠানখনৰ পৰিচালনাৰ দায়িত্বত থকা বিভিন্নজনলৈ আঙুলি টোঁৱাইছে সচেতন মহলে। এই সন্দৰ্ভত আজি মডেল হাস্পতালত চিকিৎসালয়খনৰ সকলো বিষয়ববীয়া, কৰ্মচাৰীৰ এখন জৰুৰী সভা অনুষ্ঠিত হয়। সভাত হাস্পতালৰ পৰিচালক ডাঃ পি কে বৰা, লেব'ৰেটৰী ষ্টাফ, এ এন এম, জি এন এম নাৰ্চ, ৱাৰ্ড বয়, ৱাৰ্ড গাৰ্ল, এ বি পি এম, ডাঃ বদৰুল ইছলাম, চি এইছ অ' সকলো উপস্থিত থাকে। হাস্পতালখনত অনিয়ম কাৰ্য সংঘটিত কৰা ৱাৰ্ড গাৰ্ল আনোৱাৰ বেগমক কি কাৰণত এনে অনিয়ম কাৰ্য কৰিবলৈ পালে তাৰ সবিশেষ ২৪ ঘণ্টাৰ ভিতৰত অৰ্থাৎ কাইলৈ কঠিয়াতলী ব্লকত জনাবলৈ নিৰ্দেশনা জাৰি কৰিছে মডেল হাস্পতালখনৰ পৰিচালক ডাঃ পি কে বৰাই। এনে অনিয়ম কাৰ্যৰ বাবে দোষীক উপযুক্ত শাস্তি বিহা হ'ব বুলি বিষয়াগৰাকীয়ে সংবাদ কৰ্মীক জানিবলৈ দিয়ে। হাস্পিতালখনত বিভিন্ন শিতানত দীৰ্ঘদিন ধৰি চলি অহা দুৰ্নীতি-অনিয়মবোৰ বন্ধ কৰিবলৈ হাস্পতাল কৰ্তৃপক্ষক স্থানীয় ৰাইজ, দল, সংগঠনে আহ্বান জনাইছে।

# ঘগ্ৰাপাৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তাৰানাথ শৰ্মাৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১২ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কঞ্জাকুছি গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষাবিদ তথা বিশিষ্ট সমাজকৰ্মী তাৰানাথ শৰ্মা (৮৪)ৰ আজি নিজ বাসগৃহত মৃত্যু হয়। শৰ্মাৰ মৃত্যুত সমগ্ৰ ঘগ্ৰাপাৰ অঞ্চলতে শোকৰ ছাঁ পৰিছে। ১৯৩৮ত জন্ম গ্ৰহণ কৰা শৰ্মাই ১৯৬১ত কটন মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে বিএ পাছ কৰিছিল। ১৯৬২ত ঘগ্ৰাপাৰ হাইস্কুলত শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলি শৰ্মাই ১৯৯৯ ত প্ৰধান শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰিছিল। চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছৰে পৰা শৰ্মাই গুৱাহাটীৰ কাহিলীপাৰাত স্থানীয়ভাৱে বসতি কৰিছিল যদিও জন্মগ্ৰহণ কৰা গাঁওখনৰ স'তে প্ৰতিটো মুহূৰ্তে যোগাযোগ ৰক্ষা কৰি আহিছিল। বিগত প্ৰায় ২০ দিন ধৰি বাৰ্ধক্যজনিত কাৰণত গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন হৈ থকাৰ অন্তত কালি তেওঁ কঞ্জাকুছিৰ বাসভৱনলৈ এক মাংগলিক অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে আহিছিল যদিও আজি শেষ নিশ্বাস ত্যাগ কৰে। জীৱিত কালত শৰ্মাই কঞ্জাকুছি বলপুখুৰী পাৰ গোপাল মন্দিৰত এবিঘা ভূমি দান কৰাৰ উপৰি গাঁওখনৰ দামোদৰদেৱ নামঘৰত ভূমি, দেৱাল, তোৰণ আদি নিৰ্মাণ কৰি দিছিল। ইয়াৰ উপৰি ঘগ্ৰাপাৰ হাইস্কুলত এটা পুথিভঁৰালো দান কৰিছিল। প্ৰয়াত শৰ্মাই জীৱন জেউতি, দীপশিখা, জাগ্ৰত ভাৰত,কল্পনাৰ কুহেলিকা আদি প্ৰৱন্ধ, নাটক, কথা কবিতা পুথি ৰচনা কৰিছিল। তেওঁৰ মৃত্যুত সাংসদ দিলীপ শইকীয়া, নলবাৰীৰ বিধায়ক তথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, ঘগ্ৰাপাৰ হাইস্কুল, কঞ্জাকুছি গাঁও উন্নয়ন সমিতিকে ধৰি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ, চাৰি কন্যাৰ লগত অনেক গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

# সন্ধানহীন পঞ্চায়ত প্ৰতিনিধি নৈত উটি যোৱাৰ সন্দেহ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১২ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম অঞ্চলৰ পঞ্চায়ত প্ৰতিনিধি এগৰাকী কালি আবেলি পানীত পৰি সন্ধানহীন হোৱাৰ ৩৬ ঘণ্টা অতিক্ৰম হোৱাৰ পাছতো কোনো সন্ধান উলিয়াব পৰা নাই। তথ্য মতে, জিলাখনৰ সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ অন্তৰ্গত চক্ৰভৌম পঞ্চায়তৰ সোণাখুলি দ্বিতীয় খণ্ডৰ পঞ্চায়ত প্ৰতিনিধি তথা কলবাৰীৰ বাসিন্দা ধীৰেশ্বৰ ৰায়ে কালি আবেলি নিকটতে থকা চেকাটি নৈ পাৰ হ'বলৈ লওঁতেই পানীৰ সোঁতে উটুৱাই নিয়ে। এই ঘটনা প্ৰত্যক্ষ কৰি সম্বন্ধীয় লোক এজনে চুবুৰীয়া লোকক অৱগত কৰায় আৰু লগে লগে স্থানীয় যুৱকৰ দল এটাই নৈখনৰ মাজত ধীৰেশ্বৰৰ সন্ধানত নামি পৰে যদিও সন্ধিয়ালৈকে কোনো শুংসূত্ৰ উলিয়াব নোৱাৰিলে। কালি এন্ধাৰ নামি অহাৰ বাবে আজি পুৱাৰে পৰা এছডিআৰএফ বাহিনীয়ে উদ্ধাৰ অভিযান চলায় যদিও বাতৰি লিখা পৰলৈকে ধীৰেশ্বৰৰ কোনো সন্ধান উলিয়াব পৰা নাই। উল্লেখ্য যে বিজেপি দলৰ পৰা সোণাখুলি দ্বিতীয় খণ্ডৰ পঞ্চায়ত প্ৰতিনিধিৰূপে চক্ৰভৌম গাঁও পঞ্চায়তত কাৰ্যনিৰ্বাহ কৰা ৪৬ বছৰীয়া ধীৰেশ্বৰ ৰায় এগৰাকী কন্যা সন্তানৰ পিতৃ।

# লাহৰীঘাটৰ চেতুৱাইখাইতীত দুৰ্ঘটনাত আহত সাতজন

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ১২ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত সংঘটিত হৈছে এক পথ দুৰ্ঘটনা। দুৰ্ঘটনাটোত সাতজনকৈ লোক আহত হয়। যোৱা নিশা লাহৰীঘাটৰ বগলীপাৰা-মৰিগাঁও সংযোগী গড়কাপ্তানী পথৰ চেতুৱাইখাইতীত ই-ৰিক্সা আৰু মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষত সাতজন লোক আহত হয়। তথ্য মতে, ই-ৰিক্সাখন বগলীপাৰাৰ পৰা ধুপগুৰিলৈ যাত্ৰীসহ গৈ থকা অৱস্থাত বিপৰীত ফালৰ পৰা তীব্ৰ বেগত অহা এ-২১ কে-৩৬২৯ নম্বৰৰ পালছাৰ মটৰ চাইকেলৰ লগত মুখামুখি সংঘৰ্ষত মটৰ চাইকেল আৰোহী আৰু ই-ৰিক্সাৰ চালকসহ সাতজন লোক আহত হয়। দুৰ্ঘটনাত আহত হোৱা ব্যক্তিসকল ক্ৰমে আজহাৰুল ইছলাম, নুৰ হুছেইন, ইজাজুল হক, চেলিমা হাছান, শ্বাজিম আনচাৰী, চফিয়া খাতুন আৰু ই-ৰিক্সাৰ চালক এহিয়া আলম। খবৰ পোৱা মাত্ৰকে ঘটনাস্থলীত লাহৰীঘাট আৰক্ষী উপস্থিত হৈ মটৰ চাইকেলখন জব্দ কৰাৰ লগতে আহত লোকসকলক আৰক্ষীয়ে উন্নত চিকিৎসাৰ বাবে ঘটনাস্থলীৰ পৰাই মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

**Short Notice Inviting Tender**

[illegible]

Important Dates & Information:

- [illegible]
- [illegible]
- [illegible]
- [illegible]

Sd/-
Director
Elementary Education, Assam
Kahilipara, Guwahati-19

Janasanyog/C/11776/22

# চতিয়াত জিলা পৰিষদৰ পুঁজি ব্যৱহাৰত ব্যাপক অনিয়ম

## ■ ৫৩২০০০ টকা ব্যয় সাপেক্ষে নিৰ্মিত হ'ল তিনি ফুট প্ৰস্থ

## ■ ৫০ মিটাৰ দৈৰ্ঘ্যৰ নলবাৰীৰ গায়ন পথৰ তিনি বছৰে লিখা নহ'ল ফলক



অগ্ৰদূত বাৰ্তা

**চতিয়া, ১২ অক্টোবৰ ঃ** বিশ্বনাথ বিধানসভা সমষ্টিৰ অন্তৰ্গত চতিয়াৰ নলবাৰীৰ গাঁৱৰ গায়ন বৰা পথ নিৰ্মাণত ব্যাপক দুৰ্নীতি সংঘটিত হোৱা বুলি স্থানীয় নলবাৰী গাঁৱৰ ৰাইজে অভিযোগ উত্থাপন কৰিছে। চতিয়া এক নম্বৰ নলবাৰী গাঁৱৰ গায়ন পথ নামেৰে এটি পথ নিৰ্মাণৰ বাবে চতিয়া জিলা পৰিষদৰ সদস্যজনে ৫৩২০০০ টকা যোৱা ২০১৯-২০ত আবণ্টন দিছিল। উক্ত পথ নিৰ্মাণ কৰাৰ বাবে গাঁৱৰে এজন যুৱকক দিয়া হৈছিল। কিন্তু আচৰিত কথা যে পথ নিৰ্মাণকাৰী ঠিকাদাৰে মাত্ৰ তিনি ফুট বহল আৰু ৮০ ফুট দৈৰ্ঘ্যৰ পথছোৱা কেৱল কেইগাড়ীমান মাটি পেলাই কাম সমাপ্ত কৰি সমুদায় ধন আত্মসাৎ কৰা বুলি গাঁৱৰ ৰাইজে অভিযোগ উত্থাপন কৰিছে। লগতে ৰাইজে অভিযোগ তুলিছে যে কি কাৰণত জিলা পৰিষদৰ সদস্যজনে কম দৈৰ্ঘ্যৰ পথছোৱাত কেৱল মাটি আৰু শিল-বালি ছটিওৱাৰ নামত বুজন পৰিমাণৰ ধন আবণ্টন দিলে? আনহাতে, পথছোৱা জিলা পৰিষদৰ কাৰ্যালয়ৰ পৰা পৰিদৰ্শন আৰু জৰীপ নকৰাকৈয়ে কেনেকৈ সৰু পথছোৱাৰ নামত বুজন পৰিমাণৰ ধন জিলা পৰিষদে মোকলাই দিলে। ৰাইজে অভিযোগ কৰা মতে, পথছোৱা নিৰ্মাণৰ নামত মাত্ৰ ৫০ হেজাৰমান টকা ব্যয় কৰি বাকী টকা শৰাধ কৰিছে। সেই কাৰণে পথ নিৰ্মাণকাৰী ঠিকাদাৰে বিগত তিনি বছৰে ফলকখনত আঁচনিৰ নাম আবণ্টিত ধনৰ পৰিমাণ উল্লেখ কৰিবলৈ সাহস নহ'ল। উল্লেখ কৰা হ'লে তিনি বছৰৰ আগতে ৰাইজৰ ৰোষৰ বলি হ'লহেঁতেন। কম দৈৰ্ঘ্যৰ পথ কেৱল ছেণ্ডগ্ৰেভেল পথ নিৰ্মাণৰ নামত এই বুজন পৰিমাণৰ ধন আবণ্টন দিয়াৰ ক্ষেত্ৰত ৰাইজে জিলা পৰিষদৰ সদস্যজনৰ ওপৰতো সন্দেহৰ আঙুলি টোঁৱাইছে। সেয়ে চতিয়া এক নম্বৰ নলবাৰী গাঁৱৰ গায়ন পথ নিৰ্মাণত সংঘটিত ব্যাপক অনিয়মৰ উচিত তদন্তৰ বাবে ৰাইজে জিলা উপায়ুক্তৰ ওচৰত দাবী উত্থাপন কৰিছে।

# কাঠমাণ্ডুলৈ দুই যুৱকৰ সজাগতামূলক চাইকেল যাত্ৰা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১২ অক্টোবৰ ঃ** এক দুঃসাহসী যাত্ৰা আৰম্ভ কৰিছে দুজন যুৱকে। এজন যুৱক চিলাপথাৰৰ, আনজন হৈছে অৰুণাচলৰ। যুৱক দুজনে চাইকেল, এটা বেগ, এখন বেদ আৰু জাতীয় পতাকা লৈ নিজ ঘৰৰ পৰা দুহেজাৰ কিলোমিটাৰ চাইকেল যাত্ৰা কৰাৰ পৰিকল্পনা কৰিছে। চিলাপথাৰৰ কৃষ্ণ বিশ্বকৰ্মা আৰু অৰুণাচলৰ দৰ্চি বাচাৰ নামৰ যুৱক দুজনে নেপাল, দাৰ্জিলিং আৰু ছিকিমলৈকে ৪৫-৫০ দিনৰ ভিতৰত চাইকেলেৰে যাত্ৰা কৰাৰ পৰিকল্পনা কৰিছে। দৰাচলতে এই দুই যুৱকৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল বৰ্তমান যুৱ প্ৰজন্ম বিভিন্ন নিচাজাতীয় সামগ্ৰীৰ প্ৰতি আকৰ্ষিত নহয় যাতে তেওঁলোকৰ মাজত থকা সুপ্ত প্ৰতিভসমূহ বিকাশ কৰে। তাৰ বাবে এই চাইকেল যাত্ৰাৰ যোগেদি যুৱ প্ৰজন্মৰ মাজত এক সজাগতা সৃষ্টি কৰা। যুৱক দুজনে কালিয়ে চিলাপথাৰৰ পৰা যাত্ৰা আৰম্ভ কৰি কালি কিছু সময় বিশ্বনাথ নগৰত কিছু সময় ৰৈ পুনৰ তেজপুৰত নিশা পাৰ কৰিব।

**চিলাপথাৰৰ পৰা ছিকিম, কাঠমাণ্ডুলৈ যাত্ৰা**

# তিনিচুকীয়া উপায়ুক্ত কাৰ্যালয় চৌহদত গুট্‌খা, ধপাত, চিগাৰেট, তামোল সেৱন নিষিদ্ধ

**তিনিচুকীয়া, ১২ অক্টোবৰ ঃ** জনস্বাস্থ্যৰ সুৰক্ষা তথা জিলা উপায়ুক্ত কাৰ্যালয় আৰু আদালতৰ চৌহদৰ চাফ-চিকুণতাৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া জিলা দণ্ডাধীশ নৰসিং পৱাৰে ফৌজাদাৰী কাৰ্যবিধিৰ ১৪৪ ধাৰাৰ অধীনত তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ জিলা উপায়ুক্ত কাৰ্যালয় তথা জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতৰ চৌহদত গুট্‌খা, ধপাত, চিগাৰেট আৰু তামোল-পাণৰ সেৱন নিষিদ্ধ কৰিছে। ইয়াৰ উপৰি, নিষিদ্ধ একক ব্যৱহাৰ্য প্লাষ্টিকৰ ব্যৱহাৰ, কাৰ্যালয় চৌহদত আৱৰ্জনা পেলোৱা আৰু মুকলি ঠাইত প্ৰস্ৰাৱ কৰা সন্দৰ্ভত সঘনাই দাখিল কৰা অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া জিলা দণ্ডাধীশজনে জিলা উপায়ুক্ত কাৰ্যালয় তথা জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতৰ চৌহদত আৱৰ্জনা পেলোৱা, মুকলি ঠাইত প্ৰস্ৰাৱ কৰা আৰু একক ব্যৱহাৰ্য প্লাষ্টিকৰ ব্যৱহাৰত নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞাসমূহ পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব। কোনো ব্যক্তিয়ে এই নিষেধাজ্ঞাসমূহ উলংঘা কৰিলে ভাৰতীয় দণ্ড বিধি আইন ১৮৮ ধাৰা অধীনত কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা প্ৰশাসনে সকীয়াই দিছে।

**এবাৰ ব্যৱহাৰ্য প্লাষ্টিকৰ ব্যৱহাৰতো নিষেধাজ্ঞা জাৰি**

# মধ্য যোৰহাটৰ গ্ৰাম্য অঞ্চলৰ জৰাজীৰ্ণ পথ



অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১২ অক্টোবৰ ঃ** লোকনিৰ্মাণ বিভাগ যোৰহাট সংমণ্ডলৰ অন্তৰ্গত মধ্য যোৰহাটৰ বৰখেলীয়া, বামুণগাঁও, সুদামুৰা, বালিচাপৰি বহঁতগাঁও, পূজাৰীগাঁও, তিনিকুণীয়া, ডেকা চমুৰা আদি কৰি ২০টাৰো অধিক পকী পথ ভাগি-ছিগি এৰাই জৰাজীৰ্ণ হৈ পৰিছে। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা আঁচনিৰ অধীনত এই পথসমূহ নিৰ্মাণ কৰা হৈছিল। মধ্য যোৰহাটৰ গ্ৰাম্য অঞ্চলক প্ৰতিটো পথতে নিৰ্মাণত আসোঁৱাহ ৰৈ যোৱাত পকী পথসমূহ পকীকৰণ কৰাৰ এবছৰতে চপৰা চপৰে এৰাই যায়। লোক নিৰ্মাণ বিভাগ যোৰহাট সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাক ৰাইজে অভিযোগ দাখিল কৰিও কোনো সুফল নাপালে। মধ্য যোৰহাটৰ গ্ৰাম্য অঞ্চলক পকী জৰাজীৰ্ণ পথ মেৰামতি কৰিবলৈ অসম চৰকাৰৰ 'অসম মালা' আঁচনিৰ দ্বাৰা মেৰামতি কৰা হ'ব বুলি এক প্ৰচাৰো চলিছিল। কিন্তু কাৰ্যক্ষেত্ৰত মেৰামতি কাম হৈ নুঠিল। ৰাইজে কৰৰ বোজা ঠিকেই বহন কৰিছে, কিন্তু যাতায়াতৰ ক্ষেত্ৰত ভুগি থকা যমৰ যাতনা কেতিয়া উপশম ঘটিব তাক লৈ প্ৰশ্ন উত্থাপন হৈছে।

# বৰনগঞা নামঘৰত আসন প্ৰতিষ্ঠা-অবিৰত ভাগৱত পাঠ

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১২ অক্টোবৰ ঃ** যোৰহাট জিলাৰ চেলেংহাটৰ বৰনগঞা গাঁৱত ১৬ৰ পৰা ২৬ অক্টোবৰলৈ নামঘৰৰ আসন প্ৰতিষ্ঠা আৰু অবিৰত ভাগৱত পাঠ অনুষ্ঠানৰ আয়োজন কৰিছে। উল্লেখ্য যে ২৯২৬তে স্থাপিত বৰনগঞা নামঘৰৰ মণিকূট ভাগি গাঁওবাসী, অসম চৰকাৰৰ অসম দৰ্শন আঁচনি, ৰাইজৰ দান বৰঙণি আৰু শ্ৰমেৰে সৰ্বাংগ সুন্দৰভাৱে পুনৰ নিৰ্মাণ কৰি উলিয়াইছে। অহা ২৬ অক্টোবৰত নৱনিৰ্মিত মণিকূটত গুৰু আসন প্ৰতিষ্ঠা কৰা হ'ব। তদুপলক্ষে সেইদিনৰ পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰিব নামঘৰ পৰিচালনা সমিতিৰ সভপাতি বিনোদ গগৈয়ে। মণিকূটৰ আসন প্ৰতিষ্ঠা কৰিব অচিন্ত দুৱৰাই। নামঘৰীয়া শিৱ বৰাই বন্তি প্ৰজ্বলন কৰাৰ পাছত শৰাই অৰ্পণ, নাম-প্ৰসংগ আৰু কীৰ্তন পাঠ। দুপৰীয়া বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ পাঠত অসম দৰ্শন আঁচনিৰ উদ্বোধন অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া গাঁৱৰ ঘৰে ঘৰে বন্তি প্ৰজ্বলন কৰা হ'ব। ১৭ অক্টোবৰৰ পুৱা নামঘৰীয়াই বন্তি প্ৰজ্বলন কৰাৰ পাছত শৰাই অৰ্পণ আৰু ভাগৱত প্ৰতিষ্ঠা কৰিব ভাৰত গগৈয়ে। নাম-প্ৰসংগ কৰিব হালোৱা পথাৰৰ নামাচাৰ্য ফটিক শইকীয়াই। পুৱা ৯.৩০ বজাৰ পৰা আৰম্ভ কৰা হ'ব অবিৰত ভাগৱত পাঠৰ। মুখ্য পাঠেকী হিচাপে অংশগ্ৰহণ কৰিব পানীতোলা গাঁৱৰ নৰেন্দ্ৰ গগৈয়ে। ২০ অক্টোবৰৰ পুৱা অবিৰত ভাগৱত পাঠ সামৰণিৰ পাছত নাম-প্ৰসংগ হ'ব। নাম-প্ৰসংগ নামাচাৰ্য হিচাপে অংশগ্ৰহণ কৰিব বৰ্মা কানুপুখুৰীৰ প্ৰাঞ্জল বৰুৱাই। প্ৰসাদ বিতৰণৰ পাছত ধৰ্মধ্বজা অৱতৰণ কৰা হ'ব। সন্ধিয়া বৰনগঞা গাঁৱৰ বিকাশ গগৈ আৰু পৰিয়ালবৰ্গই আগবঢ়োৱা 'শ্ৰীৰাম পৰাজয় সীতাৰ পাতাল গমন' নামৰ ভাওনা ভাগ প্ৰদৰ্শন কৰিব ফুলপানীছিগাৰ অৰুণোদয় সাংস্কৃতিক গোষ্ঠীৰ শিল্পীসকলে।

# ১৫-১৬ অক্টোবৰত বলমাত শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১২ অক্টোবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ, বলমা আঞ্চলিক শাখাৰ সৌজন্যত দোলাখৰীয়া নবোদয় প্ৰাথমিক শাখাৰ নামঘৰত ১৫ আৰু ১৬ অক্টোবৰত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উদযাপনৰ আয়োজন কৰিছে। দোলাখৰীয়া নবোদয় প্ৰাথমিক আৰু টিপমীয়া প্ৰাথমিক শাখাৰ আতিথ্যত আয়োজিত মহোৎসৱৰ প্ৰথম দিনৰ পুৱা প্ৰাতঃপ্ৰসংগৰে কাৰ্যসূচীৰ আৰম্ভণি কৰিব ফণীধৰ গগৈয়ে। গছপুলি ৰোপণৰ পাছত ধৰ্মধ্বজা উত্তোলন কৰিব শ্ৰীমন্ত শংকৰ সংঘৰ বলমা আঞ্চলিক শাখাৰ সভাপতি অতুল চন্দ্ৰ দলৈয়ে। পুৱা ভাগৱতসহ শোভাযাত্ৰা। শোভাযাত্ৰা সামৰণিৰ পাছত নাম-প্ৰসংগ আৰু শংকৰী সংস্কৃতি প্ৰদৰ্শন অনুষ্ঠান। দ্বিতীয় দিনৰ পুৱা নাম-প্ৰসংগৰ পাছত মুকলি সভা অনুষ্ঠিত কৰা হ'ব। অতুল চন্দ্ৰ দলৈৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া সভা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সম্পাদক মুকুল বৰুৱাই উদ্বোধন কৰিব বুলি জনাইছে আদৰণি সমিতিয়ে।

# গোৱালপাৰাত বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ অক্টোবৰ ঃ** গোৱালপাৰা জিলা মানসিক স্বাস্থ্য সেৱা সমিতিৰ উদ্যোগত কালি বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন কৰা হয়। এই উপলক্ষে মানসিক চিকিৎসক ডাঃ উপাময় নাথৰ সঞ্চালনাত গোৱালপাৰা অসামৰিক চিকিৎসালয়ত অনুষ্ঠিত সভাত নতুনকৈ যোগদান কৰা জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ সৌৰভ গগৈ, ডাঃ জোনবীৰ দাস, ডাঃ আব্দুছ ছালাম, ডাঃ হৃষীকেশ কলিতা উপস্থিত থাকি মানসিক ৰোগৰ কাৰণ আৰু চিকিৎসা সন্দৰ্ভত ভাষণ দিয়ে। সভাত এএনএম আৰু জিএনএমৰ ছাত্ৰসকলৰ মাজত মানসিক ৰোগৰ ওপৰত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। প্ৰতিযোগিতাত স্থান লাভ কৰা ছাত্ৰীসকলৰ মাজত পুৰস্কাৰ বিতৰণ কৰা হয়। অনুষ্ঠানৰ পূৰ্বে চিকিৎসালয় চৌহদত মানসিক ৰোগৰ ওপৰত এখন সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰা হয়।

# কঠিয়াতলিত তীব্ৰবেগী মটৰ চাইকেলৰ খুন্দাত মৃত্যু কিশোৰ

অগ্ৰদূত বাৰ্তা

**কঠিয়াতলী, ১২ অক্টোবৰ ঃ** নগাঁও জিলাৰ কঠিয়াতলী ৰেংবেং ফাৰ্মগেটৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা সংঘটিত হোৱা এক মটৰ চাইকেল দুৰ্ঘটনাত এটি কিশোৰৰ মৃত্যু হয়। ডবকা অভিমুখে তীব্ৰ বেগেৰে আহি থকা এএছ-০৯ এইছ ২৪৯২ নম্বৰৰ য়ামাহা এমটি মটৰ চাইকেল ঘাইপথ পাৰ হোৱা সময়তে গংগাৰাম ঠাকুৰী (১২) নামৰ কিশোৰজনক খুন্দা মৰাৰ ফলত তেওঁৰ ঘটনাস্থলীতেই মৃত্যু হয়। কৰ্মসূত্ৰে কঠিয়াতলীত বসবাস কৰা কিশোৰজনৰ স্থায়ী বাসস্থান শোণিতপুৰ জিলাত।

# বৰমাত আম আদমী পাৰ্টিৰ সভা

## চাৰি পঞ্চায়তত দলৰ সাংগঠনিক দিশৰ ওপৰত গুৰুত্ব আৰোপ

**বৰমা, ১২ অক্টোবৰ ঃ** বৰমাত আজি প্ৰথমবাৰৰ বাবে আম আদমী পাৰ্টিৰ (আপ)ৰ এখন সভা অনুষ্ঠিত হয়। কে'বাজনো দলীয় কৰ্মী উপস্থিত থকা সভাত সভাতিত্বত কৰে ছাগ্ৰাম চৌধুৰীয়ে। সভাত কে'বাটাও গুৰুত্বপূৰ্ণ আলোচনা কৰাৰ উপৰি আগন্তুক পঞ্চায়ত নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ কিদৰে বৰমাত দলৰ ভেটি মজবুত কৰিব পাৰি তাৰ ওপৰত কে'বাজনো কৰ্মীয়ে বক্তব্য আগবঢ়ায়। সভাত ৰাজ্যিক প্ৰতিনিধি পবিত্ৰ বড়োকে ধৰি কে'বাজনো ৰাজ্যিক সমিতিৰ সদস্য উপস্থিত থাকি দলীয় বক্তব্যত সংগঠন মজবুত কৰিবলৈ আহ্বান জনায়। সভাত পঞ্চায়ত নিৰ্বাচনৰ কাৰণে বৰমা বিধানসভা সমষ্টিৰ চাৰিটা পঞ্চায়ত সমষ্টিৰ আম আদমী পাৰ্টিৰ ভেটি সুদৃঢ় কৰাৰ কাৰণে ছাগ্ৰাম চৌধুৰীক আহ্বায়ক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰি দিয়ে।

# গেলেকী মহাবিদ্যালয়ৰ সহযোগত নিচাযুক্ত দ্ৰব্যৰ সন্দৰ্ভত সজাগতা সভা



অগ্ৰদূত বাৰ্তা

**নামতি, ১২ অক্টোবৰ ঃ** আজি 'নিউ দে ভিচন ফাউণ্ডেছন'ৰ উদ্যোগত গেলেকী মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয়ৰ সভাগৃহত নিচাযুক্ত দ্ৰব্যৰ সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত কৰা হয়। ভাস্কৰজ্যোতি মহন্তই আঁত ধৰা, উদ্দেশ্যে ব্যাখ্যা কৰা সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ পূৰ্ণিমা চেতিয়াই। সভাত অসম ৰাজ্যিক নিয়ন্ত্ৰণ সমিতিৰ সমল ব্যক্তি গোপাল পাণ্ডে, সমাজকৰ্মী হেলিম ৰহমান, জয়ন্ত শইকীয়াৰ লগতে ভাস্কৰজ্যোতি মহন্তই বক্তব্য আগবঢ়াই নিউ দে ভিছন ফাউণ্ডেছন'ৰ পৰিচালক পলাশ দত্তৰ লগতো সদস্য দুলাল বৰা আৰু প্ৰতিনিধিবৰ্গৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল ক্ৰমে অজিত ফুকন, কৃষ্ণ চেতিয়া, নমিতা কোঁৱৰ, হেমন্ত বৰাৰ লগতে আন কৰ্মচাৰীসকলো উপস্থিত থাকে।

# কৃষ্ণাই নৈৰ বুকুত সন্ধানহীন তুৰাতাৰামৰ যুৱকৰ মৃতদেহ নেপালীখুঁটিত উদ্ধাৰ



অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১২ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত খাৰদাঙত কালি আবেলি নৈৰ বুকুত নিখোঁজ খোৱা যুৱকজনৰ অৱশেষত আজি মৃতদেহ উদ্ধাৰ হয়। মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত নেপালীখুঁটি কৃষ্ণাই নৈৰ পানীযুঁৱলিত ওপঙি থকা অৱস্থাত উদ্ধাৰ হয় যুৱকজনৰ মৃতদেহ। উল্লেখ্য যে কালি আবেলি প্ৰায় ২.৩০ বজাত খাৰদাঙৰ গাতে লাগি থকা মেঘালয় তুৰাতাৰাম অঞ্চলৰ নৰেশ চাংমা (৩৫) নামৰ যুৱকজনে খাৰদাং তৰেংথপ ঘাটেৰে নৈৰ পূব পাৰলৈ গৰু এটা নি থকাৰ পৰতে কৃষ্ণাই নৈত উটি যায়। প্ৰণিধানযোগ্য যে অঞ্চলটোত নৈ পাৰ হ'বলৈ কোনো দলং নথকাত নৰেশে তৰেংথপ-জিৰা ঘাটেৰে গৰুসহ সাঁতুৰি নৈ পাৰ হ'বলৈ চেষ্টা কৰাৰ সময়তে কোবাল সোঁতত উটি যায়। লগে লগে অঞ্চলটোত হাহাকাৰ লাগে। ইফালে, খবৰ পোৱা মাত্ৰেই ঘটনাস্থলীত উপস্থিত হয় কৃষ্ণাই আৰক্ষী বাহিনী। খবৰ দিয়া হয় এছডিআৰএফ বাহিনীক। আৰম্ভ হয় উদ্ধাৰ অভিযান। পিছে কালি সন্ধিয়ালৈ কোনো শুংসূত্ৰ পোৱা নগ'ল নৰেশৰ। আজি পুনঃ নিখোঁজ যুৱকজনৰ সন্ধানত কৃষ্ণাই নৈৰ বুকুত অভিযান চলায় আৰক্ষী তথা এছডিআৰএফ বাহিনীয়ে। তেনে সময়তে ঘটনাস্থলীৰ পৰা উত্তৰে প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ নেপালীখুঁটিত নৈত এটি মৃতদেহ উদ্ধাৰ হোৱাৰ বাতৰি লাভ কৰে আৰক্ষীয়ে। লগে লগে মৰনৈ আৰু কৃষ্ণাই আৰক্ষী নেপালীখুঁটিত উপস্থিত হৈ ৰাইজৰ সহযোগত মৃতদেহটো উদ্ধাৰ কৰে আৰু যুৱকজনৰ পৰিয়ালৰ জৰিয়তে সেয়া নৰেশৰ মৃতদেহ বুলি নিশ্চিত হয়। ইতিমধ্যে আৰক্ষীয়ে যাৱতীয় কাম-কাজ সমাধা কৰি মৃতদেহটো মৃত যুৱকজনৰ পৰিয়ালক গতাই দিয়ে। এই অনাকাংক্ষিত ঘটনাটোৱে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

# তিনি বছৰে সম্পন্ন নহ'ল মন্দিয়া-দিঘীৰপাম সংযোগী গড়কাপ্টানী পথৰ দলং



**মন্দিয়া, ১২ অক্টোবৰ ঃ** অসম চৰকাৰে বাটপথ উন্নয়নৰ নামত কোটি কোটি ব্যয় কৰি আহিছে যদিও আজিও একাংস গ্ৰামাঞ্চলৰ বাটপথ পানীত হাঁহনচৰা অৱস্থাত আছে। সম্প্ৰতি বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত মন্দিয়া-দিঘীৰপাম গড়কাপ্টানী পথৰ ওপৰতে থকা এক নম্বৰ পকী দলঙৰ নিৰ্মাণ কাৰ্য সম্পন্ন নহ'ল। জনৈক ঠিকাদাৰে প্ৰায় দুই-তিনি বছৰ ধৰি লেহেমীয়া গতিত চলাই আছে নিৰ্মাণ কাৰ্য। ইফালে, বিকল্প কাঠৰ দলংখন জহি-খহি জৰাজীৰ্ণ অৱস্থাত আছে যদিও মেৰামতিৰ অভাৱত বিধ্বস্ত হৈ আছে. সম্প্ৰতি কাঠৰ দলংখনৰ ওপৰেদি নিতৌ হেজাৰ হেজাৰ ৰাইজৰ লগতে স্কুল-কলেজৰ দলংখন অতি দুৰ্বল আৰু ঠেক হৈ পৰিছে। দলংখনৰ ওপৰেদি এক বিপদসংকুল পৰিৱেশৰ মাজেৰে যাতায়াত অব্যাহত ৰাখিবলগীয়া হৈছে। ফলত যিকোনো মুহূৰ্তত ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা আছে। উল্লেখ্য শীঘ্ৰেই বৃহত্তৰ অঞ্চলটোৰ যাতায়াতৰ গুৰুত্বপূৰ্ণ কাঠৰ দলংখনৰ প্ৰয়োজনীয় মেৰামতি তথা পুনৰ নিৰ্মাণৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে অচিৰেই যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিব। উক্ত পকী দলংখন অতি সোনকালে নিৰ্মাণ কৰাৰ বাবে বিভিন্ন দল-সংগঠনে বিভাগীয় কৰ্তৃপক আৰু জনপ্ৰতিনিধিক আবেদন-নিবেদন কৰি আহিছে যদিও আজিলৈকে কোনো ধৰণৰ কাৰ্যকৰী ব্যৱস্থা পৰিলক্ষিত নহ'ল। অতি শীঘ্ৰে দলংখনৰ নিৰ্মাণকাৰ্য সম্পন্ন কৰিবলৈ স্থানীয় প্ৰশাসনৰ লগতে স্থানীয় বিধায়ক শ্বেৰমান আলী আহমেদৰ দৃষ্টি আকৰ্ষণ কৰিছে অঞ্চলটোৰ সচেতন মহলে।

# বিশ্বনাথ মহাবিদ্যালয় চৌহদত অনুষ্ঠিত কৰা হ'ল আছু গোটৰ গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১২ অক্টোবৰ ঃ** কালি বিশ্বনাথ মহাবিদ্যালয় আছু গোটৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়। বিশ্বনাথ মহাবিদ্যালয়ৰ আছু গোটৰ কাৰ্যালয়ত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত আছুৰ সাংগঠনিক দিশৰ ওপৰত আলোচনা কৰাৰ লগতে অনাগত দিনত কৰিব লগা কিছু কামকে ধৰি বিশ্বনাথ মহাবিদ্যালয়ৰ বিভিন্ন সমস্যা কিদৰে সমাধান কৰিব পাৰি এই বিষয়সমূহৰ ওপৰত আলোচনা কৰা হয়। ইতিমধ্যে বিশ্বনাথ মহাবিদ্যালয়ত বিভিন্ন ছাত্ৰ সংগঠনে গা কৰি উঠিছে। যাৰ বাবে বিশ্বনাথ মহাবিদ্যালয়ত এতিয়া ছাত্ৰ সংগঠনসমূহে নিজৰ সাংগঠনিক শক্তি বৃদ্ধি কৰাৰ লগতে পূৰ্বতকৈ অধিক সক্ৰিয় হৈ পৰা পৰিলক্ষিত হৈছে। তাৰ সমান্তৰালভাৱে বিশ্বনাথ মহাবিদ্যালয়া আছু গোটেও নিজৰ সাংগঠনিক শক্তি বৃদ্ধি কৰাত গুৰুত্ব প্ৰদান কৰিছে। কাৰ্যনিৰ্বাহক সভাত বিশ্বনাথ মহাবিদ্যালয়ৰ আছু গোটৰ সভাপতি-সম্পাদককে ধৰি বহু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# মঙলদৈৰ চৰ-চাপৰিৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১২ অক্টোবৰ ঃ** মঙলদৈ চহৰৰ নিকটৱৰ্তী বান্দিয়াৰ ইষ্ট মঙলদৈ ছুপাৰ ষ্টাৰ ক্লাবৰ উদ্যোগত চলিত বৰ্ষৰ উচ্চ, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ষ্টাৰ, ডিষ্টিংছন পোৱা আৰু মেডিকেলৰ নীট পৰীক্ষাত উত্তীৰ্ণ চৰ অঞ্চলৰ কৃতী ছাত্ৰ-ছাত্ৰীক কালি সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে ক্লাবৰ চৌহদত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক এম নবীৰ আলীৰ সঞ্চালনাত অনুষ্ঠিত ৰাজহুৱা সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে দৰঙৰ সহকাৰী আয়ুক্ত ৰিণি হাজৰিকা। আমন্ত্ৰিত অতিথিৰূপে দলগাঁও ডায়েটৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নাজিবৰ ৰহমান, সমাজকৰ্মী তথা বিশিষ্ট চিকিঠৎসক ডাঃ কমলেশ্বৰ নাথ, মঙলদৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° চাহাবুদ্দিন আহমেদ, শিক্ষক ড° নৱাব আলী, ৰেইনবো একাডেমীৰ অধ্যক্ষ মমিনুৰ ৰহমান, সাংবাদিক আছাদ আলী আদিয়ে উপস্থিত থাকি কৃতী ছাত্ৰ-ছাত্ৰীসকলক গামোচা, জাপি, মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে একোধনকৈ অভিধান উপহাৰ প্ৰদান কৰে। তদুপৰি শৈক্ষিক দিশত পিছপৰা অঞ্চলটোৰ পৰা এইবাৰ নীট পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ইয়াছমিন নৱাজ আৰু নুৰুল আমিনক মেডিকেল ছায়েন্সৰ ডিক্সনেৰী উপহাৰ দিয়ে। সহকাৰী আয়ুক্ত ৰিণি হাজৰিকাই ছাত্ৰ-ছাত্ৰীক উদ্দেশি উদগনিমূলক ভাষণত কয় যে এইবেলি দুগৰাকীয়ে মেডিকেল কলেজত অধ্যয়নৰ বাবে আসন লাভ কৰিছে। তেওঁলোকক আদৰ্শ হিচাপে লৈ অহাবাৰ কমেও ১০গৰাকীয়ে যেন সফলতা লাভ কৰে তাৰ বাবে প্ৰচেষ্টা চলাব লাগিব। তদুপৰি উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত স্থান দখল কৰিবলৈও এই অঞ্চলৰ শিক্ষাৰ্থীয়ে পঢ়া-শুনাত মনোনিৱেশ কৰিব লাগিব বুলি কয়।

# পূজা-পাতল কৰিলেই ভগৱান সন্তুষ্ট নহয়

## ■ কুছিজাৰৰ লক্ষ্মী পূজাৰ হীৰক জয়ন্তীত মৃণালিনী দেৱী

**বৰমা, ১১ অক্টোবৰ ঃ** 'পুৰুষ আৰু প্ৰকৃতিৰ এটাও অবিহনে সৃষ্টি হ'ব নোৱাৰে। মন্দিৰত বহিলেই ভগৱান লাভ কৰিব নোৱাৰি। জাকজমকতাৰে পূজা-পাতল কৰিলেই ভগৱান সন্তুষ্ট নহয়। ভগৱানক পাবলৈ হ'লে শ্ৰদ্ধাবান হ'ব লাগিব।' কালি বাগ্‌সা জিলাৰ কুছিজাৰৰ শ্ৰীশ্ৰীলক্ষ্মী পূজা মহোৎসৱৰ হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপনৰ তৃতীয় দিনাৰ কাৰ্যসূচীৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰি অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে এইদৰে কয়। তেওঁ ভাষণ প্ৰসংগত গীতাৰ কথা, বেদৰ কথা মানুহে পাহৰি গৈছে বুলি কয়। আজি ভাৰতবৰ্ষত কেইগৰাকী মাতৃয়ে মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ দুজনাৰ পাছত মহাপুৰুষৰ জন্ম দিব পাৰিলে মহিলাসকলক প্ৰশ্ন কৰে। তেওঁ নামঘৰত কীৰ্তন ঘোষা আৰু নাম ঘোষা গ্ৰন্থ দুখনৰ বিষয়ে আলোচনা কৰাৰ পোষকতা কৰে। স্মৃতিগ্ৰন্থ 'লক্ষ্মী জ্যোতি'ৰ জ্যোতিৰে সকলোকে উজলাই তুলিব বুলি কৈ তেওঁ লেখকসকলক উদ্দেশি ৰূপান্তৰেদি জগত ধুনীয়া কৰে বুলিও উল্লেখ কৰি গ্ৰন্থই মানুহক চিৰযুগমীয়া কৰি ৰাখিব পাৰে বুলি কয়। তেওঁ প্ৰাচীন সাহিত্যক আঁকোৱালি ল'বলৈ আহ্বান জনায় আৰু গ্ৰন্থ সকলোৰে বন্ধু বুলি কয়। প্ৰাচীন গ্ৰন্থ ৰামায়ণ, মহাভাৰত অধ্যয়ন কৰাটো নৱপ্ৰজন্মৰ সময় আহি পৰিছে বুলি তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ আধ্যাত্মিক শক্তিয়ে ভাৰতবৰ্ষক অধিক শক্তিশালী কৰি তুলিছে বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত উপস্থিত থাকি বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে এজন লোকক সফল মানুহ হিচাপে গঢ়ি তুলিবলৈ হ'লে আধ্যাত্মিক জ্ঞান থাকিব লাগিব বুলি কয়। লগতে আধ্যাত্মিক জ্ঞান নাথাকিলে তেওঁক সফল ব্যক্তি বুলি ক'ব নোৱাৰি বুলি কয়। তেওঁ নৱ প্ৰজন্মক আধ্যাত্মিক জ্ঞানৰ ওপৰত গুৰুত্ব দিব লাগে বুলি কয়। সভাত প্ৰাক্তন সমাজ কল্যাণ মন্ত্ৰী ৰেখাৰাণী দাস বড়োৱে উপস্থিত থাকি তেওঁ ১৯৮৫ৰ তুলনাত কুছিজাৰ গাঁওখন আজি বহু পৰিৱৰ্তন হোৱা বুলি কয়। শব্দই ব্ৰহ্ম বুলি কোৱাৰ লগতে স্মৃতিগ্ৰন্থখনৰ প্ৰতিটো শব্দতে ব্ৰহ্ম থকাৰ কথা উল্লেখ কৰে। মানুহৰ দৃষ্টি সদায় দূৰলৈ হ'ব লাগে বুলি কোৱাৰ উপৰি মানুহক সদায় পোহৰ বিচাৰি যাবলৈ আহ্বান জনায়। সভাত উপস্থিত থাকে মুছলপুৰ পৰিষদীয় সমষ্টিৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, নলবাৰী গৰ্ডন হাইস্কুলৰ প্ৰাক্তন শিক্ষক শংকৰ দাস প্ৰমুখ্যে কে'বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ আৰম্ভণিতে আদৰণি ভাষণ আগবঢ়ায় স্মৃতিগ্ৰন্থৰ সম্পাদক মহীধৰ কলিতাই।



# তিনি বছৰে অসম্পূৰ্ণ লোক নিৰ্মাণ বিভাগৰ কোটিটকীয়া পথ

## ■ সাংসদ দিলীপ শইকীয়াই আধাৰশিলা কৰাত ঠিকাদাৰৰ চূড়ান্ত হেমাহি ■ এজাক বৰষুণতে বানপানী সদৃশ পৰিৱেশ



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১২ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বিষাগোম লোকনিৰ্মাণ বিভাগৰ ঘগ্ৰাপাৰৰ এটা গুৰুত্বপূৰ্ণ পথ আজি দুবছৰে অসম্পূৰ্ণ হৈ থকাত স্থানীয় ছাত্ৰ সন্থাকে ধৰি ৰাইজ জাঙুৰ খাই উঠিছে। সাংসদ দিলীপ শইকীয়াই আধাৰশিলা স্থাপন কৰা পথছোৱা ঠিকাদাৰৰ হেমাহিৰ বাবে আজি ছাত্ৰ-ছাত্ৰী তথা পথচাৰী ৰাইজে জ্বলাকলা খাবলগীয়া হৈছে। উল্লেখ্য যে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংলগ্ন বিলপাৰৰ এই পথটোৱে সৰ্বসাধাৰণ ৰাইজক নৰক যন্ত্ৰণা ভোগাইছে। উক্ত পথটোৱে অঞ্চলটোৰ ১০-১২খন গাঁৱৰ দৈনিক সহস্ৰাধিক লোক তথা যান-বাহন অহা-যোৱা কৰে। নলবাৰী জিলাৰ নিৰ্মীয়মাণ মেডিকেল কলেজলৈও বিষয়া-কৰ্মচাৰী এই পথটোৰে যাতায়াত কৰি আহিছে। কিন্তু লজ্জাজনকভাৱে এই পথটোৰ দুৱাৰডলি বিলপাৰৰ পথটোৰ মাজত প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰী সদৃশ গাঁত সৃষ্টি হোৱাই নহয় এজাক বৰষুণতে সংশ্লিষ্ট ঠাইৰ উপৰি বিলপাৰ গাঁৱৰ ঠায়ে ঠায়ে পথছোৱা অসম্পূৰ্ণ কামৰ বাবে বানপানী সদৃশ পৰিৱেশৰ সৃষ্টি হৈছে। উক্ত পথছোৱা পুনৰ নিৰ্মাণৰ বাবে বিগত দিনত ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাই স্থানীয় ৰাইজৰ সহযোগত এক পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰি চৰকাৰ তথা গড়কাপ্তানী বিভাগৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাত পথটোত দুই-তিনি গাড়ী শিলগুটি ছটিয়াই নলবাৰী গড়কাপ্তানী বিভাগ জীয়াই থকাৰ প্ৰমাণ কৰিছিল যদিও বৰ্তমান পথছোৱাৰ একে অৱস্থা। হঠাৎ মাহৰ মূৰত দুই এদিন পথটোৰ কাম কৰিবলৈ বনুৱা আহে যদিও ৰহস্যজনকভাৱে আকৌ কামটো বন্ধ হৈ পৰে। প্ৰণিধানযোগ্য যে প্ৰধান মন্ত্ৰী গ্ৰামচৰক যোজনাৰ অধীনত বিলপাৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা পূৰ্ণকামদেৱ পথছোৱা নিৰ্মাণৰ বাবদ আঠ কোটি ২০ লাখ ১২ হেজাৰ ছশ টকা ধাৰ্য কৰাৰ লগতে ২০২০ৰ ২৯ জানুৱাৰীত আৰম্ভণি কৰি ২০২০ৰ ২৬ অক্টোবৰত ১৩ পৃষ্ঠাত চাওক

# যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ ১৩ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১২ অক্টোবৰ ঃ** যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ ১৩ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি মহাবিদ্যালয় চৌহদত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ মাজেদি উদ্‌যাপন কৰা হয়। চিকিৎসা মহাবিদ্যালয়খনৰ ১৩ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি চিকিৎসা মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত আয়োজন কৰা হয় সাধাৰণ সভা আৰু অভিনন্দন অনুষ্ঠানৰ। যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ৰত্নকান্ত তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তথা বিশিষ্ট সাহিত্যিক ডাঃ ধ্ৰুৱজ্যোতি বৰা। মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰি ডাঃ বৰাই কয় যে আজি যোৰহাট চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হ'বলৈ পাই যথেষ্ট সুখী অনুভৱ কৰা বুলি উল্লেখ কৰি তেওঁ কয়, '২০০৫ৰ পৰাই যোৰহাট চিভিল হাস্পতালখনক যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ পৰ্যায়লৈ উন্নীত কৰাৰ এক সপোন ঠন ধৰি উঠিছিল। এই ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল প্ৰয়াত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ আৰু তদানীন্তন স্বাস্থ্যমন্ত্ৰী তথা বৰ্তমানৰ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আৰু বহু জল্পনা-কল্পনাৰ অন্ত পেলাই যোৰহাট চিকিৎসা মহাবিদ্যালয় স্থাপন হ'ল আৰু সগৌৰৱে ই ১৩ বছৰত ভৰি দিলে। খুব কম সময়ৰ ভিতৰতে ইয়াত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰিব পৰা হ'ল। আৰু বৰ্তমান প্ৰায় সকলো বিষয়তে স্নাতকোত্তৰ অনুমোদিত হৈছে।' তেওঁ আৰু কয় যে এখন চিকিৎসা মহাবিদ্যালয়ৰ মূল লক্ষ্য ১৩ পৃষ্ঠাত চাওক

# 'লভিতা'ৰ বিকৃতকৰণৰ বিৰুদ্ধে সৰৱ লাচিত সেনা

## ■ শুধৰণিৰ বাবে ১০ দিনৰ সময়সীমা অন্যথা তেজপুৰত 'আৱাহন'ৰ প্ৰদৰ্শনত বাধা দিয়াৰ হুংকাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১২ অক্টোবৰ ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অমৰ সৃষ্টি 'লভিতা' নাটকখন বিকৃত ৰূপ দি উপস্থাপন কৰাৰ বিৰুদ্ধে সৰৱ হৈছে বীৰ লাচিত সেনা অসম। আৱাহন থিয়েটাৰক এই ভুলৰ শুধৰণি কৰিবলৈ ১০ দিনৰ সময় সীমা বান্ধি দিছে সংগঠনটোৱে। অন্যথা আৱাহন থিয়েটাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গঢ়ি তোলাৰো সতৰ্কবাণী শুনাইছে সংগঠনটোৱে। আজি তেজপুৰত এক সংবাদমেলত এই বিষয়ে সদৰী কৰে বীৰ লাচিত সেনাই। তেজপুৰস্থিত শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সভাকক্ষত দুপৰীয়া অনুষ্ঠিত সংবাদমেলত বীৰ লাচিত সেনা অসমৰ সাংস্কৃতিক সম্পাদক নৱদ্বীপ বৰাই আৱাহন থিয়েটাৰে লভিতাৰ বিকৃত ৰূপ দিয়া সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অমৰ সৃষ্টি 'লভিতা'ক অস্ত্ৰোপচাৰ কৰি লভিতাৰ মূল দৰ্শনকেই বিকৃত কৰি প্ৰস্তুতি পৰাশৰ প্ৰযোজিত 'আৱাহন থিয়েটাৰ'ত নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যই প্ৰদৰ্শন কৰাৰ দুঃসাহস কৰিছে। এনে দুষ্কাৰ্যক সংগঠনটোৱে গৰিহণা দিয়ে। সংবাদমেলত লগতে লাচিত সেনাই কয় যে যদিহে আগন্তুক ১০ দিনৰ ভিতৰত নাট্যকাৰ ভট্টাচাৰ্যই নাটকখন শুধৰণি কৰি মঞ্চস্থ নকৰে তাৰ বাবে সমস্যাৰ সন্মুখীন হ'ব লাগিব। আনকি তেজপুৰত মাৰ্চত 'আৱাহন' থিয়েটাৰৰ নিৰ্ধাৰিত প্ৰদৰ্শনী বন্ধ কৰি দিয়া হ'ব বুলিও সতৰ্ক কৰি দিয়ে সংগনটোৰ বিষয়ববীয়াসকলে। তেওঁলোকে সংবাদমেলত কয় যে 'লভিতা' কেৱল এখন নাটক নহয়, ই অসমীয়া নাৰী সত্তাৰ প্ৰতিনিধি। এই নাটকৰ মাজত নিহিত আছে অসমীয়া বীৰাংগনা নাৰীৰ দেশ প্ৰেম, সাহস আৰু ত্যাগৰ ঐতিহ্য। লগতে ১৩ পৃষ্ঠাত চাওক

# এনপিএছ বাতিলৰ দাবীৰে গোৱালপাৰা ৰেল কৰ্মচাৰীৰ প্ৰতিবাদ



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ অক্টোবৰ ঃ** ৰেল কৰ্মচাৰীসকলে নতুন পেঞ্চন নীতি চমুকৈ এনপিএছ বাতিলৰ দাবীত আজি গোৱালপাৰা ৰেল ষ্টেছনত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। অল ইণ্ডিয়া ৰেলৱে ফেডাৰেছনৰ আহ্বান মৰ্মে এনএফ ৰেলৱে মজদুৰ ইউনিয়নৰ উদ্যোগত গোৱালপাৰা ৰেল ষ্টেছনত শতাধিক ৰেল কৰ্মচাৰীয়ে পুৱা ন বজাৰ পৰা বিয়লি তিনি বজালৈকে ছয় ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। বেনাৰ আৰু প্লে-কাৰ্ডেৰে সুসজ্জিত হৈ প্ৰতিবাদ কৰা ৰেল কৰ্মচাৰীসকলে 'এনপিএছ গ' বেক, এনপিএছ আমাক নালাগে, পুৰণি পেঞ্চন নীতি বাহাল ৰাখক, ৰেলৱেৰ খালী পদত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰক, ৰেল বিভাগক ব্যক্তিগতকৰণ কৰা বন্ধ কৰক' আদি ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। চৰকাৰে অতি শীঘ্ৰেই যদি নতুন পেঞ্চন নীতি বাতিল নকৰে তেন্তে আগন্তুক সময়ত তীব্ৰ আন্দোলন গঢ়ি তুলিব বুলি ৰেল কৰ্মচাৰীসকলে হুংকাৰ দিয়ে।

# তালাপ কৰ্দৈগুৰিৰ বন্যাৰ্তই এৰা নাই ডুমডুমা ৰাজহ চক্ৰৰ কাৰ্যালয় চৌহদ

## প্ৰতিকূল পৰিস্থিতিৰ মাজতো মুকলি আকাশৰ তলত দিন অতিবাহিত বন্যাৰ্তৰ



অগ্ৰদূত বাৰ্তা

**তালাপ, ১২ অক্টোবৰ ঃ** ১৯৯২ৰ পৰা বান আৰু খহনীয়াৰ কবলত পৰি ভূমিহীন হোৱা ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত তালাপ-কৰ্দৈগুৰি অঞ্চলৰ ৬৫৪টা ভূমিহীন পৰিয়ালৰ পুনঃ সংস্থাপনৰ ব্যৱস্থা আজিও নহ'ল। উক্ত বান বিধ্বস্ত পৰিয়ালকেইটাক সংস্থাপনৰ দাবীত সদৌ মৰাণ ছাত্ৰ সন্থা, অসম মৰাণ সভাৰ লগতে বিভিন্ন দল-সংগঠনে কৰি অহা দাবীৰ ফলশ্ৰুতিত অসম চৰকাৰে কৰ্দৈগুৰি অঞ্চলৰ তিনি নম্বৰ কৰ্দৈগুৰি (গৰিয়াটিং) গাঁৱৰ ২৪ টা ভূমিপুত্ৰ পৰিয়ালক সংস্থাপনৰ বাবে ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত ফিল'বাৰী আৰক্ষী থানাৰ অন্তৰ্গত সোনজান টঙানি অঞ্চলৰ ৰূপক দত্ত নামৰ ব্যক্তি এজনৰ বেদখলত থকা চৰকাৰী ভূমি উচ্ছেদ চলাই প্ৰতিটো পৰিয়ালকে এক বিঘাকৈ ভূমি আবণ্টন দিছিল। ভূমি আবণ্টন লাভ কৰাৰ পাছত পৰিয়ালকেইটাই ২২ জুলাইত সংস্থাপনৰ বাবে আবণ্টন লাভ কৰা স্থানলৈ ১৩ পৃষ্ঠাত চাওক

# লাহদৈগড়ত পথৰ আধাৰশিলা



অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১২ অক্টোবৰ ঃ** টীয়ক সমষ্টিৰ টীয়ক জিলা পৰিষদ অঞ্চল উন্নয়ন পুঁজি পঞ্চদশ বিত্তীয় আয়োগ ২০২১-২২ৰ পাঁচ লাখ ৫৪ হেজাৰ টকা ব্যয়েৰে দোলাকাষৰীয়া চুক পথ নিৰ্মাণৰ আজি আধাৰশিলা স্থাপন কৰে টীয়ক সমষ্টিৰ বিধায়িকা ৰেনুপমা ৰাজখোৱাই। আধাৰশিলা অনুষ্ঠানত টীয়ক জিলা পৰিষদ সদস্যা ববিতা গগৈ, জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া প্ৰণৱ কুমাৰ বৰা উপস্থিত থাকে।

# নাজিৰাৰ মেকিপুৰত মুণ্ডহীন মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ১২ অক্টোবৰ ঃ** নাজিৰা আদৰ্শ আৰক্ষী থানাৰ অন্তৰ্গত মেকিপুৰ অঞ্চলত এটা মুণ্ডহীন মৃতদেহ উদ্ধাৰ হোৱাক লৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। তথ্য মতে, মেকিপুৰ পাতঘৰ চাৰিআলিৰ সমীপৰ এটা পানীৰ যুঁৱলিত এটা বস্তা পৰিত্যক্ত হৈ পৰি ১৩ পৃষ্ঠাত চাওক

# অভয়াপুৰীত জিলা ভিত্তিক যুৱ উৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১২ অক্টোবৰ ঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনৰ নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ উদ্যোগত অভয়াপুৰী মহাবিদ্যালয় সেৱা যোজনা গোটৰ সহযোগত স্বাধীনতাৰ ৭৫ বৰ্ষপুৰ্তি 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশৰূপে অহা ১৬ অক্টোবৰত বঙাইগাঁও জিলাভিত্তিক যুৱ উৎসৱৰ আয়োজন কৰিছে। অভয়াপুৰী মহাবিদ্যালয় প্ৰাংগণত এদিনীয়া কাৰ্যসূচীৰে উৎসৱটো অনুষ্ঠিত কৰিব বুলি কাৰ্যক্ৰম বিষয়াদ্বয় ড° নৰজিৎ মজুমদাৰ আৰু ধৰমসিং ইংতি কাথাৰে জনাইছে। এই উপলক্ষে সিদিনা কে'বাটাও শিতানত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। কবিতা লিখা, চিত্ৰাংকন, ফটোগ্ৰাফী, দলীয় লোকনৃত্য (দহজনীয়া দল) প্ৰতিযোগিতাৰ লগতে বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। জিলা পৰ্যায়ত আয়োজিত এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগীক ৰাজ্যিক পৰ্যায়ত আয়োজিত প্ৰতিযোগিতাৰ বাবে সুবিধা দিয়া হ'ব। প্ৰতিটো শিতানৰ বাবে নিৰ্বাচিত প্ৰতিযোগীক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

# ৰহমানীয়া এম ই মাদ্ৰাছাৰ ৮০ শতাংশ শিক্ষক কৰ্তব্যত অনুপস্থিত

## ■ প্ৰধান শিক্ষকক কৈফিয়ৎ তলব মন্দিয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ সীমান্তৱৰ্তী তথা বৰপেটা জিলাৰ মন্দিয়া প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ৰহমানীয়া এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষকৰ প্ৰশাসনিক দুৰ্বলতাৰ বাবেই অধিকাংশ সহকাৰী শিক্ষকে কৰ্তব্যত ফাকি দি অহা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। শেহতীয়াভাৱে যোৱা ১০ অক্টোবৰত মন্দিয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ডিচেম্বৰ দাসে বিইইএম/২৮/১১-১২/১৯৪৫-৪৮ স্মাৰক নম্বৰযোগে ৰহমানীয়া এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক আশ্ৰাফ আলী ভূএগক কৈফিয়ৎ তলব কৰা কাৰ্যই দীৰ্ঘদিনীয়া অভিযোগৰ সত্যতা প্ৰমাণিত কৰিলে। উক্ত কৈফিয়ৎ তলবৰ জাননীত উল্লেখ কৰা মতে, ১০ অক্টোবৰত বিদ্যালয়খনৰ মুঠ আঠগৰাকী শিক্ষকৰ ভিতৰত ছগৰাকীয়েই কৰ্তব্যত অনুপস্থিত থাকে। যাৰ ফলত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দুপৰীয়াৰ আহাৰ আৰু পাঠদান ব্যাহত হয়। সেয়েহে তিনিদিনৰ ভিতৰত কৈফিয়তৰ উত্তৰ দিবলৈ প্ৰধান শিক্ষক ভূএগক নিৰ্দেশনা দিয়ে খণ্ড প্ৰাথমিক শিক্ষা বিষয়াগৰাকীয়ে। অন্যথাই প্ৰধান শিক্ষকগৰাকীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা ল'বলৈ বাধ্য হ'ব বুলিও উক্ত কৈফিয়ৎ তলব উল্লেখ কৰিছে। উল্লেখ্য যে প্ৰথমৰ পৰা অষ্টম শ্ৰেণীলৈকে মুঠ ছয় শতাধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনৰ শিক্ষকৰ সংখ্যা হ'ল আঠগৰাকী। কিন্তু একাংশ সহকাৰী শিক্ষকে প্ৰায়ে কৰ্তব্যত অনুপস্থিত থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। প্ৰধান শিক্ষকগৰাকীৰ প্ৰশাসনিক দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি অধিকাংশ সহকাৰী শিক্ষকেই কৰ্তব্যত ফাকি দিয়াৰ সমান্তৰালকৈ বিশেষকৈ প্ৰতি সপ্তাহৰ শনিবাৰ আৰু সোমবাৰে বিদ্যালয়ত উপস্থিত নহয় বুলি এক গুৰুতৰ ১৩ পৃষ্ঠাত চাওক

# জাগীৰোডত ৰেলৱে কৰ্মচাৰীৰ ধৰ্মঘট

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ১২ অক্টোবৰ ঃ** নতুন পেঞ্চন নীতি বাতিল কৰি পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত এনএফ ৰেলৱে মজদুৰ ইউনিয়নে সমগ্ৰ দেশজুৰি পালন কৰিছে ৰাষ্ট্ৰীয় অনশন ধৰ্মঘট। তাৰেই অংশ হিচাপে জাগীৰোডতো এনএফ ৰেলৱে মজদুৰ ইউনিয়ন জাগীৰোড শাখাই জাগীৰোড ৰেল ষ্টেছনত ৰূপায়ণ কৰে ধৰ্মঘট কাৰ্যসূচী। 'নতুন পেঞ্চন নীতি বাতিল কৰি পুৰণি পেঞ্চন নীতি বাহাল ৰখা, ভাৰতীয় ৰেল বিভাগক ব্যক্তিগতকৰণ বন্ধ কৰা আৰু ৰেল বিভাগত খালী হৈ থকা পদসমূহ পূৰণ কৰা' আদি কে'বাটাও দাবীত এনএফ ৰেলৱেৰ মজদুৰ ইউনিয়ন জাগীৰোড শাখাই ৰূপায়ণ কৰে অনশন ধৰ্মঘট কাৰ্যসূচী। নতুন পেঞ্চন নীতিয়ে বাৰ্ধক্য জীৱনত নিৰাপত্তা দিব নোৱাৰে বুলি অভিহিত কৰি কেন্দ্ৰীয় চৰকাৰক পুৰণি পেঞ্চন নীতি বাহাল ৰাখিবলৈ দাবী জনায়। জাগীৰোড শাখাৰ ৰেলৱে মজদুৰ ইউনিয়নে নতুন পেঞ্চন নীতিক অভিশাপস্বৰূপ বুলি মন্তব্য কৰি কয় যে কেন্দ্ৰীয় চৰকাৰে এই নীতি অতি শীঘ্ৰে বাতিল নকৰিলে আগন্তুক দিনত তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে। আজিৰ ধৰ্মঘট কাৰ্যসূচীত এনএফ ৰেলৱে মজদুৰ ইউনিয়ন জাগীৰোড শাখাৰ সভাপতি প্ৰবীৰ ভৌমিকে অংশগ্ৰহণ কৰি ৰেল বিভাগৰ বিভিন্ন পদত খালী হৈ থকা প্ৰায় তিনি লাখ পদত শীঘ্ৰে নতুন নিযুক্তি দি চাকৰি কৰাৰ সুবিধা দিবলৈ দাবী জনায়। এনএফ ৰেলৱে জাগীৰোড শাখাৰ মজদুৰ ইউনিয়নৰ সম্পাদক মনোজ কুমাৰ মহন্তকে আদি কৰি ৰেল বিভাগৰ কৰ্মচাৰীসকলে আজিৰ ধৰ্মঘটত অংশগ্ৰহণ কৰে।

# বিকৃত ৰূপত 'লভিতা' মঞ্চস্থ কৰিবলৈ দিয়া নহ'ব

## নগাঁৱত নাট্য সন্মিলনৰ নগাঁও জিলা সমিতিৰ সংবাদমেল



বিশেষ সংবাদদাতা

**নগাঁও, ১২ অক্টোবৰ ঃ** আৱাহন থিয়েটাৰে ৰাজ্যখনৰ বিভিন্ন স্থানত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী 'লভিতা' নাটক বিকৃত ৰূপত প্ৰদৰ্শন কৰাক কেন্দ্ৰ কৰি সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাতো ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজি নগাঁও সাহিত্য সভা ভৱনত অসম নাট্য সন্মিলনৰ নগাঁও জিলা সমিতিৰ উদ্যোগত আয়োজিত এক সংবাদমেলত কে'বাগৰাকী বিশিষ্ট সাহিত্যিক, অভিনেতা, নাট্যকৰ্মী আদিয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অমৰ সৃষ্টি 'লভিতা' নাটক বিকৃত ৰূপত প্ৰদৰ্শন কৰাৰ বাবে আৱাহন কৰ্তৃপক্ষ আৰু নাট্যকাৰ অভিজিত ভট্টাচাৰ্যক কটু সমালোচনা কৰাৰ লগতে তীব্ৰ ধিক্কাৰ দিয়ে। সংবাদমেল সম্বোধন কৰি বিশিষ্ট নাট পৰিচালক-অভিনেতা সপোনটি বৰদলৈয়ে কয়, 'আৱাহন থিয়েটাৰে 'লভিতা' নাটক বিকৃতৰূপত প্ৰদৰ্শন কৰি জ্যোতিপ্ৰসাদ আগৰৱালাক অপমান কৰাৰ লগতে অসমৰ স্বাভিমানত আঘাত হানিছে। নাট্যকাৰ অভিজিত ভট্টাচাৰ্যই নাটকখনক বিকৃত কৰাৰ বাবে আমি ধিক্কাৰ দিছো আৰু নাটকখন বিকৃতৰূপত প্ৰদৰ্শন নকৰিবলৈ আৱাহন থিয়েটাৰ কৰ্তৃপক্ষক লগতে বিকৃত ৰূপত প্ৰদৰ্শন কৰা লভিতাৰ প্ৰদৰ্শন বৰ্জন কৰিবলৈ ১৩ পৃষ্ঠাত চাওক

# সমাজকৰ্মী-প্ৰবীণ অভিনেতা পুষ্পেন্দ্ৰ নাথৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ১২ অক্টোবৰ ঃ** নগাঁও জিলাৰ পূব হাতীচোঙৰ চমুৱাগাঁৱৰ নিবাসী বিশিষ্ট সমাজকৰ্মী, প্ৰবীণ অভিনেতা তথা বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী পুষ্পেন্দ্ৰ নাথ (৬৪)ৰ যোৱা ১০ অক্টোবৰৰ নিশা পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ কিছুদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ১৩ পৃষ্ঠাত চাওক

# জামুগুৰি একটিং একাডেমীৰ উদ্যোগত চুটি নাট প্ৰতিযোগিতা-সম্বৰ্ধনা সভা

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১২ অক্টোবৰ ঃ** জামুগুৰি একটিং একাডেমীৰ উদ্যোগত অহা ৩০ অক্টোবৰত ধলাইবিলৰ সাহিত্য সভা ভৱনত বিস্তৃত কাৰ্যসূচীৰে সম্বৰ্ধনা, চুটি নাট প্ৰতিযোগিতা আৰু সাংস্কৃতিক বঁটা অনুষ্ঠানৰ আয়োজন কৰিছে। জামুগুৰি একটিং একাডেমীৰ অধ্যক্ষ শিশিৰ বৰঠাকুৰ আৰু সম্পাদক দীপক হাজৰিকাই জানিবলৈ দিয়া মতে, ৩০ অক্টোবৰৰ বিয়লি নৰেন শৰ্মা সোঁৱৰণী মঞ্চৰ উদ্বোধন কৰিব চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। বিয়লি অনুষ্ঠিত হ'ব সম্বৰ্ধনা সভা। অনুষ্ঠানত কে'বাগৰাকী বিশিষ্ট ব্যক্তি তথা সাংস্কৃতিক কৰ্মীক সম্বৰ্ধনা জনোৱা হ'ব। সন্ধিয়া ছয় বজাত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত চুটি ছবি 'জুই' আৰু 'ডাষ্টবিন'ৰ শিল্পী কলা-কুশলীক অভিনন্দন জনোৱা হ'ব। সন্ধিয়া ছয় বজাৰ পৰা চুটি নাট প্ৰতিযোগিতা আৰম্ভ হ'ব। নাট প্ৰতিযোগিতাত স্থান লাভ কৰা সকলক বিশেষ বঁটাৰে পুৰস্কৃত কৰা হ'ব বুলি জানিবলৈ দিয়ে অধ্যক্ষ শিশিৰ বৰঠাকুৰ আৰু সম্পাদক দীপক হাজৰিকাই। সমূহ কাৰ্যসূচীত ৰাইজৰ সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে।

# ৰাধে ৰাধে বন্দনাৰে গুঞ্জৰিত কোকৰাঝাৰ ৰেলৱে ষ্টেছন

## ■ কোকৰাঝাৰ ৰেল ষ্টেছনৰ পৰা পুণ্য ধাম বৃন্দাবনলৈ যাত্ৰা ৪২২ তীৰ্থযাত্ৰীৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১২ অক্টোবৰ ঃ** কোকৰাঝাৰ ৰেল ষ্টেছনত কাহানিও প্ৰত্যক্ষ নকৰা আজি এক সুন্দৰ আধ্যাত্মিক পৰিৱেশৰ দৃশ্য দেখা গ'ল। আজি কামাখ্যা-গান্ধীধাম এক্সপ্ৰেছযোগে হিন্দুৰ পৱিত্ৰ পুণ্য ধাম বৃন্দাবন অভিমুখে যাত্ৰা কোকৰাঝাৰ আৰু ধুবুৰী জিলাৰ বিলাসীপাৰাৰ ৪২২ গৰাকী তীৰ্থযাত্ৰীৰ। কোকৰাঝাৰ ৰেল ষ্টেছন চৌহদত আজি কেৱল ৰাধে ৰাধে বন্দনা আৰু ভক্তপ্ৰাণ ৰাইজৰ মংগল উৰুলি। উল্লেখ্য যে আজি বিয়লি কামাখ্যা-গান্ধীধাম এক্সপ্ৰেছযোগে বিটিআৰৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেৱ উদ্যোগত ৪২২ গৰাকীকৈ তীৰ্থয়াত্ৰী বৃন্দাবন অভিমুখে ৰাওনা দিয়ে। তীৰ্থযাত্ৰীসকলৰ ভিতৰত অধিকাংশই ধুবুৰী জিলাৰ বিলাসীপাৰাৰ। যাত্ৰাৰ সমস্ত খৰচ বহন কৰাৰ লগতে কাৰ্যবাহী সদস্যজনে ৪২২ গৰাকী তীৰ্থযাত্ৰীৰ প্ৰত্যেককে হাত খৰচো প্ৰদান কৰে। কাৰ্যবাহী সদস্যৰ এই মহান পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে অৰূপ কুমাৰ দে আমাৰ ভগৱান বুলিও মন্তব্য কৰিছে আজি বৃন্দাবনলৈ যাত্ৰা কৰা একাংশ ভক্ত তথা তীৰ্থযাত্ৰীয়ে।

# সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ২৯ সংখ্যক শিৱসাগৰ অধিবেশন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১২ অক্টোবৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ঊনত্ৰিংশতিতম দ্বিবাৰ্ষিক শিৱসাগৰ অধিৱেশন অহা ১৩ৰ পৰা ১৬ অক্টোবৰলৈ শিৱসাগৰ জিলা বড়িং খেলপথাৰত ড° নিৰ্মলপ্ৰভা বৰদলৈ সোঁৱৰণী ক্ষেত্ৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। এই সম্পৰ্কে অধিবেশনৰ আদৰণি সমিতিৰ সম্পাদিকা সুভদ্ৰা বড়াই জানিবলৈ দিয়ে যে ১৩ অক্টোবৰত অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে আহিবলগা প্ৰতিনিধিসকলৰ শিবিৰ উদ্বোধন কৰিব শিৱসাগৰ জিলাৰ পৌৰপতি মৃণালী কোঁৱৰে। সভানেত্ৰী ড° চাৰু চহৰীয়া নাথৰ সভানেত্ৰিত্বত অনুষ্ঠিত সভাত আদৰণি ভাষণ প্ৰদান কৰিব অপৰাজিতা ভুঞাই। ১৪ অক্টোবৰত জিলা আৰু কেন্দ্ৰৰ ২৮খন পতাকাসহ মূল পতাকা উত্তোলন কৰিব ড° চাৰু চহৰীয়া নাথে। জিলা আৰু কেন্দ্ৰৰ ২৮ গছি বন্তিসহ মূল বন্তি প্ৰজ্বলন কৰিব জয়শ্ৰী চলিহাই। ২৮ গৰাকী তৰ্পকসহ মূল স্মৃতি তৰ্পণ কৰিব বিশিষ্ট মহিলা মণিকা শইকীয়াই। বৃক্ষৰোপণ কৰিব কাৰ্তিক দত্ত, অমল দত্তসহ প্ৰকাশ কটকী, ৰেণুমালা চাংমাই আদি জিলাখনৰ ১০ গৰাকী বিশিষ্ট ব্যক্তিয়ে। প্ৰদৰ্শনী দ্বাৰ মুকলি কৰিব বিশিষ্ট ব্যক্তি পোনাৰাম মিলিয়ে। গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰিব জিলা উপায়ুক্ত আদিত্য বিক্ৰম যাদৱে। অন্নদা শইকীয়া সোঁৱৰণী আলোচনাচক্ৰ উদ্বোধন কৰিব ড° সৌমাৰজ্যোতি মহন্তই। আলোচক হিচাপে অংশগ্ৰহণ কৰিব যোৰহাট মহিলা বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° মহাশ্বেতা দেৱী আৰু নামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক জিতেন বৰপাত্ৰ গোহাঁয়ে। ড° অৰুন্ধতী মহন্তৰ বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা আলোচনাচক্ৰ সঞ্চালনা কৰিব বোকাখাত জেডিএছপি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বিভা বৰাই। বিয়লি প্ৰতিনিধি সভা উদ্বোধন কৰিব ড° চৰু চহৰীয়া নাথে। পাছত অনুষ্ঠিত হ'ব নলিনীবালা দেৱী সোঁৱৰণী কবি সন্মিলন। পুষ্পা গগৈৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা কবি সন্মিলন উদ্বোধন কৰিব বিশিষ্ট চিকিৎসক ডাঃ প্ৰণয় ফুকনৰ লগতে পৰ্যালোচক আৰু পৰ্যবেক্ষক হিচাপে অংশগ্ৰহণ কৰিব ক্ৰমে ড° অনিল শইকীয়া আৰু পূৰবী দুৱৰাই। সন্ধিয়া অনুষ্ঠিত হ'ব লগা ইভা আচাও সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বিশিষ্ট নাট্যকাৰ প্ৰশান্ত শৰ্মাই। ১৫ অক্টোবৰত অনুষ্ঠিত হ'ব হিৰণ্ময়ী দত্ত সোঁৱৰণী গ্ৰন্থ উন্মোচন সভা। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপদেষ্টা কবিতা ৰাজগুৰুৰ বন্তি প্ৰজ্বলনেৰে আৰম্ভ ১৩ পৃষ্ঠাত চাওক

# নাওবৈচাত বানত ক্ষতিগ্ৰস্তক আৰ্থিক সাহায্য প্ৰদানত অনিয়ম

## ■ অভিযোগ তুলি দুই সংগঠনৰ লখিমপুৰ জিলা উপায়ুক্ত আৰু ৰাজহ চক্ৰ বিষয়াক স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**লালুক, ১২ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ নাওবৈচা ৰাজহ চক্ৰৰ অন্তৰ্গত পানধোৱা আৰু মহঘুলি গাঁৱত বানত ক্ষতিগ্ৰস্ত পৰিয়ালৰ নামত চৰকাৰে প্ৰদান কৰা আৰ্থিক সাহায্য বিতৰণত ব্যাপক অনিয়মৰ অভিযোগ তুলি আজি দুটাকৈ সংগঠনে পৃথকে পৃথকে লখিমপুৰ জিলা উপায়ুক্ত আৰু নাওবৈচা ৰাজহ চক্ৰ বিষয়াক একোখনকৈ স্মাৰকপত্ৰ প্ৰদান কৰি তদন্তৰ দাবী জনাইছে। স্মাৰকপত্ৰৰ প্ৰতিলিপি সংবাদ মাধ্যমলৈও প্ৰেৰণ কৰিছে। স্মাৰকপত্ৰ পানধোৱা আৰু মহঘুলিৰ গাঁও প্ৰধান ছফিকুল ইছলাম আৰু আব্দুল জলিল আৰু নাওবৈচা ৰাজহ চক্ৰৰ ১২ নম্বৰ লাটৰ লাট মণ্ডল কমল দত্তই অতি চক্ৰান্তৰে একাংশ প্ৰকৃত ক্ষতিগ্ৰস্ত পৰিয়ালৰ নাম তালিকাত নিদি অতি সামান্য ক্ষতিগ্ৰস্তক চৰকাৰে প্ৰদান কৰা ৯৫ হেজাৰ টকা বিতৰণ কৰিছে বুলি উল্লেখ কৰিছে। দুই গাঁও প্ৰধান আৰু লাট মণ্ডলৰ এনে দুষ্কাৰ্যৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে লখিমপুৰ জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি আৰু উত্তৰ-পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা (নেমছু) লখিমপুৰ জিলা সমিতি। নেমছুৰ জিলা সভাপতি নৰুল আমিন আৰু সম্পাদক নুৰ মুহাম্মদে যোৱা ১১ অক্টোবৰত নাওবৈচা ৰাজহ চক্ৰ বিষয়া আৰু লখিমপুৰ জিলা উপায়ুক্তক একোখনকৈ স্মাৰকপত্ৰ প্ৰদান কৰি পানধোৱা আৰু মহঘুলি অঞ্চলত ১৩ পৃষ্ঠাত চাওক






# অন্তিম দিনা অসমক সোণ দিলে লাভলীনা-অংকুশিতাই





## গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সামৰণি

**গান্ধীনগৰ, ১২ অক্টোবৰ ঃ** অসম জননীৰ দুই কন্যা লাভলীনা বৰগোহাঁই আৰু অংকুশিতা বড়োই ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াৰ অন্তিম দিনা বক্সিঙত সোণৰ পদক লাভ কৰি প্ৰত্যাশিতভাবে দেশৰ শ্ৰেষ্ঠ ক্ৰীড়া প্ৰতিযোগিতাখনত অসমৰ স্বৰ্ণিল যাত্ৰাৰ যবনিকা পেলালে। উল্লেখ্য যে আজি হোৱা বক্সিঙৰ ফাইনেলত মহিলাৰ ৬৬ কিলোগ্ৰাম শাখাত খেলা অংকুশিতাই মণিপুৰৰ এলিনাক দ্বিতীয় ৰাউণ্ডতে নকআউট কৰি সোণৰ পদকৰ গৰাকী হয়। মহাত্মা মন্দিৰৰ বক্সিং ৰিঙত আত্মবিশ্বাসী অংকুশিতাৰ সন্মুখত যুঁজ দিয়াতো দূৰৰে কথা প্ৰতিদ্বন্দ্বী হিচাপে থিয় হ'বলৈয়ে সক্ষম নহ'ল এলিনা। অসম কন্যাৰ ধাৰাসাৰ পাঞ্চৰ সন্মুখত এলিনাই আত্মসমৰ্পণ কৰাৰ সময়তে ৰেফাৰীয়ে বাধাতে মেচ বন্ধ কৰি অংকুশিতাক বিজয়ী ঘোষণা কৰে। সেইসময়তে গান্ধীৰ জন্মভূমিত উদ্ভাসিত হৈ উঠিল 'জয় আই অসম' ধ্বনিও। উল্লেখ্য যে কেৰিয়াৰৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়া খেলা প্ৰাক্তন জুনিয়ৰ বিশ্ব চেম্পিয়ন অংকুশিতাই প্ৰতিযোগিতাত চাৰিখন মেচ খেলি তিনিখনতে প্ৰতিদ্বন্দ্বীক নকআউট কৰি আজি গৌৰৱময় সোণৰ পদক লাভ কৰিলে। ইফালে, অংকুশিতাৰ সোণ জয়ৰ পাছতে মহাত্মা মন্দিৰৰ বক্সিং ৰিঙলৈ আহে সমগ্ৰ দেশে উৎকণ্ঠাৰে বাট চাই থকা অলিম্পিক পদকজয়ী অসমৰ ভাৰত গৌৰৱ মহিলা বক্সাৰ লাভলীনা। প্ৰত্যাশিতভাবে চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ফাইনেলত প্ৰৱেশ কৰা লাভলীনাৰ আজি অন্তিম প্ৰতিদ্বন্দ্বী আন এগৰাকী আন্তৰ্জাতিক তাৰকা বক্সাৰ হোৱাত স্বাভাৱিকতে চাপত আছিল অসম কন্যা। কিন্তু খেল আৰম্ভ হোৱাৰ লগে লগে হাৰিয়ানাৰ স্বতিৰ বিৰুদ্ধে চতুৰতাৰে পইণ্ট ল'বলৈ সক্ষম হয় লাভলীনাই। চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বক্সিঙৰ এইখনে আছিল শ্ৰেষ্ঠ মেচ। কিন্তু দক্ষতাৰ যুঁজত বিজয়ী হৈ ৫-০ ত মেচ জয়ৰে সোণৰ পদক লাভ কৰে লাভলীনাই। উল্লেখ্য যে ৭৫ কিলোগ্ৰাম শাখাত এয়া লাভলীনাৰ কেৰিয়াৰৰ প্ৰথমটো সোণ। ইয়াৰপূৰ্বে লাভলীনাই ৬৯ কিলোগ্ৰামতহে খেলিছিল। টকিঅ' অলিম্পিকৰ ব্ৰঞ্জজয়ী তথা খেলৰত্ন সন্মান লাভ কৰা অসমৰ তাৰকা বক্সাৰগৰাকীয়ে এই সফলতাৰে চলিত মাহতে ওমানত হ'বলগা এছিয়ান চেম্পিয়নশ্বিপলৈও সাজু হোৱা বুলি পদক জয়ৰ পাছত ব্যক্ত কৰে।

### দুবছৰৰ অপেক্ষাৰ পাছত গুৱাহাটীত আই এছ এল

## আজি সৰুসজাইত নৰ্থ ইষ্টৰ বিৰুদ্ধে হায়দৰাবাদ এফ চি



**গুৱাহাটী, ১২ অক্টোবৰ ঃ** দুবছৰৰ অপেক্ষাৰ পাছত গুৱাহাটীলৈ পুনৰ উভতি আহিছে দেশৰ শ্ৰেষ্ঠ পেছাদাৰী ফুটবল প্ৰতিযোগিতা হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল)ৰ ৰোমাঞ্চ। উল্লেখ্য যে চলিত নৱম সংস্কৰণৰ কাইলৈ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত হ'বলগা মেচত ঘৰুৱা দল নৰ্থ ইষ্ট ইউনাইটেড মুখামুখি হ'ব বিগত বৰ্ষৰ চেম্পিয়ন হায়দৰাবাদ এফ চিৰ। উভয় দলৰে এয়া লীগত দ্বিতীয় মেচ। উল্লেখ্য যে নৰ্থ ইষ্ট ইউনাইটেডে প্ৰথম মেচত পৰাস্ত হৈ ছিজনত অভিযান আৰম্ভ কৰিছে। শ্ৰী কান্তিৰাবা ষ্টেডিয়ামত হোৱা মেচত বাংগালুৰু এফ চিয়ে ১-০ গ'লত পৰাস্ত কৰে নৰ্থ ইষ্ট ইউনাইটেডক। ইফালে, হায়দৰাবাদ দলে পুনেত মুম্বাই চিটী এফ চিৰ বিৰুদ্ধে ছিজনৰ প্ৰথম মেচখন ৩-৩ গ'লত ড্ৰ খেলিছিল। কাইলৈ গুৱাহাটীত নৰ্থ-ইষ্ট ইউনাইটেডে নিজৰ ৫০ নম্বৰ মেচখন খেলিব আৰু এই গৌৰৱময় ক্ষণক দলে সমৰ্থকক জয়ৰে আনন্দ দিয়াৰ আশাব্যক্ত কৰিছে। কিন্তু ঘৰুৱা দলৰ বাবে এয়া একেবাৰে সহজ নহ'ব। কাৰণ যোৱা পাঁচখন মেচত হায়দৰাবাদক পৰাস্ত কৰিবলৈ কোনো দলে সক্ষম হোৱা নাই। 'হায়দৰাবাদ কিয় চেম্পিয়ন সেয়া মুম্বাইৰ বিৰুদ্ধে খেলত প্ৰমান হৈছে। কাইলৈৰ মেচখন আমাৰ বাবে এক প্ৰত্যাহ্বান কিন্তু আমি সেয়া আগ্ৰহেৰে বাট চাই আছো।' আজি নৰ্থইষ্ট ইউনাইটেডৰ সহকাৰী প্ৰশিক্ষক পল গ্ৰ'ভছে কয়। তেওঁ লগতে কয়, 'আমাৰ মনোযোগ থাকিব নিজৰ খেলৰ ওপৰত। আমি চেষ্টা কৰিম লীগৰ শ্ৰেষ্ঠ দলটোক বাধা দিবলৈ।' ইফালে, আই এছ এলৰ লগতে দুবছৰ পাছত গুৱাহাটীলৈ খেলিব আহিছে অসমৰ হলীচৰণ নাৰ্জাৰীও। কিন্তু ঘৰুৱা দলৰ হৈ নহয়। হায়দৰাবাদৰ তাৰকা ষ্ট্ৰাইকাৰ হৈ। ইতিমধ্যে প্ৰথম মেচতে হলীয়ে মুম্বাইৰ বিৰুদ্ধে গ'ল কৰি চমকপ্ৰদ আৰম্ভণি কৰিছে। কাইলৈ বিপক্ষ হ'লেও হলীয়ে ষ্টেডিয়ামত পাব সমৰ্থক। 'মই ভাবো লীগৰ প্ৰতিটো দলে আনটোক পৰাস্ত কৰাৰ শক্তি আছে। আমি যোৱা সংস্কৰণত জয়ী হৈ সুখী, কিন্তু এতিয়া পৰিস্থিতি সম্পূৰ্ণ বেলেগ।' আজি সংবাদমেলত হায়দৰাবাদৰ মুখ্য প্ৰশিক্ষক মানোলো মাৰ্কেজে কয়। তেওঁ লগতে কয়, 'মই জানো যে নৰ্থ ইষ্ট দলে প্ৰি-ছিজন পলমকৈ আৰম্ভ কৰিছিল। ডুৰাণ্ড কাপতো 'বি' টীমটোই খেলিছিল। কিন্তু বেংগালুৰুৰ বিৰুদ্ধে তেওঁলোকে ভাল খেলিছে।' হিৰো আই এছ এলত নৰ্থ-ইষ্ট ইউনাইটেড আৰু হায়দৰাবাদে ছবাৰ মুখামুখি হৈছে। ইয়াৰে হায়দৰাবাদে চাৰিবাৰ আৰু নৰ্থ ইষ্টে এবাৰ জয়লাভ কৰিছে।

## নটা সোণসহ ২৮ পদক জয়ৰে ১৪ নম্বৰ স্থানত অসম

**আহমেদাবাদ, ১২ অক্টোবৰ ঃ** গুজৰাটত অনুষ্ঠিত ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আজি সফল সামৰণি পৰিছে আৰু অসমে নটা সোণ ১০ টা ৰূপ আৰু নটা ব্ৰঞ্জসহ মুঠ ২৮ টা পদক লাভ কৰি তালিকাৰ ১৪ নম্বৰ স্থানত থাকিল। অসম দলৰ প্ৰদৰ্শন সন্দৰ্ভত দলৰ চিফ দ্য মিছন ৰাজ কাকতিয়ে কয় 'আমি হিমা দাস, শিৱ থাপাৰ পৰা সোণ আশা কৰাৰ লগতে শিৱাংগী আৰু আস্থায়ো দুটাকৈ সোণ জয় কৰাৰ সুযোগ আছিল। একেদৰে শ্বুটিঙত হৃদয় হাজৰিকা আৰু বেডমিণ্টনত অস্মিতা চলিহাৰ বিফলতা আমি আশা কৰা নাছিলো। ভাৰোত্তোলনত আমি কেৱল পপী হাজৰিকাৰ পৰাহে ৰূপ পালো। কিন্তু আৰু পাব লাগিছিল। আৰ্চাৰী, জুডো, ফেন্সিং দলো ব্যৰ্থ হ'ল। তথাপি নতুন খেলুৱৈৰে গঠিত দলে ভাল প্ৰদৰ্শন কৰিছে। আনহাতে, ৰাষ্ট্ৰীয় ক্ৰীড়াত কেবাবিধো নতুন খেল অন্তৰ্ভুক্ত হৈছে। আমি এতিয়া অসমতো এই খেলসমুহৰ সাংগঠনিক ভেটি সুদৃঢ় কৰি সুদক্ষ খেলুৱৈ উলিয়াব লাগিব।' ইফালে, ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত অসম দলৰ প্ৰদৰ্শন সন্দৰ্ভত অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে কয়, 'মই পদক লাভ কৰা সকলো খেলুৱৈক শুভেচ্ছা জনোৱাৰ লগতে অসম দলৰ হৈ প্ৰতিনিধিত্ব কৰা সকলো খেলুৱৈ, বিষয়া, সংগঠকক ধন্যবাদ জনাইছো। তিনি মাহৰ ভিতৰত এটা দলৰ গঠন কৰি ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ প্ৰেৰণ কৰাটো সহজ নাছিল। কিন্তু ৰাজ্যৰ চৰকাৰৰ সহাৰি বিশেষকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী তথা অসম অলিম্পিকৰ সভাপতি সৰ্বানন্দ সোণোৱালৰ সহযোগিতাই সকলোখিনি সহজ কৰি দিলে অতি কম সময়ৰ ভিতৰতে। এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়া অলিম্পিয়ানৰ লগতে দেশৰ সকলো আন্তৰ্জাতিক খেলুৱৈয়ে অংশ লৈছে। তেনেক্ষেত্ৰত অসমৰ প্ৰদৰ্শন আশাপ্ৰদ বুলি ক'ব পাৰি। আমি এই সফলতাক কিদৰে আৰু উত্তৰণ কৰিব পাৰো সেই প্ৰচেষ্টা অনাগত সময়ত কৰা হ'ব।'



## প্ৰাইজমানি ফুটবলত সাতপাৰাৰ জয়

**ছয়গাঁও, ১২ অক্টোবৰ ঃ** ছয়গাঁৰৰ সাতপাৰা যুৱক সংঘ আৰু সাতপাৰা আঞ্চলিক উন্নয়ন সমিতিৰ উদ্যোগত বকলীপাৰা খেলপথাৰত আজিৰে পৰা অনুষ্ঠিত হোৱা প্ৰাইজমাণি ফুটবল খেলত সাতপাৰা ফুটবল দলে বিজয়ী হয়। দলে ২-০ গলৰ ব্যৱধানত ঘোঁৰামাৰা ফুটবল দলক পৰাস্ত কৰে। সাতপাৰা যুৱক সংঘৰ সভাপতি অসীম ৰাভাই পতাকা উত্তোলন কৰা খেলখন উদ্বোধন কৰে শিক্ষক মহন্ত দাসে । আজিৰ খেলত খেলুৱৈ সকলক সম্ভাষণ জনায় ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ উপাধ্যক্ষ ৰমাকান্ত ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সম্পাদক প্ৰদীপ ৰাভাই।

## গান্ধীবড়ী এফ চি ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা,বেৰেজীয়া, ১২ অক্টোবৰ ঃ** নগাঁও জিলাৰ কাছমাৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত পলাশতল কাছমাৰী হাইস্কুল খেলপথাৰত চলি থকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত গান্ধীবড়ী ফুটবল ক্লাবে কাছমাৰী এফ চিক ২-০ গলত হৰুৱাই ছেমিফাইনেলত উপনীত হৈছে। নগাঁও আৰু মৰিগাঁও জিলা ভিত্তিত আয়োজিত এই প্ৰতিযোগিতাৰ আজিৰ খেলখনত নয়নমনি কোঁৱৰে ক্লাবৰহৈ গল দুটা দিয়ে। বৃহস্পতিবাৰৰ খেলত ৰহা ফুটবল ক্লাবে দলংঘাট এফ চিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

## ফাইনেলত দীঘেলী সন্থা

**অগ্ৰদূত বাৰ্তা, টিহু,১২ অক্টোবৰ ঃ** দীঘেলী আঞ্চলিক প্ৰগতি সংঘৰ উদ্যোগত দীঘেলী হাইস্কুল খেলপথাৰত চলি থকা প্ৰাইজমানী ফুটবল খেলৰ আজিৰ দ্বিতীয়খন ছেমিফাইনেল খেল দীঘেলী ক্ৰীড়া সন্থা আৰু যমুনাট্ৰাৰী নবীন শিল্পী সংঘৰ মাজত অনুষ্ঠিত হয়। দীঘেলী এম ই স্কুলৰ অৱসৰী প্ৰধান শিক্ষক দেৰাজুদ্দিন আহমেদে উদ্বোধন কৰা লগতে ৰেফাৰী চম্পক মিশ্ৰ,ভৱানী শৰ্মা,হাকিম আলী আৰু অনিমেশ বৰ্মনে পৰিচালনা কৰা খেলখনত দীঘেলী ক্ৰীড়া সন্থাই ২-১ গলৰ ব্যৱধানত বিজয়ী হয়।

## দ্বিতীয় মেচত উত্তৰাখণ্ডৰ বিৰুদ্ধে সাত উইকেটত জয়লাভ অসমৰ

**গুৱাহাটী, ১২ অক্টোবৰ ঃ** অসমে প্ৰথম মেচৰ ব্যৰ্থতাৰ পাছত চলিত ৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ নিজৰ দ্বিতীয় মেচত উত্তৰাখণ্ডৰ বিৰুদ্ধে সাত উইকেটত জয়লাভ কৰিছে। আজি হোৱা মেচত পোনতে বেটিং কৰা উত্তৰাখণ্ডে ন উইকেটত ১৪৪ ৰাণ কৰে। অসমৰ মৃন্ময় দত্তই ৩৫ ৰাণত চাৰিটা উইকেট পায়। আনহাতে, উত্তৰাখণ্ডৰ স্বপ্নীল সিঙে ৫২ আৰু পিয়ুষ যোশীয়ে ৪৩ ৰাণ কৰে। প্ৰত্যুত্তৰত, অসমে ১৮.৫ অভাৰতে তিনি উইকেটত ১৪৫ ৰাণ কৰি বিজয়লক্ষ্যত উপনিত হয়। নিহাৰ নৰহে ৪৫, ৰাহুল হাজৰিকাই ৩০, ৰিয়ান পৰাগে ২৮ আৰু ঋষভ দাসে ২২ ৰাণ কৰে। উল্লেখ্য যে সৌৰাষ্ট্ৰত চলি থকা ৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম খেলত অসম মুখামুখি হৈছিল বিদৰ্ভৰ। মেচখনত ছয় উইকেটত পৰাস্ত হয় অসম ক্ৰিকেট দলে। টছত জয়ী হৈ পোনতে বেটিং কৰা অসমে ২০ অভাৰত পাঁচ উইকেটত ১৬১ ৰাণ কৰে। দলৰ হৈ সৰ্বাধিক ৬৮ ৰাণ কৰে ৰাহুল হাজৰিকাই। আনহাতে, ঋষভ দাসে ২৮, ৰিয়ান পৰাগে ১৯, নিহাৰ নৰহে ১৮ আৰু ৰাছিকুৰ ৰহমানে অপৰাজিত ১৫ ৰাণ কৰে। প্ৰত্যুত্তৰত বিদৰ্ভে ১৮.৫ অভাৰত চাৰি উইকেট হেৰুৱাই ১৬২ ৰাণ কৰি সহজ জয় অৰ্জন কৰে।



জয় শ্বাহ আৰু আশীষ ছিলাৰৰ সংগ লৈ বি চি চি আইৰ যুটীয়া সম্পাদকৰ মনোনয়ন দিলে দেৱজিত শইকীয়াই

## বৰ্ষাবিঘ্নিত প্ৰথম মেচত ৰোমাঞ্চকৰ জয় ওড়িছাৰ

**জামছেদপুৰ, ১২ অক্টোবৰ ঃ** ছিজনৰ প্ৰথমখন মেচত চমক সৃষ্টিৰে চলিত নৱম হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল)ত অভিযান আৰম্ভ কৰিছে ওড়িছা এফ চিয়ে। জামছেদপুৰৰ জে আৰ ডি টাটা ক্ৰীড়া প্ৰকল্পত হোৱা মেচত দলে প্ৰথম ১০ মিনিটতে ২-০ ত পিছ পৰা পাছতো শক্তিশালী প্ৰত্যাৱৰ্তন কৰি ঘৰুৱা দল জামছেদপুৰ এফ চিক ৩-২ ত পৰাস্ত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ধাৰাসাৰ বৰষুণৰ বাবে মেচখন নিৰ্ধাৰিত সময়তকৈ এঘণ্টা দেৰিকৈ আৰম্ভ হয়। কিন্তু শীতল পৰিৱেশত আৰম্ভ হোৱা খেললৈ উত্তাপ লৈ আনে ঘৰুৱা দলটোৱে। খেলৰ প্ৰথম ১০ মিনিটতে দুটাকৈ গ'ল কৰি ঘৰুৱা অনুৰাগীক ৰোমাঞ্চিত কৰে জামছেদপুৰ এফ চিয়ে। তিনি মিনিটত ওড়িছা এফ চিৰ ৰক্ষণ বিভাগৰ সুৰুঙা লৈ জামছেদপুৰক প্ৰথমে অগ্ৰগতি দিয়ে ডেনিয়েল চুকবুয়ে। এগ'ল হজম কৰি ওড়িছাই ছন্দ বিচাৰি নপোৱাতেই পুনৰ দলৰ দুৰ্গতি সোমাই জামছেদপুৰৰ দ্বিতীয়টো গ'ল। এইবাৰ ঘৰুৱা দলৰ হৈ গ'ল কৰে ব'ৰিছ সিঙে (১০ মিনিট)। কিন্তু প্ৰথমাৰ্ধতে গ'ল কৰি সফল প্ৰত্যাৱৰ্তন কৰে ওড়িছা দলে। খেলৰ ২৭ মিনিটত সতীৰ্থ ৰাইনাৰ ফাৰ্ণাণ্ডেজৰ পৰা বল লাভ কৰি গ'ল ৰূপ দিয়ে ওড়িছা অভিজ্ঞ মিডফিল্ডাৰ ডিয়াগো মৌৰিচিঅ'ই। ২-১ ত সমাপ্ত হয় খেলৰ প্ৰথমাৰ্ধ। দ্বিতীয়াৰ্ধত উভয় দলে খেলুৱৈ সাল-সলনি কৰে। কিন্তু ওড়িছাই আক্ৰমণত গুৰুত্ব দিয়াৰ বিপৰীতে জামছেদপুৰে ৰক্ষণপন্থীৰ সংখ্যা বৃদ্ধি কৰে। ওড়িছাৰ ৰণনীতি কিন্তু সফল হয়। জামছেদপুৰে জয়ৰ দিশে আগবাঢ়িছিল যদিও খেলৰ অন্তিম তিনি মিনিটত ওড়িছাই দুটা গ'ল কৰি মেচত জয় অৰ্জন কৰে। ৮৮ মিনিটত আইছাকে গ'ল কৰি মেচত ২-২ ত সমতা স্থাপন কৰাৰ পাছত ইঞ্জুৰী টাইমত ডিয়াগোই দ্বিতীয়টো গ'ল কৰি ওড়িছাৰ ৩-২ ৰ ৰোমাঞ্চকৰ বিজয় নিশ্চিত কৰে। জামছেদপুৰ এফ চিৰ লগতে ওড়িছা এফ চিয়েও লীগৰ পৰৱৰ্তী মেচ খেলিবলৈ মুম্বাইলৈ যাব। উভয় দলে মুম্বাই চিটীৰ বিৰুদ্ধে নিজৰ দ্বিতীয় মেচখন খেলিব। ওড়িছা দলে অহা ১৫ অক্টোবৰত মুম্বাই ফুটবল এৰিনাত খেলাৰ বিপৰীতে একে ষ্টেডিয়ামত জামছেদপুৰ এফ চিৰ খেল অহা ২২ অক্টোবৰত।



## আৰোহণ গোষ্ঠী চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, কলিয়াবৰ, ১২ অক্টোবৰ ঃ** কলিয়াবৰৰ কুঁৱৰীটোল চাৰিআলিৰ অগ্ৰণী ক্ৰীড়া অনুষ্ঠান আজাদ ক্লাবৰ ব্যৱস্থাপনাত কুঁৱৰীটোল গান্ধী পথাৰত অনুষ্ঠিত ৰাতুল মহন্ত সোঁৱৰণী প্ৰাইজমানি চলন্ত কাপ ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলত আৰোহণ গোষ্ঠীয়ে ২-১ গলৰ ব্যৱধানত জয়ী হৈ খিতাপ দখল কৰিবলৈ সক্ষম হয়। দলে পৰাস্ত কৰে আজাদ ক্লাবক। জিতু বড়োৰ পৰিচালনাত খেলখনি আৰম্ভ হোৱাৰ পূৰ্বে খেল পথাৰত উপস্থিত হয় অৰ্জন হিমা দাস। খেলৰ আৰম্ভনিতে দুয়ো দলৰ খেলুৱৈ সকলৰ সৈতে আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ হিমা দাসৰ লগতে স্থানীয় বিধায়ক তথা স্বাস্থ্যঞ্জয়মন্ত্ৰী কেশৱ মহন্তক পৰিচয় কৰি দিয়া হয়। প্ৰতিযোগিতাৰ আৰম্ভ হোৱাৰ পূৰ্বে প্ৰয়াত ৰাতুল মহন্তৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা হয়। বঁটা বিতৰণী অনুস্থানত মহকুমাধিপতি পবিত্ৰ কুমাৰ দাস, মণি মাধৱ মহন্ত, ৰবীন ভূঞা, মৃণাল কুমাৰ হাজৰিকাকে প্ৰমূখ্য কৰি কেইবাশতাধিক লোকে অংশগ্ৰহণ কৰে।

## ক্ৰমাগত দ্বিতীয় মেচত ব্যৰ্থতা ইষ্ট বেংগলৰ

**কলকাতা, ১২ অক্টোবৰ ঃ** কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত হোৱা চলিত নৱম হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল) ৰ প্ৰথম মেচত পৰাজয়ৰ সন্মুখীন হৈছিল স্থানীয় দল এ টি কে মোহন বাগান। আজি পুনৰ যুৱ ভাৰতী ক্ৰীড়াংগণত এফ চি গোৱাৰ বিৰুদ্ধে পৰাস্ত ২-১ ত হ'ল আন এটা স্থানীয় দল ইষ্ট বেংগল এফ চি। ক্ৰমাগত ব্যৰ্থতাত স্বাভাৱিকতে হতাশগ্ৰস্ত কলকাতাৰ ফুটবলপ্ৰেমী। উল্লেখ্য যে ইষ্ট বেংগল দলে নিজৰ প্ৰথম মেচত কেৰালাৰ বিৰুদ্ধে পৰাজয়ৰ সন্মুখীন হোৱাৰ পাছত আজি ঘৰুৱা সমৰ্থকৰ সন্মুখত শক্তিশালী প্ৰত্যাৱৰ্তন কৰিব বুলি ভবা হৈছিল যদিও খেল আৰম্ভ হোৱাৰ সাত মিনিট পাছতে দলে প্ৰথমে গ'ল হজম কৰে। এয়া আছিল অনুৰাগীৰ বাবে অপ্ৰত্যাশিত। গোৱাৰ অভিজ্ঞ ষ্ট্ৰাইকাৰ ব্ৰেণ্ডন ফাৰ্ণাণ্ডেজে সতীৰ্থ আলভেৰোৰ পৰা বল লাভ কৰি দৰ্শনীয় গ'লেৰে বিৰতিলৈ দলক ১-০ ত আগুৱাই ৰাখে। কিন্তু প্ৰথমাৰ্ধৰ দুৰ্বলতাক আঁতৰ কৰি ইষ্ট বেংগলে খেলৰ দ্বিতীয়াৰ্ধত সংঘবদ্ধ ৰূপত খেলি আশাৰ আৰম্ভণি কৰে। গোৱাক আক্ৰমণ কৰা ইষ্ট বেংগলে খেলৰ ৬৪ মিনিটত এটা পেনাল্টি লাভ কৰে। ক্লিটন ছিলভাই এই পেনাল্টি গ'ল কৰি মেচত ১-১ ত সমতা স্থাপন কৰে। কিন্তু মেচৰ অন্তিম ক্ষণত গোৱাৰ এডু বেডিয়াই দৰ্শনীয় ফ্ৰি-কিকৰে গ'ল কৰি প্ৰথম মেচতে দলক জয় দিয়াৰ লগতে আশাহত কৰে ইষ্ট বেংগলক। ইষ্ট বেংগল এফ চিয়ে লীগৰ তৃতীয় মেচখন খেলিবলৈ অসমলৈ আহিব। অহা ২০ অক্টোবৰত সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত হ'বলগা মেচত ঘৰুৱা দল নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ মুখামুখি হ'ব কলকাতাৰ দলটো। ইফালে, এফ চি গোৱাই লীগৰ পৰৱৰ্তী মেচখনো বাহিৰত খেলিব। দ্বিতীয় মেচত দল মুখামুখি হ'ব চেন্নাইয়ান এফ চিৰ। অহা ২১ অক্টোবৰত এই মেচখন অনুষ্ঠিত হ'ব চেন্নাইৰ জৱহৰলাল নেহৰু ষ্টেডিয়ামত।



ড'পিং ব্যৰ্থ হৈ তিনি বছৰলৈ নিষিদ্ধ কমলপ্ৰীত।

## আজিৰে পৰা তেজপুৰ চেলেঞ্জ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ, ১২ অক্টোবৰ ঃ** তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় পল'ফিল্ডত কাইলৈৰ পৰা অনুষ্ঠিত হ'ব ৰাজেন বৰঠাকুৰ সোঁৱৰণী তেজপুৰ চেলেঞ্জ কাপ ফুটবল প্ৰতিযোগিতা। তেজপুৰৰ পল'ফিল্ডত অনুষ্ঠিত হ'বলগা এই ফুটবল প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দলে তাৰিণী ভূঞা সোঁৱৰণী বঁটা আৰু চেম্পিয়ন হিচাপে এক লাখ টকা, ৰাণাৰ্চ আপ দলে ট্ৰফীৰ লগত ৫০ হেজাৰ টকা লাভ কৰিব। উল্লেখ্য যে, প্ৰতিযোগিতাৰ প্ৰত্যেকখন খেলত প্ৰেম ডেকা সোঁৱৰণী শ্ৰেষ্ঠ খেলুৱৈ বঁটা প্ৰদান কৰা হ'ব। এই প্ৰতিযোগিতাত ছিকিম একাদশ, ছিলং একাদশ, আছাম ৰাইফলছ, অইল ইণ্ডিয়া, অসম পুলিচ, এ এছ ই বি, গ্ৰীণ ভেলী, মৰাণ টাউন ক্লাব, বঙাইগাঁও একাদশ, সঞ্জীৱন সমাজ আদি দেশ আৰু ৰাজ্যৰ আগশাৰীৰ ফুটবল দলে অংশগ্ৰহণ কৰিব বুলি তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি জিতেন বৰঠাকুৰে জানিবলৈ দিছে।




চুৰাটত হোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সামৰণি অনুষ্ঠানৰ অতিথিসকলক।

## আন্তঃচাহ বাগিচা ফুটবল প্ৰতিযোগিতা আৰম্ভ

**চাবুৱা, ১২ অক্টোবৰ ঃ** দিনজান চাহ বাগিচাত আন্তঃ চাহ বাগিচা শ্বিল্ড প্ৰাইমণি ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰতিযোগিতত ১৮ খন চাহ বাগিচাৰ দলে অংশগ্ৰহণ কৰা বুলি আয়োজকে জানিবলৈ দিছে। আন্তঃচাহ বাগিচা শ্বিল্ড প্ৰাইজমণি প্ৰতিযোগিতাখনিত দিনজান ক্ৰীড়া সন্থা, অসম চাহ মজদুৰ সংঘ,অসম চাহ জনজাতি ছাত্ৰ সন্থা, দিনজান যুৱক সংঘ, অসম চাহ কৰ্মচাৰী সংঘ, দিনজান চাহ বাগিছা শ্ৰমিক ৰাইজৰ সহযোগত অনুষ্ঠিত কৰা হৈছে।



# কয়াকুঁজীত বিলত বৰশীৰে মাছ ধৰা প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ১২ অক্টোবৰ ঃ** বঙাইগাঁও জিলা প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি উত্তৰ শালমাৰা মহকুমা প্ৰশাসনৰ তত্ত্বাৱধানত স্থানীয় কয়াকুঁজীয়া বিলত অনুষ্ঠিত বৰশীৰে মাছ ধৰা প্ৰতিযোগিতাত দুশ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। বঙাইগাঁও জিলাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত প্ৰতিযোগিতাত প্ৰবল বৰষুণকো নেওচি বহু প্ৰতিযোগী তথা দৰ্শক ৰাইজে যোগদান কৰি এক উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি কৰে। দুটা ৰাউণ্ডত অনুষ্ঠিত প্ৰতিযোগিতা অন্ত হোৱাৰ পাছতেই প্ৰতিযোগিতাথলীতেই উত্তৰ শালমাৰা মহকুমাৰ মহকুমাধিপতিৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণি সভাত প্ৰথম পুৰস্কাৰ হিচাপে দুৰামাৰীৰ দীপক বৰ্মনে ট্ৰফী, মানপত্ৰৰ লগতে নগদ ১০ হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ হিচাপে বোৱালীমাৰীৰ মমিনুল হকে ট্ৰফী, মানপত্ৰৰ লগতে নগদ সাত হেজাৰ টকা, তৃতীয় পুৰস্কাৰ হিচাপে দুৰামাৰীৰ সমেশ খানে ট্ৰফী, মানপত্ৰৰ লগতে নগদ তিনি হেজাৰ টকা লাভ কৰে। প্ৰতিযোগিতাখনত মধুফলৰ শহিদুল ইছলামে নিচুকনি পুৰস্কাৰ হিচাপে মানপত্ৰৰ সৈতে নগত এহেজাৰ টকা লাভ কৰে। উত্তৰ শালমাৰা মহকুমা প্ৰশাসন তথা কয়াকুঁজীয়া উদ্যান উন্নয়ন সমিতিৰ যুটীয়া উদ্যোগত অনুষ্ঠিত এই প্ৰতিযোগিতাখন পৰিচালনা কৰে অভয়াপুৰীৰ কচমচ ক্লাবৰ সদস্যসকলে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় কাৰ্যবাহী দণ্ডাধীশ মাচুম ইউচুফ আহমেদে।

# বঙাইগাঁও জিলা দিৱসত চাফাই, বৃক্ষৰোপণ, আলোচনা চক্ৰ, মিনি বিজ্ঞান কেন্দ্ৰ উদ্বোধন

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ১২ অক্টোবৰ ঃ** ৰাজ্যখনৰ অন্য জিলাৰ লগতে কালিৰ পৰা দুদিনীয়াকৈ আয়োজন কৰা 'বঙাইগাঁও জিলা দিৱস'ৰ আজি দ্বিতীয় তথা অন্তিম দিন। আজি দ্বিতীয় দিনৰ কাৰ্যসূচী আৰম্ভ হয় জিলাখনৰ চৰকাৰী কাৰ্যালয়সমূহত চাফাই অভিযানেৰে। পুৱা সাত বজাৰ পৰা পুৱা ন বজালৈ এই চাফাই অভিযানত বিষয়া-কৰ্মচাৰীসকলে নিজৰ নিজৰ কাৰ্যালয়সমূহ চাফ-চিকুণ কৰে। তাৰ পাছতে উত্তৰ বঙাইগাঁও উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। বঙাইগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্তদ্বয় শ্যামল ক্ষেত্ৰ গগৈ আৰু মগেন নৰহ, পৌৰসভাৰ কাৰ্যবাহী বিষয়া ভাৰ্গৱ কলিতা আৰু সহকাৰী আয়ুক্ত শিল্পীৰেখা পণ্ডিতে বৃক্ষৰোপণ কাৰ্যসূচীৰ আৰম্ভ কৰে। প্ৰধানকৈ দেৱদাৰু আৰু নিমগছ ৰোপণ কৰা হয় আজিৰ বৃক্ষৰোপণ কাৰ্যসূচীত। বন বিভাগে গছপুলিসমূহ যোগান ধৰে আৰু বৃক্ষৰোপণ কাৰ্যসূচীত সহযোগ কৰে। জিলাখনৰ কে'বাগৰাকীও জ্যেষ্ঠ নাগৰিক, উত্তৰ বঙাইগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলেও বৃক্ষৰোপণ কাৰ্যসূচীত সহযোগিতা আগবঢ়ায়। বৃক্ষৰোপণৰ পাছত নিউ বঙাইগাঁওস্থিত নেতাজী হিন্দী বিদ্যাপীঠত জিলা উপায়ুক্ত নৰদ্বীপ পাঠকে এটি 'মিনি বিজ্ঞান কেন্দ্ৰ' উদ্বোধন কৰে। এই কেন্দ্ৰত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে বনোৱা কিছুমান সামগ্ৰী সংৰক্ষিত কৰা হৈছে। মিনি বিজ্ঞান কেন্দ্ৰটি নিৰ্মাণত নৰ্থ ইষ্ট স্মল ফাইনেন্স, বঙাইগাঁও শাখাৰ পৰা পুঁজি আগবঢ়োৱা হয়। এই অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত (শিক্ষা) শ্যামল ক্ষেত্ৰ গগৈ, বঙাইগাঁও জিলা চক্ৰৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক জ্যোৎস্না ৰাণী বৰ্মন, আন এগৰাকী শিক্ষা বিষয়া কীৰ্তি গোস্বামী, কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষ, বঙাইগাঁও কলেজৰ অধ্যাপক, হিন্দী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° বাকেলাল শৰ্মা আদি কৰি বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



ইয়াৰ পাছত বঙাইগাঁও ৰ'কিং জ'নত ফটোগ্ৰাফী প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আজিৰ আন কাৰ্যসূচীৰ লগতে বঙাইগাঁও জিলাৰ পুৰণি দিনৰ বহু মূল্যৱান ফটো আৰু আন কিছুমান সুন্দৰ ফটো সন্নিৱিষ্ট কৰি এখন আলোকচিত্ৰ প্ৰদৰ্শনীও ৰ'কিং জ'নত অনুষ্ঠিত কৰা হয়। বঙাইগাঁও জিলা দিৱসৰ আন এটি উল্লেখনীয় কাৰ্যসূচী হৈছে জিলাখনৰ উত্তৰ শালমাৰা মহকুমাৰ যোগীঘোপাৰ নিকটৱৰ্তী কাবাইটাৰীৰ ১১৩ নম্বৰ কাবাইটাৰী আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন। বঙাইগাঁও জিলাৰ উপায়ুক্ত নৰদ্বীপ পাঠকৰ উপস্থিতিত ৩৫ নম্বৰ অভয়াপুৰী দক্ষিণ (অঃজা) বিধানসভা সমষ্টিৰ বিধায়ক প্ৰদীপ সৰকাৰে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰটি উদ্বোধন কৰে। ইয়াৰ পাছত বঙাইগাঁও ৰ'কিং জ'নত জিলা দিৱস উপলক্ষে জিলা প্ৰশাসনৰ উদ্যোগত আৰু বঙাইগাঁও কলেজ তথা বীৰঝৰা কন্যা মহাবিদ্যালয়ৰ সহযোগত আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। বঙাইগাঁও জিলা গঠনৰ পৰা বৰ্তমানলৈ ক্ৰমশঃ কেনেদৰে পৰিৱৰ্তন হৈ আজিৰ অৱস্থা পালে সেই সম্পৰ্কে ৰোমন্থন কৰা হয়। অভয়াপুৰী কলেজৰ অধ্যক্ষ ড° সদানন্দ নাথ, জ্যেষ্ঠ নাগৰিক অলকেশ চক্ৰৱৰ্তী, প্ৰাক্তন প্ৰশাসনিক বিষয়া ৰোহিণী কুমাৰ চৌধুৰী, স্বাস্থ্য সেৱা বিভাগৰ প্ৰাক্তন যুটীয়া সঞ্চালক ডাঃ ফিৰোজ আহমেদ আৰু বিশিষ্ট সমাজকৰ্মী প্ৰভাত বৈষ্ণৱ আলোচক হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানত বীৰঝৰা কন্যা মহাবিদ্যালয়ৰ অধ্যক্ষ (ভাৰপ্ৰাপ্ত) ড° গগন কুমাৰ শৰ্মা, বঙাইগাঁও কলেজৰ অধ্যাপিকা ড° ৰূপাঞ্জলি দেৱী, ড° ফটিক চন্দ্ৰ কলিতা, বঙাইগাঁও জিলা পৰিষদৰ প্ৰাক্তন সভানেত্ৰী লীনা সিংহ, আন বহু বঙাইগাঁওবাসী লোক আৰু স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীয়েও অংশগ্ৰহণ কৰে।



# প্ৰাক্তন ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদলৈ মৰণোত্তৰভাৱে 'ভাওনা প্ৰদীপ' বঁটা

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ১২ অক্টোবৰ ঃ** মাজুলীত অনুষ্ঠিত হ'বলগীয়া ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত ফখৰুদ্দিন আলী আহমেদক মৰণোত্তৰভাৱে 'ভাওনা প্ৰদীপ' বঁটা প্ৰদান আৰু মাজুলী ভিত্তিত মহিলাৰ দিহানাম প্ৰতিযোগিতা সন্দৰ্ভত আজি মাজুলী জিলা সাংস্কৃতিক মহাসভাই এখন সংবাদমেল সম্বোধন কৰে। গড়মূৰস্থিত খোনাচুক গাঁৱৰ মাধৱদেৱ কৃষ্টি কেন্দ্ৰত মাজুলী সাংস্কৃতিক মহাসভাই আয়োজন কৰা সংবাদমেল সম্বোধন কৰি জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকতে কয় যে মানৱ সমাজৰ আপুৰুগীয়া, অসমীয়া সমাজৰ স্বাভিমান সংস্কৃতি ভাওনা সংস্কৃতি। মহাপুৰুষ শংকৰদেৱে ভাওনা সংস্কৃতি সৃষ্টি কৰি সমাজত সমন্বয় স্থাপন কৰাৰ মাধ্যম প্ৰতিষ্ঠা কৰাৰ উপৰি উত্তৰসুৰী হিচাপে অসমীয়া সমাজক এই সংস্কৃতি শুদ্ধ ৰূপত সংৰক্ষণ আৰু প্ৰচাৰ-প্ৰসাৰৰ দায়িত্ব অৰ্পণ কৰাৰ কথা কাৰো অবিদিত নহয়। অসমীয়া সমাজৰ এজন স্বনামধন্য কাণ্ডাৰীয়ে এই ভাওনা সংস্কৃতি প্ৰচাৰৰ ক্ষেত্ৰত যি অভূতপূৰ্ব অৰিহণা আগবঢ়াই গ'ল সি চিৰদিন চিৰস্মৰণীয় হৈ থাকিব। সেইগৰাকীয়ে হৈছে ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি অসম সন্তান প্ৰয়াত ফখৰুদ্দিন আলী আহমেদ। অসমৰ পৰা ভাৰতৰ ৰাষ্ট্ৰপতি পদ অলংকৃত কৰা প্ৰথমগৰাকী অসমীয়া প্ৰয়াত ফখৰুদ্দিন আলী আহমেদৰ সবল নেতৃত্বত ১৯৭৫ত মাজুলীৰ পৰা গুৰুজনাৰ 'ৰামবিজয়' নাট সুদূৰ ইন্দোনেছিয়াত প্ৰদৰ্শন কৰোৱাই যি শ্ৰদ্ধা-ভক্তি আৰু সত্ৰীয়া সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাট মুকলি কৰিলে তথা বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিলে সি এতিয়া সঁচা অৰ্থত বিশ্বৰ দৰবাৰত গজগজীয়া হ'ল বুলি তেওঁ উল্লেখ কৰে। মাজুলীত একমাত্ৰ ৰাষ্ট্ৰপতি হিচাপে প্ৰদাৰ্পণ কৰা এই এগৰাকী বৰেণ্য ব্যক্তিকেই মাজুলী জিলা সাংস্কৃতিক মহাসভাৰ উদ্যোগত অহা ১৬ অক্টোবৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰণোত্তৰভাৱে 'ভাওনা প্ৰদীপ' বঁটা প্ৰদান কৰা হ'ব বুলি লগতে উল্লেখ কৰে। সংবাদমেলত ঘোষণা কৰা অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি অহা ১৬ অক্টোবৰত গড়মূৰ খোনাচুক গাঁৱৰ মাধৱদেৱ কৃষ্টি সংঘৰ ৰংগমঞ্চত বঁটা প্ৰদান অনুষ্ঠানটিৰ পুৱা পতাকা উত্তোলন কৰিব মাজুলী জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকতে। স্মৃতি তৰ্পণৰ পাছতেই মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞাৰ উদ্বোধনেৰে অনুষ্ঠিত হ'ব মাজুলী মহিলা দিহানাম প্ৰতিযোগিতাৰ প্ৰথম খণ্ড। ইয়াৰ পাছতেই ভাওনা প্ৰদীপ বঁটা প্ৰদান আৰু দিহানামৰ আলোচনাচক্ৰ উদ্বোধন কৰিব মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° ডম্বৰুধৰ নাথে। বিশিষ্ট গৱেষক পণ্ডিত, সংগীত নাটক একাডেমিৰ সদস্য তথা মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানলৈ মুখ্য অতিথি হিচাপে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো নিমন্ত্ৰণ জনোৱা হৈছে। অনুষ্ঠানত প্ৰয়াত প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ পৰিয়ালৰ লোকে এই বঁটা গ্ৰহণ কৰিব আৰু ইন্দোনেছিয়ালৈ ভাওনা দলত যোৱা ৰাষ্ট্ৰপতিৰ সতীৰ্থ কে'বাগৰাকীও শিল্পীয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰিব।







অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com